# জীৱন আৰু সাহিত্যৰ দাপোণ

প্ৰদীপ্ত বৰগোহাঞিৰ

PASCHIM GUWAHATI MAHAVIDYALAYA
Dharapur, Guwahati - 781133
LIBRARY
Class No. ..........
Book No. BOR.

PASCHIM GUWAHATI MAHAVIDYALAYA
P. O.: Dharapur : Guwahati - 781133
LIBRARY
Acc. No. 12458
Book No. BOR
Class No. ..........
Author ..........
Title ..........

| Borrower's | Issue Date | Borrower's | Issue Date |
|---|---|---|---|

Accession No. 12458

Paschim Guwahati Mahavidyalaya
P. O.: Dharapur : Guwahati - 781133
LIBRARY

1. Books may be retained for a period not exceeding 15 days by the Members.
2. Books may be renewed on request at the discretion of the Librarian.
3. Dog-earing the pages of a book, marking or writing therein with ink or pencil, tearing or taking out its pages or otherwise damaging it will constitute an injury to a book.
4. Any such injury to a book is a serious offence Unless the borrower points out the injury at the time of borrowing the book, he/she shall be required to replace the book or pay its price.

Help to keep the Book fresh & clean.

# জীৱন আৰু সাহিত্যৰ দাপোণ

প্ৰদীপ্ত বৰগোহাঞি

B.C.B.L.
12458

Dharapur Ghy-133
CC No- 12458
Date....
hati Mahavidyal

ষ্টুডেণ্টচ্ ষ্ট'ৰচ্
কলেজ হোষ্টেল ৰোড
গুৱাহাটী-৭৮১০০১



**প্ৰতিষ্ঠাতাঃ নৰেন্দ্ৰ চন্দ্ৰ দত্ত, স্থাপিত: ১৯৪৫**

**প্ৰকাশকঃ**
**শ্ৰীঅজয় কুমাৰ দত্ত**
**ষ্টুডেন্টচ্‌ ষ্ট'ৰচ্‌**
**কলেজ হোষ্টেল ৰোড**
**গুৱাহাটী- ৭৮১০০১**

**পৰিবেশকঃ**
**ভাৰতী বুক ষ্টল, গোলাঘাট- ৭৮৫৬২১**

**© লেখক**

**প্ৰচ্ছদঃ**
**পূৰ্ণেন্দু পত্ৰী**

**প্ৰথম প্ৰকাশঃ**
**গুৱাহাটী গ্ৰন্থমেলা**
**ডিচেম্বৰ, ১৯৯৪**

**মূল্যঃ ৩২.০০ টকা**

**মুদ্ৰকঃ**

সান লিথোগ্ৰাফিং কোম্পানী,
১৮, হেমচন্দ্ৰ নস্কৰ ৰোড,
কলিকতা-৭০০ ০১০

# পাতনি

এতিয়ালৈকে মই অ'ত ত'ত কিছু প্ৰবন্ধ পাতি লেখিছোঁ যদিও এতিয়ালৈকে মোৰ কোনো গ্ৰন্থ প্ৰকাশ হোৱা নাছিল। এতিয়া অসমৰ আগশাৰীৰ প্ৰকাশন সংস্থা, ষ্টুডেন্টচ্‌ ষ্ট'ৰচে মোৰ প্ৰবন্ধ কিছুমান সংকলিত কৰি 'জীৱন আৰু সাহিত্যৰ দাপোণ' নামৰ গ্ৰন্থখন প্ৰকাশ কৰি উলিয়াই দিয়াৰ বাবে তেওঁলোকক মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। আশাকৰোঁ গ্ৰন্থখনে পাঠক সমাজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হ'ব।

মই যদিও সাহিত্যৰ ছাত্ৰ তথাপিও জীৱন সম্বন্ধে মোৰ অনুসন্ধিৎসাৰ বাবে সাহিত্যৰ বাহিৰেও অইন বিষয়ৰো কিছু প্ৰবন্ধ-পাতি লেখিছোঁ। তদুপৰি ভাৰতৰ বাহিৰতো পঢ়া-শুনা কৰা বাবে আৰু ইংৰাজী সাহিত্যৰ ছাত্ৰ হোৱা বাবে মই পাঠকৰ মনোৰঞ্জনৰ বাবে বিদেশৰ জীৱন আৰু সাহিত্য সম্বন্ধীয় দুই এটা প্ৰবন্ধও লেখিছোঁ। এই সকলোবোৰে পাঠকক আকৰ্ষণ কৰিব পাৰিলে মই নিজকে ধন্য মানিম।

বিনীত—
**প্ৰদীপ্ত বৰগোহাঞি**

## উছৰ্গা

*যি গৰাকী মহিয়সী নাৰীৰ মৰমৰ ঋণ জীৱনত কেতিয়াও শোধ কৰিব নোৱাৰো, মোৰ সেই স্বৰ্গগতা আইতা কাশী তামুলীৰ স্মৃতিৰ উদ্দেশ্যে 'জীৱন আৰু সাহিত্যৰ দাপোণ'খন উছৰ্গা কৰিলোঁ।*

মিকু

# সূচীপত্ৰ


| বিষয় | পৃষ্ঠা |
| --- | --- |
| ৰামৰাজ্যৰ স্বপ্ন আৰু দুঃস্বপ্ন | ৯ |
| শৃংখলা-বিশৃংখলা | ১৩ |
| মাজনিশাৰ ল'ৰা-ছোৱালীৰ আৱিৰ্ভাৱ | ১৬ |
| স্বাধীনতাৰ আন এটা দিশ | ২১ |
| মেলকম্ এক্স ঃ আমেৰিকাৰ নিগ্ৰো সমাজৰ বিষয়ে | |
| সংস্কাৰাচ্ছন্ন অপ-ধাৰণাৰ নিৰৱচ্ছিন্নতা | ২৫ |
| আমেৰিকাৰ ৰেড ইণ্ডিয়ানসকল | ২৯ |
| অধ্যাপক ডেল ক্ৰেমাৰ | ৩৬ |
| জেফ কামিনস্কিৰ লগত ছমাহ | ৪২ |
| আমেৰিকাৰ জীৱনৰ কিছুমান দিশ | ৪৬ |
| আৰু এখন দাক্ষিণাত্য | ৫৪ |
| প্ৰবাসী ভাৰতীয়ৰ মানসিকতা | ৫৮ |
| লেখকৰ পুৰস্কাৰৰ জগত আজি মেঘাচ্ছন্ন | ৬২ |
| সাহিত্য আৰু সত্য | ৬৫ |
| সাহিত্য আৰু মৃত্যু | ৬৯ |
| কমেডীৰ চিৰন্তন আকৰ্ষণ | ৭৪ |
| 'ভেনিটী ফেয়াৰ' | ৮০ |
| ডিকেন্স্, , হেমিংওৱে, হাইনুন্ আৰু আজিৰ অসম | ৮৭ |

# ৰামৰাজ্যৰ স্বপ্ন আৰু দুঃস্বপ্ন

১৫১৬ চনত টমাচ ম'ৰে 'ইউটোপীয়া' (Utopia) বুলি এখন গ্ৰন্থ ৰচনা কৰিছিল। সেই গ্ৰন্থখনত তেওঁ এক আদৰ্শ জীৱনৰ অংকন কৰিছিল। ইউটোপীয়া হ'ল এনে এটা দ্বীপ য'ৰ বাসিন্দাসকলে যুদ্ধ-বিগ্ৰহ, সৈনিক আদিক ঘৃণা কৰে। ইয়াত সকলোৱে সুখ আৰু আৰামৰ জীৱন-যাপন কৰে। সামাজিক আৰু অৰ্থনৈতিক-ভাৱে সকলো সমান, আৰু ধৰ্মৰ ক্ষেত্ৰত দ্বীপটোত সহিষ্ণুতা বিৰাজমান। 'ইউটোপীয়া'ৰ বিশেষ তাৎপৰ্য্য এয়েই যে ইয়াৰ উদাৰপন্থী দৰ্শন আৰু মানৱৰ স্বভাৱ-চৰিত্ৰ আৰু ভৱিষ্যতৰ বিষয়ে গ্ৰন্থখনৰ পৃষ্ঠাবোৰত প্ৰতিধ্বনিত আশাবাদক ইউৰোপৰ নৱজাগৰণৰ (Renaissance) প্ৰথম ৰেঙণি বুলি ক'ব পাৰি। প্ৰবন্ধটোৰ আৰম্ভণিতে এইখন গ্ৰন্থৰ কথা উল্লেখ কৰিছো এই বাবে যে চাৰ টমাচ ম'ৰৰ লিখনী নপঢ়া বহুতো লোকেই 'ইউটোপীয়া' শব্দটোৰ লগত পৰিচিত, আৰু ইয়াক প্ৰায়ে নানা সন্দৰ্ভত ব্যৱহাৰ কৰে। কিন্তু টমাচ ম'ৰৰ বহুতো আগতেই প্লেটোৱে প্ৰাচীন গ্ৰীছত আদৰ্শ সমাজ-ব্যৱস্থাৰ কল্পনা মূৰ্ত কৰিছিল তেওঁৰ বিখ্যাত The Republic গ্ৰন্থখনৰ জৰিয়তে। হয়তো আমাৰ ভাৰতবৰ্ষত তাতকৈয়ো আগতে এখন ৰামৰাজ্য আছিল! দৰাচলতে প্ৰতিকূল সময়ত মানুহে সকলো সমস্যাৰ পৰা পলায়ন কৰি কোনোবা সুদূৰ, নিৰিবিলি আশ্ৰয়-স্থানলৈ ঢাপলি মেলিব বিচাৰে, বা এবিধ নোৱৰা সমাজখনতে এখন নিখুঁত, আদৰ্শ জগত নিৰ্মাণ কৰি ল'ব বিচাৰে। দুয়োটাই 'ইউটোপীয়ান' প্ৰচেষ্টা বুলি ক'ব পাৰি।

অভিধানৰ মতে 'ইউটোপীয়ান'ৰ অৰ্থ হ'ল ''ত্ৰুটিহীন আদৰ্শৰ আধাৰত গঢ়িত যি কোনো বস্তু বা ধাৰণা।'' কিন্তু ইয়াৰ আন এটা অৰ্থ হ'ল ''আদৰ্শ জীৱন লাভ কৰিবলৈ প্ৰয়োগ কৰা অবাস্তৱ পৰিকল্পনা।'' এই শব্দটো ব্যৱহাৰ কৰোঁতাসকলে বেছিভাগ সময়তে দ্বিতীয় অৰ্থটোৰ কথাহে ভাবে। কিন্তু মনত ৰখা উচিত যে ইউটোপীয়াৰ লক্ষ্যত উপনীত হ'বলৈ মানুহে মাথোন কল্পনা কৰিয়েই বহি নাথাকে, সি হাতে-কামেও লাগি যায়। আধুনিক যুগত ইউটোপীয়া প্ৰাপ্তিৰ এটা উল্লেখযোগ্য প্ৰচেষ্টা হ'ল সাম্যবাদৰ পৰীক্ষাটো। কিছু আগেয়ে উল্লেখ কৰা ইউটোপীয়াৰ দুয়োটা অৰ্থই সাম্যবাদৰ ক্ষেত্ৰত প্ৰযোজ্য। সাম্যবাদৰ গুৰুসকলে সাম্যবাদী প্ৰশাসন-ব্যৱস্থাটোক এক বিশাল আৰু গুৰুত্ব নিদি নোৱৰা বাস্তৱ হিচাপে বিশ্বৰ জনতাৰ সন্মুখত উত্থাপন কৰিছিল। কিন্তু সেই প্ৰশাসন-ব্যৱস্থাৰ ওপৰৰ খলপত হোৱা

ব্যাপক দুৰ্নীতি, সামৰিক ক্ষেত্ৰত ক্ৰমবৰ্ধমান ব্যয়, আৰু মানুহৰ অপ্ৰতিৰোধ্য লোভ- আকাংক্ষাই (যি লোভ বা আকাংক্ষাক সাম্যবাদী ৰাজ্যবোৰত নিয়ন্ত্ৰিত কৰি ৰখা হৈছিল) সাম্যবাদৰ সপোন চূৰমাৰ কৰিলে। সাম্যবাদৰ প্ৰায় অবসান ঘটাৰ পাছত ভাবি চালে এনেহে লাগে যেন সাম্যবাদী ৰাষ্ট্ৰত সমানাধিকাৰৰ আশা 'ইউটোপীয়ান' আছিল, অৰ্থাৎ এক প্ৰকাৰ অবাস্তৱ আছিল।

কিন্তু ইউটোপীয়া প্ৰাপ্তিৰ আকাংক্ষা এতিয়াও এটা দুৰ্বাৰ শক্তি হৈ আছে। পূব ইউৰোপত হোৱা প্ৰতি-বিপ্লৱক (counter-revolution) ইউটোপীয়ানিজমৰ এটা নতুন ৰূপ বুলি অভিহিত কৰিব পাৰি। এই প্ৰতি-বিপ্লৱত পুনৰ্নিৰ্মাণ, পুনৰ্গঠনৰ প্ৰয়াস দেখিবলৈ পোৱা গৈছে। অতীতৰ প্ৰতি বীতশ্ৰদ্ধ হৈ পূব ইউৰোপৰ মানুহে ভৱিষ্যতৰ ইউটোপীয়াৰ সন্ধান কৰিছে। কিন্তু অকল পূব ইউৰোপতেই নে? সমগ্ৰ বিশ্বতে নানা জাতিৰ লোকে নতুন দেশ, নতুন সত্বাৰ জন্ম দিবলৈ চেষ্টা কৰিছে, যাতে মৰহি যোৱা আশা পুনৰ প্ৰস্ফুটিত হ'ব পাৰে।

পেৰুৰ Shining path (জ্যোতিষ্মান পথ) আৰু ভাৰতৰ বিশ্ব হিন্দু পৰিষদৰ দৰে দুটা সম্পূৰ্ণ পৃথক সংগঠনৰ উদ্দেশ্যৰ কিছুমান মিল আছে। প্ৰথমটো সংগঠন হয়তো নাস্তিক আৰু তাৰ নেতাসকলে সমৰ্থকসকলক এক সম্পূৰ্ণ নতুন সমাজ- ব্যৱস্থাৰ আশা দেখুৱাইছে। দ্বিতীয়টো সংগঠন হয়টো অতিশয় ধৰ্মানুৰাগী, আৰু ই ধূসৰ অতীতৰ ৰামৰাজ্যৰ নৱ-উন্মেষ কৰিবলৈ বিচাৰিছে। কিন্তু এই দুই সংগঠনৰ দৰ্শনৰ মৌলিক উদ্দেশ্য আৰু অংগীকাৰ একেটাই। সেইটো হ'ল ''যদি আমাৰ নেতৃত্ব অনুসৰণ কৰা, আমি তোমালোকক ইউটোপীয়া উপহাৰ দিম। মাও চে টুঙৰ নিৰ্দেশ আৰু বাণী সাৰোগত কৰা (Shining path এটা মাও পন্থী সংগঠন) বা হিন্দু ধৰ্মক আঁকোৱালি লোৱা, আৰু তেতিয়া দেখিবা যে তোমাৰ জীৱন সুখ- আনন্দেৰে পৰিপূৰ্ণ হৈ পৰিব।''

সময়ে সময়ে এনে কিছুমান অবিশ্বাসী সমালোচকৰ আৱিৰ্ভাৱ হয় যি ইউটোপীয়াৰ নেতিবাচক দিশবোৰ লৈহে চিন্তাগ্ৰস্ত হয়। এনেধৰণৰ লোকসকলে বোধহয় অনুভৱ কৰে যে এই পৃথিৱীত আদৰ্শৰ সন্ধান অসাৰ আৰু আনকি অপ্ৰয়োজনীয়ও। এলডছ হাক্সলীয়ে Brave New World আৰু জৰ্জ অৰওৱেলে 1984–যথাক্ৰমে এই দুখন উপন্যাস লিখি ইউটোপীয়া সম্পৰ্কে থকা তেওঁলোকৰ সন্দেহ আৰু অসন্তুষ্টি ব্যক্ত কৰিছে।

"Brave New World" (সাহসী আৰু নতুন পৃথিৱী) কথাফাকি শ্বেক্সপীয়েৰৰ নাট The Tempest ৰ পৰা লোৱা হৈছে। এইখনো এখন ইউটোপীয়ান নাটক, যাৰ ব্যাখ্যা বিশ্লেষণ কৰোঁতে সমালোচকসকলে কিছুমান নেতিবাচক দিশ বিচাৰি পাইছে। উদাহৰণ স্বৰূপে, কালিবান নামৰ বিকৃতাকাৰ দৈত্যটোক এই সমালোচক



সকলে ঔপনিৱেশিকতাবাদৰ দাস বুলি চিনাক্ত কৰিব খোজে। হাক্সলীৰ উপন্যাসত কেঁচুৱাৰ জন্ম বটলত হয় আৰু এবাৰ ডাঙৰ হোৱাৰ পিছত প্ৰত্যেক ব্যক্তিয়ে সমাজে বান্ধি দিয়া নিয়ম অনুসৰি যান্ত্ৰিকভাৱে কাম কৰে। সবাতোতকৈ গুৰুত্বপূৰ্ণ নৈতিক বিষয়টো হ'ল— স্বাস্থ্যবিধিয় (Hygiene)! Brave New World উপন্যাসখনে ইউটোপীয়াৰ ধাৰণাটোৰ অন্তৰ্নিহিত বৈপৰীত্যৰ লগত আমাক পৰিচয় কৰাই দিয়ে। এক পিনৰ পৰা Brave New world অংকিত হোৱা সমাজ প্ৰগতিশীল, কিয়নো ই বিজ্ঞানৰ চমকপদ সাফল্যৰ প্ৰতিভূ। আনপিনে এনে সমাজে পাঠকৰ অন্তৰত ভীতিৰহে সঞ্চাৰ কৰে, কিয়নো এই সমাজৰ বাসিন্দাসকল এক অমানৱীয় বিজ্ঞানৰ গোলাম হৈ পৰিছে।

"1984" নামৰ উপন্যাসখনতো আমি প্ৰহসন দেখিবলৈ পাওঁ— ইয়াতো ইউটোপীয়াৰ ইতিবাচক দিশবোৰৰ অন্তৰ্ধান হৈছে। এই 'ইউটোপীয়া'ত প্ৰেমৰ মন্ত্ৰীদপ্তৰে (Ministry of Love) চিন্তা-পুলিছ (Thought Police) বিভাগটোৰ জৰিয়তে অতি নিৰ্মমভাৱে আইন-শৃংখলা অব্যাহত ৰাখে। শান্তিৰ মন্ত্ৰীদপ্তৰে (Ministry of Peace) কৰে যুদ্ধ। Brave New World ৰ বিশুদ্ধতাৰ স্পৃহা আৰু দুয়োখন উপন্যাসতে দেখিবলৈ পোৱা কঠোৰ অনুশাসন— এই দুয়োটা কথাই আমাক ইউটোপীয়ান মানসিকতাৰ খৰ্বতা আৰু অমানৱীয়তাৰ সন্মুখীন কৰাইছে। এই শতিকাতে এথনিক বিশুদ্ধিকৰণৰ নামত বচনিয়াৰ চাৰ্ববিলাকে লক্ষ লক্ষ মছলমানক হত্যা কৰিছে।

এইটো স্পষ্ট হৈ পৰিছে যে ইউটোপীয়ান দৰ্শনৰ অনুগামীসকলে তেওঁলোকৰ সপোনৰ অংশীদাৰ হোৱাত অযোগ্য বিবেচিত ''বিধৰ্মী'' সকলক তেওঁলোকৰ জীৱনৰ পৰা বিতাড়ন কৰিবলৈ বিচাৰে। সমগ্ৰ পৃথিৱীতে ক্ষুদ্ৰ জাতীয়তাবাদৰ যিবোৰ বিস্ফোৰণ ঘটিব ধৰিছে, তাৰ দ্বাৰা এই কথাটোৱেই প্ৰমাণিত হয়। যেতিয়া দেখো যে ধৰ্ম আৰু গোষ্ঠীৰ ভিত্তিত মানুহে মানুহক বহিষ্কাৰ, অত্যাচাৰ কৰিছে, তেতিয়া অনুমান হয় যেন এটা আদৰ্শ জাতীয় চৰিত্ৰৰ ধাৰণাটো দিনক দিনে সংকীৰ্ণ হৈ যাবলৈ ধৰিছে। এহাতে প্ৰযুক্তি বিজ্ঞানৰ উন্নতিৰ ফলত পৃথিৱীখন সকলোৰে উমৈহতীয়া সম্পত্তি হৈ পৰিছে, আনহাতে ইউটোপীয়াৰ সন্ধানত মানুহে কিছুমান ঠেক গণ্ডীৰ মাজত নিজক আবদ্ধ কৰাৰ প্ৰয়াসো দেখিবলৈ পোৱা গৈছে। ইউটোপীয়াৰ আদৰ্শক কাৰ্য্যকৰী কৰিবলৈ হিংসাও অপৰিহাৰ্য্য যেন পৰিলক্ষিত হৈছে। আজিৰ নেতাই সমৰ্থক আকৰ্ষণ কৰিবলৈ সততে ক্ষুদ্ৰ জাতীয়তাবাদ আৰু বৰ্ণ বৈষম্যবাদৰ আশ্ৰয় লোৱা দেখা যায়।

আধুনিক পৃথিৱীৰ জটিলতাৰ পৰিপ্ৰেক্ষিতত গোষ্ঠীগত 'বিশুদ্ধতাৰ' সন্ধান বাতুলতা মাথোন। ভৱিষ্যতৰ স্বৰ্গৰ সলনি আমাৰ লক্ষ্যস্থল হিচাপে সন্ধিয়াৰ ৫

বজাৰ সময়খিনি নিৰ্ণয় কৰিলেহে ভাল হ'ব কিজানি। অৰ্থাৎ সকলোৱে সন্ধিয়া ৫ বজালৈ (বা তেনে কোনো উপযুক্ত সময়) নিষ্ঠাৰে কাম কৰাৰ মহান ব্ৰত ল'লে ৰামৰাজ্য অপ্ৰয়োজনীয় হৈ পৰিব।

ৰামৰাজ্য এখন আদৰ্শ ৰাষ্ট্ৰ আছিল নে? হয়তো আছিল কাৰোবাৰ উৰ্বৰ কল্পনাত। প্ৰকৃততে আমাক এটা বাস্তৱৰ জোকাৰণিৰ প্ৰয়োজন হৈছে। ৰামৰ জন্মস্থান নিৰ্ণয় কৰাটো বেছি গুৰুত্বপূৰ্ণ, নে খেতি-বাতি আৰু শিক্ষাৰ দৰে বিষয়ত মনোনিৱেশ কৰা বেছি গুৰুত্বপূৰ্ণ— এই কথাটো ভাৰতীয়সকলে ঠিৰাং কৰিবৰ সময় হৈছে।

কিছুমান লোকে টেলিভিজ্যনৰ মাধ্যমেৰে ইউটোপীয়াৰ বিষয়টো নিৰীক্ষণ কৰিবলৈ বিচাৰিছে। আমেৰিকাত Star Trek নামৰ চিৰিয়েলটোৰ অভূতপূৰ্ব সাফল্যৰ পাছত তাৰ উত্তৰসূৰী চিৰিয়েল Star Trek : The Next Generation আৰু Star Trek : Deep Space Nine-ত ২৪ শতিকাৰ এখন একপ্ৰকাৰৰ আদৰ্শ বিশ্বব্ৰহ্মাণ্ড ৰূপায়িত হৈছে। এই জগতত সংঘাত যে অনুপস্থিত সেইটো নহয়, কিন্তু মানুহৰ গাৰ ৰং আৰু ধৰ্মীয় বিশ্বাস অবান্তৰ হৈ পৰিছে। গোড়ামি আৰু সংকীৰ্ণতা-বিৰোধী এই চিৰিয়েলবোৰক আমি প্ৰকৃত অৰ্থত প্ৰগতিশীল বুলি আখ্যা দিব পাৰো, যদিও সেইবোৰৰ মুখ্য উদ্দেশ্য হ'ল দৰ্শকৰ মনোৰঞ্জন কৰা। তুলনাত, আমাৰ দেশৰ ৰামানন্দ সাগৰে টেলিভিজ্যনৰ পৰ্দাত ৰামৰ পৌৰাণিক ইতিহাসক পুনৰ্জীৱিত কৰিবলৈ চেষ্টা কৰি আমাক যেন সময়ৰ পথত কেইবাখোজ পিছ হোঁহকাই লৈ গ'ল। তেওঁ এই কামটো এইবাবেই কৰিলে, যে অন্য ধৰ্মৰ প্ৰতি আসক্ত লক্ষ লক্ষ ভাৰতীয়ৰ অনুভূতিৰ প্ৰতি তেওঁ উদাসীন আছিল।



# শৃংখলা-বিশৃংখলা

ৰাজনৈতিক আৰু মানসিক ভাৰসাম্য হেৰাই অন্ধকাৰ আৰু অৰাজকতাৰ গহ্বৰত পতিত হোৱাৰ দৰে ভীতি সঞ্চাৰক কথা মানৱজাতিৰ বাবে আৰু একো হ'ব নোৱাৰে। এনে এক অস্থিৰতা, অনিশ্চয়তা আৰু অৰাজকতাৰ ছবি কবি W.B. Yeats ৰ মানসপটত ভাহি উঠিছিল যেতিয়া তেওঁ The Second Coming নামৰ কবিতাটো ৰচনা কৰিছিল ঃ

> Things fall apart ; the centre cannot hold ;
> Mere anarchy is loosed upon the world.

অৰাজক বা বিশৃংখল অৱস্থা দেখিলে তাক সংযত আৰু শৃংখলাবদ্ধ কৰিবলৈ বিচৰাটো আমাৰ সহজাত প্ৰবৃত্তি। নিয়ম আৰু শৃংখলাৰ প্ৰতি মানুহৰ যিটো স্বাভাৱিক প্ৰৱণতা তাৰ প্ৰাথমিক নিদৰ্শন দেখা যায় এটা শিশুৰ কাৰ্য্যকলাপত— সেই শিশুৱে কিবা-কিবি টুকুৰা লৈ (বা সাগৰৰ পাৰত বালিৰে) ঘৰ সাজিবলৈ চেষ্টা কৰা দৃশ্য সততে দেখা যায়। বয়সীয়া লোকসকলে শিশুৰ কাজিয়া দেখিলে মধ্যস্থতা কৰি (বা প্ৰয়োজন হ'লে কিল-ভুকু দি) শান্তি আৰু শৃংখলা প্ৰতিষ্ঠাপিত কৰিব বিচাৰে। বিশৃংখল অৱস্থাৰ প্ৰতি মানৱৰ প্ৰতিৰোধৰ চৰম অভিব্যক্তি দেখিবলৈ পোৱা যায় কিছুমান কলাকাৰৰ সৃষ্টিত, য'ত অগঢ়ী, লেউ-সেউ পদাৰ্থক সুন্দৰ কৰাৰ প্ৰয়াস ভাস্বৰ হৈ উঠে। আমেৰিকাত মই পিটাৰ ব্ৰুকছে পৰিচালনা কৰা ''মহাভাৰত''খন টেলিভিজ্যনত দেখিবলৈ পাইছিলো। সেইখনৰ পাতনিত নিৰ্দেশকজনে পাণ্ডৱ আৰু কৌৰৱৰ যুদ্ধখন শৃংখলা আৰু অৰাজকতাৰ সংঘৰ্ষ বুলিহে অভিহিত কৰিছিল, ভাল আৰু বেয়াৰ নহয়। আন্তৰ্জাতীয় ৰংগমঞ্চৰ এই কবিগুৰুজনৰ ব্যাখ্যা যদি আমি মানি লওঁ, তেতিয়াহ'লে ক'ব লাগিব যে পাণ্ডৱসকলৰ মহত্ত্ব প্ৰতীয়মান এই বাবেই যে তেওঁলোকে আইন আৰু নিয়ম-কানুনক মৰ্য্যাদা দিয়ে।

কিন্তু কৌৰৱসকলৰ বিৰুদ্ধে দ্বিধাগ্ৰস্তভাৱে হ'লেও যুদ্ধ ঘোষণা কৰি পাণ্ডৱসকলেও জানো প্ৰতিষ্ঠিত শাসন-ব্যৱস্থা উলংঘা কৰা নাই? ঐতিহাসিক দৃষ্টিভংগীৰ পৰা চালে ক'ব লাগিব যে পাণ্ডৱসকল সেই সন্ধিক্ষণত একপ্ৰকাৰৰ নৈৰাজ্যবাদী হৈ পৰিছিল। অৱশ্যে অন্যায়ৰ স্থিতাৱস্থাত ভাঙোন আনিবলৈ বোধহয়

কাহিনীয়েই এনে
নৈৰাজ্যবাদৰে প্ৰয়োজন আছিল। পিছে পাণ্ডৱ আৰু কৌৰৱৰ কাহিনীয়েই এনে ধৰণৰ সংঘাতৰ একমাত্ৰ উদাহৰণ নহয়। কুৰি শতিকাত যি উদাৰপন্থী চেতনা আৰু চিন্তাধাৰা প্ৰবহমান, সি ৰেগান আৰু তেওঁৰ শিষ্যসকলে কৰা টুলুঙা নৈতিক উক্তি বা বিচাৰ পৰিহাৰ কৰে। অন্তত প্ৰগতিশীল মহলত চিন্তাবিদসকলে প্ৰত্যেকটো ঘটনা বা অৱস্থাৰ নিৰ্মোহ বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰে।

প্ৰকৃতিৰ এক নিজস্ব, দুৰ্বোধ্য ছন্দ আহে যাৰ ফলত দেখিবলৈ পোৱা যায় যে এটা অশান্ত, সংঘাতপূৰ্ণ সময়ৰ পিছত এই ধৰিত্ৰী হৈ পৰে ধীৰ-স্থীৰ, প্ৰশান্ত। কিন্তু উন্নত দেশৰ মানুহে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি হাত সাবটি বহি নাথাকে; তেওঁলোকে প্ৰশাসন, শৃংখলা, অৰাজকতা আৰু বিদ্ৰোহ আদি বিষয় গমি-পিতি চায়। জুলিয়াছ চীজাৰৰ হত্যাৰ ষড়যন্ত্ৰত লিপ্ত হোৱাটো ব্ৰুটাছৰ বাবে সমীচিন হৈছিল নে? সাহিত্যৰ আটাইতকৈ বিখ্যাত ভাষণটোৱে (শ্বেক্সপীয়েৰৰ "জুলিয়াছ চীজাৰত" মাৰ্ক এণ্টনীয়ে দিয়া ভাষণ) বহল হৃদয়ৰ আৰু সৎ উদ্দেশ্যৰে অনুপ্ৰাণিত ব্ৰুটাছৰ কাৰ্য্যক কি বাবে প্ৰণালীবদ্ধভাৱে আক্ৰমণ কৰিছিল? ব্ৰুটাছে জানো পৃথিৱীৰ স্বৈৰাচাৰী শাসকসকলৰ এজন জনকৰ বিৰুদ্ধে বিদ্ৰোহৰ পতাকা উন্মোচন কৰা নাছিল? প্ৰতিষ্ঠিত শাসনব্যৱস্থাটো ওফৰাই পেলোৱাৰ নায্যতাক কি গুণনীয়কে প্ৰতিপন্ন কৰিব পাৰে? এবাৰ বিদ্ৰোহৰ সিদ্ধান্ত লোৱাৰ পিছত কিমান দূৰলৈ যোৱা উচিত? বিদ্ৰোহৰ সঁজুলিবোৰ কি ধৰণা হ'ব লাগে?

ভাৰতত, অসমত, আমি এইবোৰ প্ৰশ্ন উত্থাপন কৰাৰ সময় আহিল। পাঞ্জাব আৰু অসমত ডেকাচামে ৰণ-পথত অৱতীৰ্ণ হৈছে কিয়নো তেওঁলোকে বিবেচনা কৰে যে শাসকগোষ্ঠী দুৰ্নীতিপৰায়ণ আৰু শোষক। কিন্তু ফৰাচী বিপ্লৱৰ (স্থিতাৱস্থাৰ বিৰুদ্ধে বিদ্ৰোহৰ আটাইতকৈ উল্লেখনীয় আৰু নাটকীয় নিদৰ্শন) ক্ষেত্ৰত যি বৌদ্ধিক সংলাপ আৰু আত্ম বিশ্লেষণ শুনিবলৈ পোৱা গৈছিল তাৰ বিন্দুমাত্ৰও আমাৰ দেশৰ এই আন্দোলনবোৰত দেখিবলৈ পোৱা নাযায়। দুই এক ব্যতিক্ৰমৰ বাহিৰে, আমাৰ বুদ্ধিজীৱীসকলে এই অশান্ত অঞ্চলবোৰৰ সমস্যা সমাধানৰ বাবে তেওঁলোকৰ মেধা আৰু জ্ঞান কামত লগাব পৰা নাই। বেছিভাগ ক্ষেত্ৰতে তেওঁলোকে যুৱকসকলৰ কাৰ্য্যত হয়ভৰহে দি আহিছে। উপৰুৱাভাৱে চালে জনগণৰ উৎসাহ-উদ্দীপনা প্ৰবল যেনেই লাগে, কিন্তু তেওঁলোকেও নেতাসকলৰ কাৰ্য্যৰ সমালোচনা নকৰাকৈ দৰাচলতে এক নিষ্ক্ৰিয় ভূমিকাহে পালন কৰি আহিছে। এনে ব্যাপক আৰু গভীৰ ঔদাসীন্যৰ ফলত দেশৰ যি শোচনীয় অৱস্থা হৈছে, সেই বিষয়ে আচৰিত হ'বলগীয়া একো নাই।

শুভ আৰু অশুভ নিৰ্ণয় কৰা সহজ নহ'লে, কেতিয়া আৰু কেনেকৈ বিদ্ৰোহ কৰা উচিত সেইটো কেনেকৈ জানিম? এটা বিকল্প হ'ল সত্যাগ্ৰহ আদি অহিংসা



আন্দোলন যিটো প্ৰকৃততেই অহিংস, গান্ধী-টুপী বা তেনে কিবা বাহ্যিক চমক দেখুৱাই কৰা ভেকো-ভাওনা নহয়। অৱশ্যে অহিংস আন্দোলন কেতিয়াবা স্থবিৰ হৈ পৰে, বা চৰকাৰী নিস্পেষণৰ ফলত অকালতে তাৰ সমাপ্তি ঘটে। তেনেহ'লে কি হিংসাৰ পথ আঁকোৱালি লোৱাৰ বাহিৰে গত্যন্তৰ নাথাকে? মই নিজে শান্তিবাদৰ প্ৰতিপোষক, কিন্তু এই বিষয়ে যে বাদানুবাদৰ স্থল আছে এই কথাও স্বীকাৰ কৰোঁ।

এতিয়া মোৰ শেষ উদাহৰণটোলৈ আহোঁ। কেইবছৰমান আগেয়ে মই The Caine Muting: নামৰ এখন কিতাপ পঢ়িছিলো। অলপতে কিতাপখনৰ চিত্ৰৰূপ দেখা পালো য'ত বিখ্যাত অভিনেতা হামফ্ৰে বগাৰ্টে মাইন উত্তোলক জাহাজ এখনৰ (Mine sweeper) কেপ্টেইন কুইগ নামৰ এজন সন্দেহবাদী অস্থিৰ মস্তিষ্কৰ কেপ্টেইনৰ ভূমিকাত অভিনয় কৰে। এটা প্ৰচণ্ড ধুমুহাৰ সময়ত কুইগৰ অদ্ভুত কাৰ্য্য-কলাপে তেওঁৰ সহকাৰীজনক তেওঁৰ পৰা ক্ষমতা কাঢ়ি ল'বলৈ বাধ্য কৰে। এই বিদ্ৰোহৰ ফলত সহকাৰীজনক মৃত্যুদণ্ড দিয়াৰ কথা বিবেচনা কৰা হয়, কিন্তু তেওঁক ক্ষমা কৰা হ'ল যেতিয়া এইটো প্ৰমাণিত হ'ল যে মস্তিষ্কৰ প্ৰায় বিকৃতি ঘটা কেপ্টেইন কুইগৰ কৰ্তৃত্বত জাহাজখনৰ বহুতো লোকৰ সলিল সমাধি হ'লহেঁতেন।

এক হিচাপে, মই দাঙি ধৰা কঠিন সমস্যাটোৰ সমাধান বেছ সহজ। বিদ্ৰোহ কৰা বা নকৰাৰ মীমাংসা কৰোঁতে মানুহৰ জীৱনক আটাইতকৈ বেছি মূল্য দিয়া উচিত। যদি শাসক গোষ্ঠীৰ কোনো কাৰ্য্যৰ ফলত বহুতো জীৱন বিপন্ন হয়, তেতিয়াহ'লে সেই কাৰ্য্যৰ বিৰুদ্ধাচৰণ কৰাটো ন্যায়সংগত হ'ব। আনহাতে, বহুতো ন্যায্য দাবীৰ ওপৰত ভিত্তি কৰি আৰম্ভ হোৱা কোনো বিদ্ৰোহ বা বিপ্লৱৰ ফলতো যদি বহুতো প্ৰাণ বিসৰ্জন যায়, তেতিয়াহ'লে তেনে বিদ্ৰোহ লেকাম টানি স্থগিত কৰিব লাগে।

শৃংখলতাৰ সপক্ষে ওকালতি কৰাসকলৰ এটা অলৰ-অচৰ যুক্তি আছে যিটো তেওঁলোকে এই বিষয়টোৰ অৱতাৰণা হ'লেই দাঙি ধৰে। তেওঁলোকৰ মতে শৃংখলা নিহিত হৈ থকা প্ৰতিষ্ঠান, গাঁথনি বা সৌধবোৰ বহুতো কষ্টৰ মূৰত নিৰ্মিত হয়, কিন্তু বিশৃংখলতাই একেৰাতিৰ ভিতৰতে মূৰ দাঙি উঠিব পাৰে। পাঞ্জাব আৰু অসমৰ ঘটনাৱলীয়ে এনেধৰণৰ কিছু ৰক্ষণশীল মতামতৰ সত্যতা প্ৰমাণ কৰা যেন লাগে। যেতিয়া স্থিতাৱস্থা দুৰ্নীতিশীল আৰু অমানৱীয় হয় তেতিয়া সি হয় পৰিতাপৰ বিষয়, কিন্তু যেতিয়া অৰাজকতা হৈ পৰে স্থিতাৱস্থা, তেতিয়া সেইটো হৈ পৰে চৰম হতাশাৰ কাৰণ।

# মাজনিশাৰ ল'ৰা-ছোৱালীৰ আৰিৰ্ভাৱ

আজিৰ ল'ৰা-ছোৱালীয়ে বেছি দেৰি জাগি ৰজনী সুদীৰ্ঘ কৰে নেকি? এই প্ৰশ্নৰ
উত্তৰত ক'ব লাগিব যে কিছুমান ল'ৰা-ছোৱালীয়ে অন্ততঃ কৰে। মাজনিশালৈ স্কুলৰ
পাঠৰ লগত যুদ্ধ-বিগ্ৰহ কৰি থকা ল'ৰা-ছোৱালীৰ কথা কিন্তু এই প্ৰসংগত কোৱা
হোৱা নাই, মই কৈছো সেইবোৰ ল'ৰা-ছোৱালীৰ কথা যি হৰেক ৰকমৰ অনুষ্ঠান
প্ৰদৰ্শন কৰা টেলিভিজ্যন চেটটোৰ সন্মুখত মন্ত্ৰমুগ্ধ হৈ বহি থাকে। পিছে আগৰ
সাধাৰণ টেলিভিজ্যনেই নহয়, এতিয়া বিশেষকৈ কেবল্ টেলিভিজ্যনৰ সৌজন্যত
যিবোৰ বোলছবি, চিৰিয়েল, আৰু গান-বাজনাৰ অনুষ্ঠানৰ দ্বাৰা আমাৰ ঘৰবোৰ
আক্ৰান্ত হৈছে, সেইবোৰে আমাৰ ল'ৰা-ছোৱালীৰ অনুভূতিপ্ৰৱণতা আৰু কল্পনা
শক্তিক যে দেউলীয়া কৰিব সেইটো প্ৰায় ধুৰূপ। ইতিমধ্যেই এচাম পথভ্ৰষ্ট যুৱক-
যুৱতীক দেখিবলৈ পাইছো যাৰ বাবে জগৰীয়া কৰিব পাৰি কেবল্ টেলিভিজ্যনক।
অলপতে এজন বন্ধুৱে "London Bridge is falling down, falling
down" বুলি এটি শিশুৱে গুণগুণাই থকা শুনিলে। শিশুটিৰ সাজ-পাৰ দেখি
বন্ধুজনৰ ভাব নহ'ল যে সি আঢ্যৱন্ত ল'ৰা-ছোৱালী যোৱা এখন কনভেণ্ট স্কুলত
এই nursery rhyme টো শিকিছে। নিশ্চয় সেই শিশুৱে কোনো বন্ধুৰ ঘৰত
কেবল্ টেলিভিজ্যন চাই rhyme টো মুখস্থ কৰিছে। টেলিভিজ্যনৰ কুপ্ৰভাৱৰ নানা
দিশ খান্দি উলিয়াবলৈ এজন কৃচ্ছ্ৰসাধক বা ফূৰ্ত্তি-তামাচাৰ বিৰোধী সন্ন্যাসী হোৱাৰ
প্ৰয়োজন নাই। আমি আত্মতৃপ্ত হৈ ভাবিব পাৰো যে টেলিভিজ্যন হ'ল আমাক
মনোৰঞ্জন কৰা আৰু খবৰ-বাতৰি দিয়া আমাৰ নিয়ন্ত্ৰণাধীন এবিধ যন্ত্ৰ। কিন্তু ই কি
চোৰাং গতিত আমাৰ জীৱনৰ বাঘ-জৰি আমাৰ পৰা কাঢ়ি নিছে আৰু আমাৰ
জীৱনৰ প্ৰভূত পৰিৱৰ্ত্তন ঘটাব ধৰিছে সেই বিষয়ে হয়তো টেলিভিজ্যনৰ
সমালোচক- সকলো সম্পূৰ্ণভাবে সজাগ নহয়।

টেলিভিজ্যনে আমাৰ জীৱনত কৰা ৰূপান্তৰ অনুৎক্ৰমনীয়। কিন্তু এইটোও
অপৰিৱৰ্ত্তনীয় যে টেলিভিজ্যনৰ স্থান আজি নিগাজী, ইয়াক স্থানচ্যুত কৰিবলৈ
বিচৰাটো চীনদেশৰ বিশাল প্ৰাচীৰখন মূৰেৰে খুন্দিয়াই ভাঙিবলৈ কৰা বাতুল কাৰ্য্যৰ
লেখীয়া হ'ব। বহুত ক্ষেত্ৰত টেলিভিজ্যন অপৰিহাৰ্য্যও। কিন্তু এই লেখকে
টেলিভিজ্যনৰ ভূমিকা ভাল নে বেয়া সেই বৃহৎ প্ৰশ্নটোৰ বিষয়ে তৰ্ক কৰিবলৈ



বিচৰা নাই। আমাৰ আজিৰ আলোচনাত ল'ৰা-ছোৱালী আৰু টেলিভিজ্যন, এই
বিষয়টোকেই প্ৰাধান্য দিব খুজিছোঁ। এই গুৰুত্বপূৰ্ণ বিষয়টো চকুৰ পৰা আঁতৰ হ'ব
নিদিলে আমি আমাৰ জীৱনৰ কৰ্তৃত্ব সম্পূৰ্ণৰূপে হেৰাই নেপেলাওঁ, আৰু ল'ৰা-
ছোৱালীৰ জীৱনৰ ওপৰত কিছু ইতিবাচক প্ৰভাৱো পেলাব পাৰোঁ।

এক হিচাপে বিষয়টো অনবৰতেই আমাৰ চকুৰ আগত ভাহি থাকে, কিন্তু ইয়াৰ
প্ৰকৃত ৰূপটো জল্‌জল্ পট্‌পট্‌কৈ ধৰা নপৰে। টেলিভিজ্যনত আকৰ্ষণীয় ৰূপত
উপস্থাপিত হোৱা মাৰ-পিট আৰু ৰক্তাৰক্তি, অবাস্তৱ প্ৰাচুৰ্য্য, লাম্পট্য আৰু
যৌনতাৰ প্লাবনত এটা সম্পূৰ্ণ প্ৰজন্ম কিদৰে উটি-ভাহি যোৱাৰ উপক্ৰম হৈছে, সেই
কথাটো অভিভাৱকৰ গৰ্বমিশ্ৰিত প্ৰশ্ৰয়ৰ ফলত তল পৰিছে। এটি শিশুৱে
"নিৰ্মাৰ" বিজ্ঞাপনৰ গানটো তাৰস্বৰে গাইছে, মাক-বাপেকে তাৰ পিনে মৰম
আৰু প্ৰশংসাৰ দৃষ্টি নিক্ষেপ কৰিছে, আৰু আমি সেইটো শুনি হৰ্ষ-ধ্বনি কৰিবলগীয়া
হৈছে। এনে অভিজ্ঞতা বহুতৰে হোৱা নাই জানো? যি সময়ত জ্যেষ্ঠ লোককেইজনৰ
কাণত শিশুটিৰ "গান" স্বৰ্গীয় সংগীতৰ মধুবৰ্ষণ হোৱাৰ দৰে হৈছে, ঠিক সেই
সময়তে তেওঁলোকৰ অজানিতে শিশুটিক ভৱিষ্যতৰ এজন গ্ৰাহক (consumer)
হিচাপে গঢ় দিয়া হৈছে। শিশুটিয়ে ভোগ-বিলাসৰ জগতখনৰ ভাষা ৰপ্ত কৰাৰ লগে
লগে সেই জগতৰ প্ৰমূল্যবোৰো হজম কৰি পেলাইছে।

টেলিভিজ্যনৰ অনুষ্ঠান আৰু বিজ্ঞাপনবোৰ ইমান চিত্তাকৰ্ষক হোৱা বাবে সেইবোৰে তৰুণসকলৰ অন্তৰ অনায়াসে ভেদ কৰে। প্ৰেম, আৱেগ, ক্ৰোধ, হিংসা, মহত্ত্ব আৰু বদান্যতাৰ দৰে প্ৰাথমিক মানৱীয় দোষ-গুণৰ প্ৰমূল্যবোৰ টেলিভিজ্যনৰ পৰ্দাত অহৰহ ৰূপায়িত হৈ থকা দেখি শিশুৱে সেই ক্ষেত্ৰত বৰ বেছি মৌলিক চিন্তা-চৰ্চা কৰিব নোৱাৰে— অইনে যেন সেই বিষয়ে শেষ কথা কৈ থৈছে।

টেলিভিজ্যনৰ অনুষ্ঠানবোৰৰ পৰা ভাহি অহা সংকেতবোৰ সেই অনুষ্ঠানবোৰৰ মাজে-মাজে দেখিবলৈ পোৱা, জীৱনৰ নানা সমস্যাৰ সহজ-সৰল সমাধান দিবলৈ বিচৰা বিজ্ঞাপনবোৰে আৰু জোৰদাৰ কৰি তোলে। উদাহৰণ স্বৰূপে, প্ৰথমতে জীৱনটো যেন ৰং-ৰহইচ, নাচ-গানৰ মাজেৰেই চলি থাকিব লাগে এই বিজ্ঞাপনবোৰৰ দ্বাৰা এনে ধৰণৰ ধাৰণা এটা সৃষ্টি কৰা হয়। তাৰ পিছত দেখুৱা হয় যে কিছুমান বিশেষ খাদ্যবস্তু, পানীয়, প্ৰসাধন দ্ৰব্য আৰু কাপোৰ-কানি থাকিলেহে এনে ধৰণৰ ৰং-ৰহইচ কৰা সম্ভৱ হয়। ইয়াৰ ফলত তৰুণ-তৰুণীৰ মনত এটা বদ্ধমূল ধাৰণা সৃষ্টি হয় যে এই সামগ্ৰীবোৰৰ অবিহনে জীৱন বৃথা।

নিৰন্তৰভাৱে টেলিভিজ্যন চোৱাৰ ফলত নেতিবাচক ফলাফলবোৰ ডাঙৰতকৈ শিশু বা চেমনীয়াৰ ক্ষেত্ৰত বেছিকৈ প্ৰযোজ্য, কিয়নো কিছুমান বয়সস্থ লোকৰ অবিশ্বাস আৰু সন্দেহৰ যিটো ৰক্ষা-কবচ আছে, সেইটো কনিষ্ঠসকলৰ নাই।

কোনোবাই অৱশ্যে এই ধৰণৰ তৰ্ক কৰিব পাৰে যে এই কনিষ্ঠসকলো এদিন ডাঙৰ হৈ সহজে ভোল নোযোৱা, সন্দেহ পৰায়ণ ব্যক্তি হ'বগৈ আৰু বাস্তৱৰ পৰা অবাস্তৱক বেলেগ কৰি চাব পাৰিব। কিন্তু কোমল বয়সত কিছুমান প্ৰমূল্য আহৰণ কৰিলে এনেধৰণে সজ্ঞাগত হৈ পৰে যে সেইবোৰ পিছত ত্যাগ কৰাটো কঠিন হৈ পৰে।

টেলিভিজ্যন বা তেনেধৰণৰ যান্ত্ৰিক মনোৰঞ্জনৰ অন্যান্য মাধ্যমৰ লগত বহুদিনীয়া আৰু নিকট সান্নিধ্যৰ এটা বিনষ্টকাৰী ফল হ'ল বিচ্ছিন্নতা (alienation)। ''লণ্ডন ব্ৰীজৰ'' nursery rhyme আওৰোৱা শিশুটিৰ উদাহৰণে এনেধৰণৰ বিচ্ছিন্নতাৰ প্ৰমাণ কৰে। কেৱল্ টেলিভিজ্যন আৰু তাৰ বিজতৰীয়া অনুষ্ঠানবোৰৰ ফলত এই শিশুটিৰে থলুৱা সংস্কৃতিৰ পৰা বিচ্ছিন্ন হৈ পৰিছে। আমাৰ মধ্যবিত্ত সমাজত আজি যি গতিশীলতা দেখিবলৈ পোৱা গৈছে, সি পৰিয়ালৰ সদস্যসকলক ইজনৰ পৰা সিজনক আঁতৰ কৰি নিছে। এতিয়া ককা বা আইতাৰ পৰা সাধুকথা বা নীতিকথামূলক কাহিনী শুনাৰ সলনি ল'ৰা-ছোৱালীয়ে পাশ্চাত্যৰ সাংস্কৃতিক আৱৰ্জনা গোগ্ৰাসে গিলে। মাতৃভাষাত শিশুৰ আলোচনী কিছুমানৰ জন্ম হয়, কিন্তু পৃষ্ঠপোষকতাৰ অভাৱত চালুকীয়া অৱস্থাতে সেইবোৰৰ মৃত্যু হয়। অলপমান উৎসাহ পালে এনেধৰণৰ আলোচনীবোৰে কেৱল্ চেনেলৰ অনুষ্ঠানৰ ক্ষতিকাৰক প্ৰভাৱ প্ৰতিৰোধ কৰাত কিছু সহায় কৰিলেহেঁতেন।

জাকজমকীয়া কিন্তু অগভীৰ অনুষ্ঠানৰ জৰিয়তে নিষ্ক্ৰিয়, এলেহুৱা মনক আকৰ্ষণ কৰাৰ এই শক্তিৰে টেলিভিজ্যনে শিশুটিক এটা বৰ্ণাঢ্য, চহকী থলুৱা পৰম্পৰাৰ পৰা বিচ্ছিন্ন কৰে। কিন্তু টেলিভিজ্যনৰ পৰাক্ৰমৰ ইয়াতকৈয়ো বেছি সৰ্বনশীয়া দিশ এটা আছে। টেলিভিজ্যন আৰু আধুনিক জগতৰ অন্যান্য বিলাসৰ সঁজুলিবোৰে মাক-বাপেকৰে স্থান অধিকাৰ কৰি ল'ব পাৰে। যিহেতু টেলিভিজ্যনৰ এটা স্বকীয় ''জীৱন'' আছে, আৰু ই এক প্ৰকাৰে শিশুটিৰ লগত কথা কয় আৰু তাক গান শুনায়, আৰু যিহেতু মাক-বাপেকে নিজৰ কৰ্ম-জীৱনৰ হেঁচাত শিশুটিৰ বাবে বেছি সময় ব্যয় কৰিব নোৱাৰে, সেয়ে টেলিভিজ্যন পিতৃ-মাতৃ আৰু সন্তানৰ মাজৰ এখন প্ৰাচীৰ হৈ পৰিব পাৰে। প্ৰায়ে দেখা যায় যে শিশুটি মাক-বাপেকৰ লগত অধৈৰ্য্য হৈ পৰিছে কিয়নো সি টেলিভিজ্যনৰ পৰা শিকি গৰগৰাই কোৱা বিশেষ ধৰণৰ কথন তেওঁলোকে আওৰাব পৰা নাই বা বুজিব পৰা নাই। আজিৰ সকলো পিতৃ-মাতৃয়ে যে সতি-সন্তানক ভাল শিক্ষা দিব বিচাৰে সেইটো নহয়, কিন্তু বিচাৰিলে? তেনে শিক্ষাদানৰ পথত টেলিভিজ্যন এক বিশাল প্ৰতিবন্ধক হৈ পৰিব পাৰে।

এইবোৰ আশংকা কিছুমান পাঠকৰ বাবে সুদূৰ পৰাহত যেন লাগিব পাৰে,



গতিকে আত্মসমৰ্থনৰ বাবে মই সাহিত্যৰ জগতৰ পৰা এটা উদাহৰণ দিব খুজিছো। ৰে ব্ৰেডবেৰীৰ "The Veldt" নামৰ গল্পটোত সকলো ধৰণৰ অত্যাধুনিক সা-সুবিধাৰে সুসজ্জিত আৰু সুশোভিত এটা বাসগৃহ দেখিবলৈ পাওঁ, য'ত হেডলী নামৰ এটা পৰিয়ালে জীৱনটো সপ্তম স্বৰ্গত অতিবাহিত কৰাৰ দৰে দিন কটায়। কিন্তু ''হেপী হ'ম'' (সুখৰ নিলয়) নামটো যে এটা প্ৰহসন সেয়া আমি সোনকালে প্ৰত্যক্ষ কৰোঁ। মাক-বাপেক জৰ্জ আৰু লিভিয়া হেডলীয়ে কুটা এগছো দুগছ কৰিব নালাগে, বা ল'ৰা-ছোৱালী দুটাক আপদাল কৰিব নালাগে, কিয়নো ঘৰটোৱেই সকলো কৰি দিয়ে। জীৱনৰ অতি সাধাৰণ, মৌলিক কামবোৰ এনেদৰে ঘৰটোৰ যন্ত্ৰবোৰৰ হাতত সমৰ্পণ কৰি এই হাল পিতৃ-মাতৃয়ে নিজৰ কবৰ নিজে খন্দাৰ দৰে হয়। তেওঁলোকে নৈতিকভাৱে আৰু শাৰীৰিকভাৱে নিশকতীয়া হৈ পৰে, আৰু কোনো ধৰণৰ দুৰ্যোগৰ সন্মুখীন হ'বলৈ সমূলি প্ৰস্তুত নাথাকে। এই ঘৰটোতে The Nursery বুলি এটা কোঠাও আছে। নানান ধৰণৰ অৱসৰ-বিনোদনৰ পুতলা আৰু সাজ-সৰঞ্জামেৰে ভৰ্ত্তি হৈ থকাৰ ফলত কোঠাটোৱে ওৱেন্দী আৰু পিটাৰ নামৰ ল'ৰা-ছোৱালীকেইটাৰ পিতৃ-মাতৃৰ ভূমিকাই পালন কৰে।

নামকেইটা মন কৰিলে নে? পিটাৰ পেনৰ ৰূপকথাৰ প্ৰধান চৰিত্ৰ দুটা, ওৱেন্দী আৰু পিটাৰৰ নাম ব্যৱহাৰ কৰি এই গল্পটোৰ লেখকে ডাঙৰ হোৱাৰ বিষয়ে বেছ জটিল এক কাহিনী ৰচনা কৰিছে (মনত ৰাখিব লাগে যে পিটাৰ পেনৰ সাধুত সদায় সৰু হৈ থকাৰ বাসনা বা স্বপ্ন ৰূপায়িত হৈছে)। সভ্যতাৰ ভেটি যে এতিয়াও সুদৃঢ় হোৱা নাই সেইটো লেখকে প্ৰতিপন্ন কৰিবলৈ বিচাৰিছে হেডলীহঁতক এনে কিছুমান বস্তুৰ ওপৰত নিৰ্ভৰশীল যেন দেখুৱাই, যিবোৰক বহুতে ভুলকৈ অগ্ৰগতিৰ বাবে অপৰিহাৰ্য্য বুলি ধাৰ্য্য কৰিব পাৰে। গল্পটোৰ এটা মুহূৰ্ত্তত পিটাৰে কয় যে, সি মাথোন চাব, শুনিব, আৰু শুঙিব বিচাৰিছে। অৰ্থাৎ Nursery বোলা কোঠাটোৱে এখন সম্পূৰ্ণ ভেল্টৰ (Veldt-দক্ষিণ আফ্ৰিকাৰ তৃণভূমি) লগতে সৃষ্টি কৰা কিছুমান জন্তু জানোৱাৰৰ আচাৰ-ব্যৱহাৰ সি অনুকৰণ কৰিবলৈ বিচাৰে। ইপিনে মাক-বাপেকেও স্বীকাৰ কৰে যে তেওঁলোক কেঁচুৱাৰ দৰে হৈ পৰিব ধৰিছে।

মাক-বাপেক আৰু ল'ৰা-ছোৱালী গোটেইমখাৰে অৱনতি হ'বলৈ ধৰে, কিন্তু ল'ৰা-ছোৱালীকেইটাৰ যিখিনি চতুৰালি দেখা যায় সেইখিনি বয়সস্থ দুজনৰ নাই। ল'ৰা-ছোৱালী দুটাই যে Nursery-ত বৰ বেছি সময় কটায় সেই কথা শেষৰ পিনে উপলব্ধি কৰি মাক-বাপেকে তেওঁলোকৰ কৰ্তৃত্ব জাহিৰ কৰিবলৈ চেষ্টা কৰে কিন্তু ইতিমধ্যেই বৰ বেছি দেৰি হৈ যায়। Nursery টো শেষবাৰৰ বাবে খুলিবলৈ পিটাৰ আৰু ওৱেন্দীয়ে মাক-বাপেকক পতিয়ন নিয়াই, শেষত তেওঁলোকক তাত কাৰাৰুদ্ধ কৰি পেলায়। ভেল্ট খনৰ সিংহবোৰো অৱশেষত ''জীৱন্ত'' হৈ উঠে আৰু

জৰ্জ আৰু লিবিয়াক হত্যা কৰি ভক্ষণ কৰে।

এই বিজ্ঞান-ভিত্তিক কাহিনী আৰু মোৰ বিষয়-বস্তুৰ মাজৰ সম্পৰ্ক ক্ষীণ নহয়। এই আখ্যানৰ Nursery টো হ'ল আমোদ-প্ৰমোদৰ যোগান ধৰি মানুহৰ নৈতিক অৱক্ষয় ঘটোৱা সকলো ধৰণৰ চমৎকাৰী সৰঞ্জামৰ (টেলিভিজ্যন প্ৰথমতে আৱিষ্কাৰ হওঁতে সকলোকে নিশ্চয় চমৎকৃত কৰিছিল) প্ৰতীক। মাতৃ-পিতৃয়ে নিজৰ ল'ৰা-ছোৱালীক কিছুমান ম'নোৰঞ্জক আৰু উপকৰুৱা সা-সুবিধা যোগানধাৰী যন্ত্ৰৰ সান্নিধ্যত এৰি দিয়াৰ যি ভয়াবহ পৰিণতি হ'ব পাৰে এই সমগ্ৰ কাহিনীটোৱে তাৰে সাৱধান বাণী শুনাইছে।

বিখ্যাত ফৰাচী সমালোচক আৰু দাৰ্শনিক ৰলাঁ বাৰ্থছে এবাৰ এইবুলি কৈছিল ঃ ''আজিৰ তথাকথিত উন্নয়নশীল সমাজৰ বিশেষত্ব হ'ল ইয়াৰ সদস্যসকলে আজিকালি কিছুমান প্ৰতিকৃতিহে (image) আহৰণ কৰে, অতীতত কৰাৰ দৰে কোনো ধৰণৰ বিশ্বাসক নহয়। ফলত তেওঁলোক বেছি উদাৰ আৰু কম গোড়া, কিন্তু লগতে তেওঁলোক বেছি অন্তঃসাৰশূন্যও।'' কেবল্ টেলিভিজ্যনে এই দেশৰ যুৱসমাজক উদাৰপন্থী কৰাতকৈ এনে অন্তঃসাৰশূন্য কৰি পেলোৱাৰে সম্ভাৱনা বেছি। এই প্ৰবন্ধটোৰ শিৰোনামাটো এটা উপমা, যদিও মাজনিশালৈ সঁচাকৈয়ে জাগি থকা কিছুমান ল'ৰা-ছোৱালীৰ চালচলনে ইয়াক এটা আক্ষৰিক (literal) ভিত্তিও দিছে। দুৰ্ভাগ্যবশতঃ, উপমাই প্ৰায়ে কঠোৰ বাস্তৱক প্ৰতিফলন কৰে। ল'ৰা-ছোৱালীবোৰক যদি টেলিভিজ্যনৰ হাতত দীঘলীয়া সময়ৰ বাবে এৰি দিয়া হয়, তেতিয়াহ'লে আমি সকলোৱেই মনৰ অন্তহীন মাজনিশাৰ কয়েদী হ'বলৈ বাধ্য হ'ব পাৰোঁ।



# স্বাধীনতাৰ আন এটা দিশ

অইনৰ স্বাধীনতা খৰ্ব নকৰাকৈ বা অইনে স্বাধীনতা অৰ্জন কৰাৰ প্ৰচেষ্টাত ব্যাঘাত নজন্মোৱাকৈ নিজৰ লক্ষ্যৰ পিনে নিজ মনে যাত্ৰা কৰাটোৱে হ'ল সাৰ্থক স্বাধীনতা।

জন ষ্টুৱাৰ্ট মিল, "On Liberty"

ব্যক্তি-স্বাধীনতাক উপযুক্ত মৰ্য্যাদা দিয়াত সক্ষম হোৱা বুলি পশ্চিমীয়া গণতন্ত্ৰসমূহে গৌৰৱ অনুভৱ কৰে। পশ্চিমৰ আটাইতকৈ পৰাক্ৰমী ৰাষ্ট্ৰ মাৰ্কিন যুক্তৰাষ্ট্ৰই স্বাধীনতাৰ কথাটো সংবিধানত সন্নিবিষ্ট কৰিয়েই সন্তুষ্ট হোৱা নাই, সামাজিক আৰু ৰাজনৈতিক পৰিপ্ৰেক্ষিতত এই দেশে অহৰহ স্বাধীনতাৰ ভাষণ দিয়ে। স্বাধীনতাৰ নামতে যুক্তৰাষ্ট্ৰই সাম্যবাদী দেশৰ পৰা উদ্ভৱ হ'ব পৰা সম্ভাব্য বিপদৰ কথা চিন্তি পৃথিৱীৰ চুকে-কোণে সাম্যবাদৰ বিৰুদ্ধে অভিযান চলাই আহিছে।

পূৰ্বানুমেয়ভাৱে, ইউৰোপত সাম্যবাদৰ পতন মানৱজাতিৰ বিজয় বুলি ঘোষণা কৰা হৈছে। যুক্তৰাষ্ট্ৰত কিন্তু বিজয় উল্লাস কিছু সীমিত হৈছে। ইয়াৰ এটা কাৰণ হ'ল— এই দেশৰ অধিবাসীসকলে কিছু অস্বস্তিৰে উপলব্ধি কৰিছে যে তেওঁলোকৰ চৰকাৰে এতিয়া দেউলীয়া, প্ৰায় ভিকহুৱ লেখীয়া এই প্ৰাক্তন সাম্যবাদী দেশবোৰলৈ শকত পৰিমাণৰ বৰঙণি আগবঢ়াব লাগিব। যুক্তৰাষ্ট্ৰৰ নাগৰিকে সাধাৰণতে কৰ ফাঁকি নিদিয়ে, কিন্তু সেই কৰৰ টকা ক'লৈ যায় তাক শেনচকুৰে নিৰীক্ষণ কৰে। তেওঁলোকৰ কৰৰ টকাৰে কিছুমান পুৰণি শত্ৰুৰ দেশত স্বাধীনতাৰ বিমূৰ্ত ধাৰণাটো স্থাপন কৰাৰ বাহিৰে অইন কোনো বৈষয়িক লাভৰ টোপোলা কঢ়িয়াই ননা কথাটোৱে তেওঁলোকক সন্তুষ্ট কৰিব পৰা নাই।

যুক্তৰাষ্ট্ৰত কিছুমান লোক সাম্যবাদৰ পৰাজয়ত উল্লাসত উন্মত্ত হৈ পৰা নাই, কিয়নো এটা মুকলি মন লৈ তেওঁলোকে দেখিছে যে তেওঁলোকৰ নিজৰ দেশতে স্বাধীনতাৰ বিষয়টো নতুনকৈ পৰীক্ষা-নীৰিক্ষা কৰিবলগীয়া হৈছে। ১৯৯১ চনৰ নৱ বৰ্ষৰ দিনা মই চিকাগোত আছিলো। বতৰ আছিল ফৰকাল আৰু শান্ত, মাটিত ক'তো বৰফৰ চিন-চাবেই নাছিল। মহানগৰীখনত এটা উৎসৱমুখৰ বছৰৰ যৱনিকা পৰিছিল মাথোন— এই বছৰটোতে নগৰবাসীসকলে জাতীয় বাস্কেটবল প্ৰতি-যোগিতাত বিজয় লাভ কৰা 'চিকাগো বুল' নামৰ দলটোৰ বীৰসকলক আৰু পশ্চিম

এচিয়াক ''স্বাধীনতা'' পুৰস্কাৰ দি অহা যোদ্ধাসকলক আদৰণি জনাবলৈ পাইছিল।
মই চহৰৰ সকলোতে হৰ্ষোল্লাস লক্ষ্য কৰিছিলোঁ। পিছে এই বিজয়ৰ হৰ্ষোল্লাসে
চিকাগোৰ ইতিহাসৰ এক নিদাৰুণ স্বাধীনতা লংঘনৰ কাহিনী প্ৰায় লুকাই
পেলাইছিল। মই যি স্বাধীনতাৰ কথা কৈছো সেইটো হ'ল জীয়াই থকাৰ স্বাধীনতা।
এই বছৰটোতে চিকাগোত ৯০০ টা হত্যাকাণ্ড সংঘটিত হৈছে— এটা নতুন
অভিলেখ। কিন্তু অকল চিকাগোৰে উদাহৰণ দিয়াটো অন্যায় হ'ব। দেশখনৰ বাৰখন
নগৰীত এনে নতুন ''অভিলেখ'' সৃষ্টি হৈছিল। ৱাশ্বিংটন বহুত দিন ধৰিয়েই এখন
অদ্বিতীয় হিংসাপুৰী বুলি চিহ্নিত হৈ আহিছে। National Public Radio-ৰ
১৯৯১ চনৰ ১২ জানুৱাৰীৰ অনুষ্ঠান এটাৰ পৰা জানিব পৰা গ'ল যে যোৱা ৫
বছৰত গুলীয়াগুলিৰ ফলত হোৱা আহতৰ সংখ্যা ২৫ শতাংশ বৃদ্ধি পাইছে আৰু
মেৰুদণ্ডৰ স্থায়ী হানিৰ প্ৰধান কাৰণ গাড়ী দুৰ্ঘটনাৰ সলনি গুলীৰ আঘাত হৈ পৰিছে।

বিভিন্ন ভায়্যকাৰ আৰু নানাধৰণৰ সমিতিৰ সদস্যসকলে আমেৰিকাত মানুহৰ
জীৱনৰ প্ৰতি মায়া-মমতা ক্ৰমান্বয়ে হ্ৰাস পাই অহা কথাটো লক্ষ্য কৰিছে। দুৰ্বাৰ
গতিত যি দৰে হত্যাকাণ্ডৰ সংখ্যা বৃদ্ধি পাইছে ই তাৰেই ফলশ্ৰুতি। ইংলেণ্ডৰ
Jack the Ripper নামৰ খুনীজন হয়তো ইতিহাসৰ সবাতোতকৈ বিখ্যাত
হত্যাকাৰী, কিন্তু আমেৰিকাৰ বাটে-পথে এতিয়া ইমান বেছি গণহত্যাকাৰীয়ে
পিয়াপি দি ফুৰে যে গণহত্যা কৰা কথাটো যেন এটা জাতীয় বৈশিষ্ট্যত পৰিণত
হৈছে! এই বিষয়টোৱে যে আমেৰিকাৰ জনগণক এক প্ৰকাৰে সন্মোহিত কৰি
ৰাখিছে তাৰ প্ৰমাণ হ'ল এক নৃশংস গণহত্যাকাৰীৰ বিষয়ে নিৰ্মিত Friday the
13th নামৰ বোলছবিখনৰ বিপুল সাফল্য। অৱশ্যে বোলছবি নিৰ্মাতাসকলে এই
বিষয়ে ছিৰিয়াছ দৃষ্টিভংগীও অৱলম্বন কৰিছে। উদাহৰণ স্বৰূপে Henry, the
Portrait of a serial killer নামৰ মনস্তাত্বিক আৰু সামাজিক দৃষ্টিভংগীৰে পুষ্ট
বোলছবিখনৰ কথা উল্লেখ কৰিব পাৰি।

এইবোৰ ঘটনাৰ আঁতি-গুৰি উলিয়াবলৈ গ'লে আৰু কিছুমান চিন্তাদায়ক
পৰিসংখ্যাৰ মুখামুখী হ'বলগীয়া হয়। আমেৰিকাৰ অধিবাসীসকলৰ প্ৰায় ২০ শতাংশ
লোকেই কিবা নহয় কিবা মানসিক বিকাৰত ভোগে। দেখা যায় যে বহুতো গণ
হত্যাকাৰীৰ শৈশৱ অস্বাভাৱিক আৰু দুখ-যন্ত্ৰণাৰে জৰ্জৰিত আছিল। এন. কিলগ'ৰ
নামৰ লেখিকা এগৰাকীয়ে জনাইছে যে আমেৰিকাৰ ৩০% মহিলা আৰু ১০%
পুৰুষ শিশু অৱস্থাত যৌন-আক্ৰমণৰ সন্মুখীন হ'বলগীয়া হৈছিল। অবিভক্ত সুখী
পৰিয়াল বা ঘৰ এখন আমেৰিকাৰ সমাজৰ কেন্দ্ৰবিন্দু বুলি বহুতো আমেৰিকানে
এতিয়াও এক ধৰণৰ ৰোমাণ্টিক ভাব পোষণ কৰে। কিন্তু নানা অধ্যয়নৰ ফলত
দেখা গৈছে যে এই সুখৰ নিলয়ৰ চাৰিবেৰৰ মাজত বিভিন্ন ধৰণে মানৱ অধিকাৰ
খৰ্ব কৰা হয়।



US Commission on Civil Rights নামৰ সংগঠনটোৱে এই তথ্যৰ উন্মোচন কৰিছে যে কোনো নহয় কোনো মুহূৰ্তত ১০ লাখ মহিলাক তেওঁলোকৰ পতিসকলে প্ৰহাৰ কৰে। এই বিষয়ে সৰ্বসাধাৰণৰ মনোভাৱ বোধহয় তাতোকৈয়ে হতাশাজনক। When a man abuses a woman নামৰ গ্ৰন্থখনত লিদিয়া ফেলাৰে আঙুলিয়াই দিছে যে এক পঞ্চমাংশ আমেৰিকানে ভাবে যে প্ৰয়োজন হ'লে এজন পতিয়ে তেওঁৰ পত্নীক চৰ মৰাটো নিতান্তই প্ৰয়োজনীয় আৰু সমৰ্থনযোগ্য কথা। অনিতা হিলে ন্যায়াধীশ ক্লেৰেঞ্চ থমাচৰ বিৰুদ্ধে আৰু পেট্ৰিচিয়া বৌমেনে চিনেটৰ এডেৱাৰ্ড কেনেডীৰ ভতিজাক উইলিয়াম স্মিথৰ বিৰুদ্ধে দাখিল কৰা গোচৰৰ ফলত যি বিতৰ্কৰ সৃষ্টি হ'ল সিয়ো আমেৰিকাৰ অৱচেতন মনত লুকাই থকা নাৰী বিদ্বেষ পোহৰলৈ আনিলে। এই দুইগৰাকী মহিলাই অভিযোগ কৰিছিল যে পূৰ্বোক্ত পুৰুষ দুজন তেওঁলোকৰ ওচৰত যৌন-অপৰাধত অপৰাধী। বাতৰি কাকতলৈ চিঠি-পত্ৰ পঠোৱা আৰু ৰেডিঅ'-টেলিভিজ্যন ষ্টেশ্যনলৈ ফোন কৰাৰ যোগেদি আমেৰিকাৰ জনতাই একেটা কথাকে দোহাৰিলে, ''মানুহ দুজন দোষী হ'ব পাৰে, কিন্তু তিৰোতা দুজনী সাৱধান হ'ব লাগিছিল। সিহঁতেই হয়তো কিবা প্ৰকাৰে মানুহ দুজনক অপৰাধত লিপ্ত হ'বলৈ প্ৰলোভিত কৰিছিল।''

আমেৰিকাত দৰিদ্ৰৰ সংখ্যা বৃদ্ধি পাই আহিছে। ''দুখীয়াসকলক আমাৰ বিবেকৰ পৰা কেনেকৈ বহিষ্কাৰ কৰিব লাগে'' নামৰ ৰচনাখনত জন কেনেথ গেলব্ৰেইথে দাৰিদ্ৰ্য অব্যাহত থকা বাবে ৰেগানে চালু কৰা অৰ্থনীতি আৰু চাৰ্ল্চ্ মাৰেৰ দৰে এই অৰ্থনীতিৰ বৌদ্ধিক সমৰ্থকসকলক জগৰীয়া কৰিছে। "Just Another Day in Paradise" (স্বৰ্গৰাজ্যত আন দিনাৰ দৰেই এটা দিন) নামৰ অতিশয় জনপ্ৰিয় গানটোত সুগায়ক ফিল কলিন্‌ছে দাৰিদ্ৰ্য সম্পৰ্কে আঢ্যৱন্তসকলৰ নিৰ্লিপ্ততাক তীব্ৰ গৰিহণা দিছে। এই গানটোৰ "video" সংস্কৰণত আমেৰিকাৰ লক্ষ লক্ষ গৃহহীন লোকৰ বহুতকে জুপুকা মাৰি বহি থকাৰ কৰুণ দৃশ্য দেখা যায়।

কিন্তু কোনোধৰণৰ অনুনয় বা সাৱধান বাণীয়েই যেন সাধাৰণ আমেৰিকান এজনৰ অন্তৰ ভেদ কৰিব নোৱাৰে। ''যি হয় হ'বই বা হওক''— এই জীৱন-দৰ্শন সাৰোগত কৰি তেওঁ নিজৰ পথত গৈ থাকে। ''স্বাধীনতা'ৰ যাদুকৰী ধাৰণাটোৱে অৱশ্যে বেছিভাগ আমেৰিকান মনক জোকাৰণি দি যায়। কিন্তু এই বিষয়ে আমেৰিকানসকলৰ বৰ বেছি জ্ঞান থকা বা তেওঁলোকক বাস্তৱমুখী যেন নালাগে। জনগণৰ বিপুল সমৰ্থনৰ ফলত আমেৰিকা ইৰাকৰ লগত সমৰত অৱতীৰ্ণ হ'ল। কিন্তু প্ৰকৃত অৰ্থত এইখন যুদ্ধ কোৱেইতক স্বাধীন কৰিবলৈ আৰম্ভ কৰা হোৱা নাছিল,— যি কোৱেইতৰ নাম ১৯৯০ চনৰ আগষ্ট মাহৰ আগতে বেছিভাগ আমেৰিকানে শুনাই নাছিল। কোৱেইতক ''স্বাধীন'' কৰা কাৰ্য্যক অনুমোদন

দৃঢ়কৈয়ে খোদিত আছে— ডকাইত, ধৰ্ষণকাৰী বা হত্যাকাৰী এনে শ্ৰেণী বিভাজনেৰে। এইটো কিছু পৰিহাসব্যঞ্জক, কিয়নো দেশখনৰ ঝঞ্ঝা-বিক্ষুব্ধ শৈশৱকালত কৃষ্ণাংগসকলৰ দাস অৱস্থাৰ পৰিপ্ৰেক্ষিতত তেওঁলোকক এটা নিষ্ক্ৰিয়, অত্যধিক শান্ত জাতিগোষ্ঠী বুলি গণ্য কৰা হৈছিল।

পিটাৰ ল'ৱেনবাৰ্গে তেওঁৰ বৰ্ণবাদৰ মনস্তত্ত্ব'ত ক'লাসকলক সম্প্ৰদায়গতভাৱে অপৰাধী বুলি ভবাৰ এটা আকৰ্ষণীয় ব্যাখ্যা আগবঢ়াইছে ঃ "বৰ্ণবাদী অসহিষ্ণু শ্বেতাংগৰ অচেতন মনত ক'লাসকলে প্ৰতিনিধিত্ব কৰে তেওঁৰ নিজৰেই অৱদমিত প্ৰবৃত্তিবোৰক যিবোৰক তেওঁ ভয় আৰু ঘৃণা কৰে, আৰু যিবোৰ তেওঁৰ বিবেকবোধে সমাজৰ প্ৰমূল্যবোৰৰ সৈতে নিজকে খাপ খুৱাবৰ চেষ্টাৰ ফলস্বৰূপে নিষেধ কৰে। সেয়ে বৰ্ণবাদীৰ চকুত কৃষ্ণাংগ মানুহ হৈ পৰে যৌনতা, লাম্পট্য, এলাহ, অপৰিচ্ছন্নতা, আৰু অনিয়ন্ত্ৰিত হিংসাৰ মানৱ-মূৰ্ত্তি।"

কিছুমানে জোৰ দি ক'ব যে কৃষ্ণাংগসকলৰ অপৰাধ-প্ৰৱণতা মাত্ৰ এটা কল্পনাই নহয়। তেওঁলোকে পৰিসংখ্যালৈ আঙুলিয়াই দেখুৱাব যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বেছিভাগ অপৰাধেই কৃষ্ণাংগ আৰু হিস্পানিক সংখ্যালঘুৰ দ্বাৰা সংঘটিত। এনে অতি সাধাৰণীকৃত বিচাৰত যিটো প্ৰায়েই বাদ দিয়া হয় সেইটো হ'ল এই যে কৃষ্ণাংগসকলৰেই অপৰাধৰ বলি হোৱাৰ সম্ভাৱনা বেছি।

কৃষ্ণাংগ আৰু অন্যান্য দুখীয়া শ্ৰেণীৰ পৰা অহা অপৰাধীসকলৰ বিচাৰৰ প্ৰতি অধিকতৰ ক্ষমাপ্ৰৱণ হ'বলৈ কৰা আবেদনক প্ৰায়েই অপৰাধ সম্পৰ্কে আত্মঘাতী কোমলতা বুলি অভিযুক্ত কৰা হয়। কিন্তু যিসকলে কঠোৰ শাস্তিৰ পোষকতা কৰে তেওঁলোক কাৰণক অৱহেলা কৰি কেৱল ফলাফলক নিৰ্মূল কৰাৰ চেষ্টাৰ দোষত দোষী। দশক জোৰা ব্যাপক সমাজ-বৈজ্ঞানিক গৱেষণাই প্ৰমাণ কৰিছে যে অপৰাধ আৰু দাৰিদ্ৰ্যৰ মাজত এৰাব নোৱাৰা সম্পৰ্ক আছে। তথাপিও যিবিলাকে বাস্তৱ প্ৰয়োজনত আৰু মানসিক হতাশাৰ ফলত অপৰাধ কৰে তেওঁলোকলৈ কঠোৰ শাস্তি প্ৰদান কৰা হয়। বাৰম্বাৰ এইটো দেখুওৱা হৈ আহিছে যে কঠিন শাস্তিয়ে আমেৰিকাৰ যি কোনো ৰাজ্য বা চহৰৰে বিশেষকৈ চহৰৰ ভিতৰৰ অঞ্চলবোৰৰ অপৰাধৰ উৰ্ধ্বমুখী পৰিসংখ্যাত কোনো হ্ৰাস ঘটোৱা নাই। এনে শাস্তিয়ে মাত্ৰ বিশ্বাস-অযোগ্য আৰু হিংস কৃষ্ণাংগ সম্পৰ্কীয় অপ-ভাৱমূৰ্ত্তিটো বেছি দৃঢ় কৰে।

কোনো কোনোৱে বিশ্বাস কৰে যে বিখ্যাত কৃষ্ণাংগ লোকসকলৰ সাফল্যৰ কাহিনীবোৰে কিছুমান কৃষ্ণাংগৰ আত্মধ্বংসী আচৰণৰ প্ৰতিষেধক হিচাপে কাম কৰিব পাৰে। কৃষ্ণাংগ মানুহৰ সফলতাৰ এক অসাধাৰণ উদাহৰণ হ'ল বিল কছবী। কছবী এতিয়া দেশৰ দ্বিতীয় স্বচ্ছলতম কৌতুক অভিনেতা। টেলিভিজ্যন চিৰিয়েল 'দি ক'ছবী শ্ব'ত তেওঁ এটা সুখী পৰিয়ালৰ এজন উচ্চ মধ্যবিত্ত কৃষ্ণাংগ ডঃ ক্লিফ



হাক্সটেবলৰ চৰিত্ৰত অভিনয় কৰিছে।

বহুতো কৃষ্ণাংগ দৰ্শকৰ বাবে 'দি ক'ছবী শ্ব' হ'ল আধা ঘণ্টাৰ এটা সস্তীয়া স্বৰ্গযাত্ৰা। শ্বেতাংগসকলৰ কাৰণে চিৰিয়েলখন হ'ল এক ধৰণৰ এটি আশ্বাসৰ বাণী যে কৃষ্ণাংগসকল এতিয়া ভালেই আছে আৰু শ্বেতাংগসকলৰ ওপৰত হিংসা-কাৰ্য্য সংঘটিত কৰিবলৈ তেওঁলোকৰ প্ৰয়োজন নাই। সমালোচকসকলে আঙুলিয়াই দিছে যে হাক্সটেবলৰ জনপ্ৰিয়তাক আমেৰিকাৰ বৰ্ণসমূহৰ মাজত বাঢ়ি অহা এটা নতুন সম্প্ৰীতিৰ প্ৰমাণ হিচাপে অভিনন্দিত কৰাটো খুবেই ভুল কথা হ'ব।

স্পাইক লীৰ দৰে এজন পৰিচালকে বুজিব পাৰে যে কৃষ্ণাংগৰ জীৱনত অভিজ্ঞতাৰ এনে ধৰণৰ চিত্ৰণে তেওঁলোকৰ সমস্যাবোৰ গুৰুত্বহীন কৰিহে পেলাব। তেওঁৰ ছবিসমূহ "Doing the Right Thing", "Jungle Fever" আৰু এতিয়া "মেলকম্ এক্স-এ" ("Malcolm-X") ইটো বৰ্ণৰ লগত সিটো বৰ্ণৰ সম্পৰ্কৰ বিষয়েই আলোচনা কৰিছে, কিন্তু বহু বেছি উত্তপ্ত ধৰণে। এক হিচাপে, লীৰ দৃষ্টিকোণক ৰাল্‌ফ্ এলিছনৰ মহৎ কৃতিৰ মাজত বিচাৰি পাব পাৰি, যাৰ "The Invisible Man" ("অদৃশ্য মানুহ")-এ ১৯৬৫ চনত আমেৰিকাৰ বিবেক স্পৰ্শ কৰিবলৈ সক্ষম হৈছিল। যেনেকৈ এলিছনে অদৃশ্যতাৰ এটা ৰূপকৰ মাজেৰে কৃষ্ণাংগৰ ওপৰত চলি থকা নিপীড়নৰ ওপৰত আলোকপাত কৰিছিল, তেনেকৈ লীয়েও সামূহিক শ্বেতাংগ বিবেকত অনুপ্ৰৱেশ কৰিছে ছাঁৰ অন্তৰালত বাস কৰাই ভাগ্য হৈ পৰা এচাম মানুহৰ যাতনা আৰু ক্ৰোধৰ চিত্ৰণেৰে।

তেওঁৰ এই সাম্প্ৰতিক কৰ্মত পৰিচালকে পুনৰুজ্জীৱিত কৰিবলৈ বাছি লৈছে ঘাতকৰ হাতত নিহত জংগী কৃষ্ণাংগ নেতা মেলকম্ এক্সৰ কিংবদন্তীক। মেলকমে তেওঁৰ উপাধিটো বৰ্জন কৰিছিল, কিয়নো ই আছিল তেওঁৰ পূৰ্ব পুৰুষৰ শ্বেতাংগ মালিকৰ উপাধিহে। 'এক্স'এ বুজায় তেওঁৰ অজানা আফ্ৰিকীয় পূৰ্ব পুৰুষৰ উপাধি। ই বুজাইছিল কৃষ্ণাংগ অস্তিত্বৰ শূন্যতাক আৰু ইয়াক কৃষ্ণাংগ অধিকাৰ আৰু মৰ্যাদাৰ হকে এক বিক্ষুব্ধ প্ৰচাৰ বুলি গণ্য কৰা হৈ আহিছে। মেলকমৰ কিংবদন্তী প্ৰধানকৈ এই বাক্যশাৰীক আগুৰিয়ে নিৰ্মিত হৈছে, যিয়ে প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি শ্বেতাংগসকলৰ মনত ত্ৰাসৰ উদ্ৰেক কৰি আহিছে আৰু কৃষ্ণাংগসকলক অনুপ্ৰাণিত কৰি আহিছে "ক্ষমতাই মিচিকিয়া হাঁহি, ভাবুকি বা কোনো ধৰণৰ অহিংস কাৰ্য্যতো পিছুৱাই নাযায়। ক্ষমতাৰ ধৰ্ম্মই এনেকুৱা যে ই একমাত্ৰ ক্ষমতাৰ বাহিৰে আন একো শক্তিক গ্ৰাহ্য নকৰে।"

লী আৰু তেওঁৰ দৰে আন বহুতেই বিশ্বাস কৰে যে কৃষ্ণাংগ সম্প্ৰদায়ৰ ক্ষমতা আৰু সন্মানৰ সন্ধান কেৱল এক ধৰণৰ গঠনমূলক ক্ৰোধৰ অনুশীলনেৰেহে সফল কাম হ'ব। পিছে এইটো বৰ পৰিতাপৰ বিষয় যে শ্বেতাংগ সংখ্যাগুৰু সমাজৰ

মনোযোগ আকৰ্ষণ কৰিবলৈ কৃষ্ণাংগসকলে ক্ৰোধৰ বেছি ধ্বংসাত্মক বহিঃপ্ৰকাশতহে ডুবি যাব লগা হয়— লছ এঞ্জলছৰ সংঘৰ্ষত হোৱাৰ দৰে। বোধহয় সেইবাবেই এজন কৃষ্ণাংগ অংশগ্ৰহণকাৰীয়ে এটা অনাতাঁৰ কথিকাৰ আয়োজকক সংঘৰ্ষৰ পিছত কৈছিল ঃ "তোমাৰ যদি খং উঠা নাই, ডাঙৰীয়া, তেতিয়াহ'লে তোমাৰ মৰণ অৱশ্যম্ভাৱী।"

পুৰণি বৰ্ণবাদী প্ৰাচীৰবোৰ খহি পৰাৰ লগে লগে নতুন প্ৰাচীৰ কিছুমান গঢ়ি উঠাৰ এই সময়ছোৱাত দুয়োপক্ষৰে চৰমপন্থী ৰাজনৈতিক নেতাসকলে ডেভিড ডুাকৰ দৰে শ্বেতাংগ শ্ৰেষ্ঠতাবাদীৰ পৰা লুই ফাৰাখানৰ দৰে অগ্নিময়ী কৃষ্ণাংগ ব্যক্তিলৈ সাধাৰণ মানুহৰ ক্ৰোধ, সন্দেহবাদিতা, আৰু বিৰক্তিৰ আলমতে প্ৰসিদ্ধি অৰ্জন কৰিছে। আনহাতে মধ্যপন্থী ৰাজনৈতিকসকলৰ নামমাত্ৰ নিচুকণিৰ বাহিৰে সংখ্যালঘুসকলক বিশেষ একো দিবলৈ নাই। মোৰ দৃঢ় বিশ্বাস ই এক ধৰণৰ ইতিহাসৰ পৰিচিত পুনৰাবৃত্তি।



# আমেৰিকাৰ ৰেড ইণ্ডিয়ানসকল

প্ৰকৃত আমেৰিকাননো কোন, এই প্ৰশ্নৰ উত্তৰ দিবলৈ হ'লে আমি 'ৰেড ইণ্ডিয়ান' নামৰ এক প্ৰায় ধ্বংসমুখী জাতিৰ নাম ল'ব লাগিব। আমেৰিকাৰ ইতিহাসৰ প্ৰথম অধিবাসী হৈয়ো কিন্তু এই জাতিটোৱে নিজৰ আচল নামৰ বিকৃত ৰূপ সহ্য কৰিবলগীয়া হ'ল। ইয়াৰ বাবে দায়ী আছিল প্ৰখ্যাত ভ্ৰমণকাৰী আৰু আৱিষ্কাৰক ক্ৰীষ্টোফাৰ কলম্বাচ। তেওঁ যেতিয়া খ্ৰীঃপূঃ ১৪৯২ চনত আমেৰিকাৰ উপকূলত অৱতীৰ্ণ হৈছিল, তেতিয়া তেওঁৰ ভ্ৰান্ত ধাৰণা হৈছিল যে তেওঁ ভাৰতবৰ্ষ পাইছেহি। ফলত তেওঁ আমেৰিকাৰ প্ৰকৃত বাসিন্দাসকলক 'ইণ্ডিয়ান' (ভাৰতীয়) নাম দিলে। কলম্বাচৰ ভুল ধৰা পৰিল কিন্তু আমেৰিকাৰ খাটি বাসিন্দাসকলৰ নামৰ শুধৰণ নহ'ল।

মানৱজাতিৰ বুৰঞ্জীত আমেৰিকান ইণ্ডিয়ানসকলৰ দৰে অত্যাচাৰিত আৰু সকলোপিনৰ পৰা শোষিত জাতি খুব কমেই আছে। তেওঁলোকৰ কলা-সংস্কৃতি, ৰীতি ৰিৱাজ, ধন-সোণ— সকলোবোৰ কলম্বাচৰ আৱিষ্কাৰে আকৰ্ষণ কৰা বিদেশী লুণ্ঠনকাৰীৰ হাতত পৰি বিলুপ্ত হৈ গ'ল। লাহে লাহে এই বিদেশী লুণ্ঠনকাৰীসকলে নিজকে প্ৰকৃত আমেৰিকান বুলিও ঘোষণা কৰি এখন নতুন ৰাষ্ট্ৰৰ জন্ম দিবলৈ সক্ষম হ'ল। আচল অধিবাসীসকল ক'ৰবাত থাকিল। তেওঁলোকৰ ৰীতি-ৰিৱাজ ৰক্ষা কৰিবলৈ কোনো প্ৰচেষ্টা নচলিল। আজিৰ আমেৰিকাৰ ঐতিহাসিকসকলে ক্ষোভ প্ৰকাশ কৰি তেওঁলোকৰ পূৰ্বপুৰুষৰ অবিবেচকতা আৰু নিষ্ঠুৰতাক তীব্ৰভাৱে ভৰ্ৎসনা কৰিছে।

সময় অতিবাহিত হোৱাৰ লগে লগে ৰেড ইণ্ডিয়ানৰ ভাৱ-মূৰ্ত্তিৰ বহুত পৰিৱৰ্ত্তন হৈছে। জনপ্ৰিয় কিংবদন্তীয়ে ইণ্ডিয়ানৰ বিষয়ে প্ৰকৃত তথ্যবোৰ বহুতখিনি মচি পেলাইছে। আজিকালি তেওঁলোকক আমেৰিকাৰ ৰিজাৰ্ভেশ্যনসমূহত তাকৰীয়া সংখ্যাত পোৱা যায়। কিন্তু অতি সৰহকৈ তেওঁলোকক পোৱা যায় জনপ্ৰিয় 'ওৱেষ্টাৰ্ণ' উপন্যাস আৰু বোলছবিবোৰতহে। এই উপন্যাস আৰু বোলছবিসমূহত ৰেড ইণ্ডিয়ান এজনক অন্ধকাৰৰ ৰাজ্যৰ পৰা মাৰণাস্ত্ৰ হাতত লৈ চোচা মাৰি অহা বৰ্বৰ দস্যু হিচাপে দেখুওৱা হয়। সি আহি শান্তিপ্ৰিয় ছেট্‌লাৰসকলৰ ওপৰত অত্যাচাৰ চলায় আৰু তেওঁলোকৰ সা-সম্পত্তি লুট-পাট কৰে। কিন্তু ঠিক সময়তে

দিগন্তত বীৰত্বৰ প্ৰতীক আমেৰিকাৰ অশ্বাৰোহী বাহিনীৰ আৱিৰ্ভাৱ হয় আৰু তেওঁলোকে ৰক্ত পিপাসু ইণ্ডিয়ানবোৰক মৰিমুৰ কৰে বা খেদি পঠিয়ায়।

সৰ্বসাধাৰণ মানুহৰ ৰেড ইণ্ডিয়ানৰ বিষয়ে জ্ঞান অত্যন্তই সীমিত বাবে ৰেড ইণ্ডিয়ানৰ বিষয়ে ওপৰোক্ত কথাবোৰ ব্যাপকভাৱে বিশ্বাস কৰা হয়। তাৰ অৰ্থ এয়া নহয় যে ৰেড ইণ্ডিয়ানসকল কোনো সময়তে কোনো অমানৱীয় কাৰ্য্যত লিপ্ত হোৱা নাছিল। কিন্তু ৰেড ইণ্ডিয়ান জাতিটোৰ বিষয়ে অলপ খবচি মাৰি নজনাকৈয়ে ইয়াক এটা নিষ্ঠুৰ জাতি বুলি প্ৰতিপন্ন কৰা উচিত নহয়। ৰেড ইণ্ডিয়ানৰ পুৰাণ কাহিনীৰ লগত আমেৰিকাৰ প্ৰাকৃতিক সম্পদ আৰু ইয়াৰ মাটিৰ উৰ্বৰতাৰ সম্পৰ্ক আছে। ৰেড ইণ্ডিয়ানৰ ইতিহাসৰ লগত কলম্বাচৰ আৱিষ্কাৰৰ সমসাময়িক ঔপনিবেশিক শক্তিবোৰৰ— যেনে ইংলেণ্ড, ফ্ৰাঞ্চ, স্পেইন, ডাচ্— বৈদেশিক নীতি জড়িত আছে।

ৰেড ইণ্ডিয়ানসকলৰ সাহস আৰু শৌৰ্য্য প্ৰশ্নৰ অতীত। সেই কাৰণে তেতিয়াৰ বিজেতা 'কনকুইছটেডৰ' সকলে কেতিয়াও তেওঁলোকৰ লগত পোনপটীয়া সমৰত অৱতীৰ্ণ নহৈছিল। বৰঞ্চ ফ্ৰেঞ্চিছ পিজেৰো, হাৰ্মান কৰ্টেজ, আৰু বালবোৱা আদি স্পেনীয় আধা-দস্যু, আধা-সৈনিকসকলে কূটনীতি, চোৰাংচোৱাগিৰী আৰু গুপ্তঘাতকতাৰ সহায় লৈহে আমেৰিকাত ইউৰোপীয় উপনিৱেশ স্থাপন কৰিছিল। এনেকুৱা চতুৰ ৰণনীতিৰ আগৰণুৱা আছিল হাৰ্মেন কৰ্টেজ যি মেক্সিকোৰ আজটেক সম্ৰাট মন্তেজুমাক পৰাস্ত কৰিছিল।

স্পেইনে এইদৰে উপনিৱেশ পাতোঁতে ইয়াৰ সাম্ৰাজ্যবাদীপ্ৰতিদ্বন্দী ইংলেণ্ড আৰু ফ্ৰাঞ্চ হাত সাবটি বহি থকা নাছিল। ফৰাচী অধিনায়ক জে'কছ ক'টিয়া আৰু ইংৰাজ চাৰ হামফ্ৰে গিলবাৰ্টে নিজ নিজ দেশৰ পতাকা আমেৰিকাৰ দুই অংশ, ক্ৰমে নতুন ফ্ৰাঞ্চ আৰু নতুন ইংলেণ্ডত পুতিছিল।

সৈনিকৰ লগত প্ৰায়ে ব্যৱসায়ী, মিশ্যনাৰী আৰু আন আন পৰিব্ৰাজক গৈছিল। এনেকুৱা শত-সহস্ৰ লোকৰ আগমনৰ ফলত আমেৰিকান ইণ্ডিয়ানৰ পৰিচয় আৰু অস্তিত্ব সংকটাপন্ন হৈ পৰিল। এই বিপুল প্ৰব্ৰজনৰ বিৰুদ্ধে ইণ্ডিয়ান জাতিৰ অস্ত্ৰ-শস্ত্ৰ বা কূটনীতিৰ কোনো ৰক্ষা কবচ নাছিল। তাৰোপৰি, ঔপনিৱেশিক শক্তিসমূহে তুলনামূলকভাৱে সৰল ইণ্ডিয়ানবিলাকক নিজৰ মাজৰ ক্ষমতাৰ কন্দলত খটুৱাইছিল। ফৰাচী বিলাকে আলগ'ন কুইন ইণ্ডিয়ানৰ লগত বন্ধুত্ব পতা বাবে ইংৰাজবিলাকে আলগ'ন কুইনৰ শত্ৰু ইৰ'কুইছৰ লগত সম্পৰ্ক গঢ়ে। এই দলীয় শক্তিবোৰৰ মাজৰ প্ৰতিদ্বন্দ্বিতাই মহাদেশখনত ফ্ৰেঞ্চ-ইণ্ডিয়ান যুদ্ধ (The French Indian wars) নোহোৱালৈকে অশান্তিৰ যুদ্ধ জ্বলাই ৰাখে।



১৭৭৬ চনত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ স্বাধীনতা ঘোষণা কৰা হয় আৰু এই নৱজাত দেশে ইংলেণ্ডৰ ৰাজসিংহাসনৰ প্ৰতি আনুগত্য সম্পূৰ্ণভাৱে অস্বীকাৰ কৰে। সি যি কি নহওক, ৰেড ইণ্ডিয়ানৰ লগত সম্পৰ্ক ভাল কৰাৰ আন্তৰিক প্ৰয়াস স্বাধীন আমেৰিকানসকলৰ মাজতো বৰকৈ দেখা নগ'ল। অৱশ্যে ১৯ শতিকাত চৰকাৰ আৰু বিভিন্ন ইণ্ডিয়ান ফৈদৰ মাজত স্বাক্ষৰিত হোৱা বহুতো চুক্তিৰ দৃষ্টান্ত আছে। দুৰ্ভাগ্যক্ৰমে প্ৰায়ে এই চুক্তিবোৰ ভংগ কৰা হৈছিল। বেছিভাগেই, শ্বেতাংগ আমেৰিকানসকল এনেকুৱা চুক্তি ভংগ কৰা কাৰ্য্যৰ বাবে দায়ী আছিল। হয় কোনো এজন অবাধ্য আৰু বিদ্ৰোহী মনোবৃত্তিৰ সেনানায়কে চুক্তিৰ অৱমাননা কৰিছিল, নহ'লে চৰকাৰে নিজেই কৌশলেৰে উপৰুৱাভাৱে চুক্তি ৰক্ষা কৰিও, ৰেড ইণ্ডিয়ানসকলক তেওঁলোকৰ প্ৰাপ্যৰ পৰা বঞ্চিত কৰিছিল।

আমেৰিকাৰ গৃহযুদ্ধ নোহোৱালৈকে চুক্তি-ব্যৱস্থাটোৰ প্ৰধান উদ্দেশ্য আছিল ৰেড ইণ্ডিয়ান ফৈদবোৰক পশ্চিম দিশলৈ ঠেলি নি নি এটা ৰিজাৰ্ভেশ্যনত গোট খুওৱা। এনেধৰণৰ ৰিজাৰ্ভেশ্যনক এখন ৰাজ্যৰ সন্মান আৰু ক্ষমতা দিয়াৰ প্ৰশ্ন নুঠিছিল— এইবিলাকৰ নামকৰণ কৰা হৈছিল 'ইণ্ডিয়ান টেৰিটৰী' বুলি। ৰেড ইণ্ডিয়ানবিলাকক এনেকুৱা মাটি দিয়া হৈছিল, যাৰ কোনো অৰ্থনৈতিক মূল্য নাছিল। আটাইতকৈ হৃদয় বিদাৰক উদাহৰণ হ'ল 'পাঁচটা সভ্য উপজাতি'ৰ (Five Civilized Tribes) উচ্ছেদ। চেৰ'কি, চকটও, চিকাচাও, ক্ৰীক আৰু চেমিনোল-সকলক জৰ্জিয়া আৰু টেনেছি প্ৰদেশত বিস্তীৰ্ণ ভূমি প্ৰদান কৰা হৈছিল। তাত এই শান্তিপ্ৰিয় ৰেড ইণ্ডিয়ানসকলে এক স্বকীয় সাংস্কৃতিক আৰু কৃষিভিত্তিক জীৱন আৰম্ভ কৰিছিল। কিন্তু জৰ্জিয়াত সোণ আৱিষ্কাৰৰ ফলত এই পাঁচটা ফৈদক প্ৰতাৰণা আৰু নিষ্ঠুৰতাৰ কলা মেঘে ছাটি ধৰিলে।

দুই এজন মানৱ-প্ৰেমী আৰু এজন বিবেকবান বিচাৰকৰ তীব্ৰ প্ৰতিবাদ আওকাণ কৰি চেৰ'কি আৰু ইয়াৰ মিত্ৰ ফৈদবোৰক জৰ্জিয়াৰ পৰা উচ্ছেদ কৰিওকলাহোমালৈ আঁতৰাই নিয়া হ'ল। যি পথেৰে এই ফৈদবোৰক লৈ যোৱা হৈছিল, তাক চেৰ'কিসকলে 'চকুপানীৰ পথ' নাম দিলে। চেৰ'কিসকলৰ শতকৰা পঁচিশ ভাগ মানুহ ক্ষুধা, শীত, আৰু ৰোগৰ ফলত মৰিল। তেওঁলোকৰ দলীয় প্ৰধান চেকুয়ৰাই ইমান গভীৰ শোক পালে যে তেওঁ নীৰবে মেক্সিকোৰ মৰুভূমিলৈ বুলি খোজ ল'লে আৰু সম্পূৰ্ণভাৱে নিৰুদ্দেশ হৈ গ'ল। সকলো ৰেড ইণ্ডিয়ানৰ ভিতৰত এই চেৰ'কি মুখীয়ালজনক আটাইতকৈ প্ৰখৰ বুদ্ধি-সম্পন্ন বুলি আজিও স্বীকাৰ কৰা হয়।

আটাইবোৰ ইণ্ডিয়ান ফৈদে অৱশ্যে শ্বেতাংগসকলৰ অন্যায় আৰু অত্যাচাৰ চেৰ'কিসকলৰ দৰে নীৰৱে মানি লোৱা নাছিল। ৰেড ইণ্ডিয়ানৰ তম্বুবোৰত অসংখ্য বিপ্লৱী আৰু উগ্ৰপন্থী আছিল। তাৰে বহুতো আশাবাদীয়ে শ্বেতাংগ আমেৰিকা-

# অধ্যাপক ডেল ক্ৰেমাৰ

একেধাৰে যাক সন্মান কৰিব আৰু ভাল পাব পাৰি তেনে অনন্য সাধাৰণ ব্যক্তিৰ সংস্পৰ্শলৈ আহিব পৰাটো এক বিৰল সৌভাগ্যৰ কথা। আমেৰিকাৰ ইলিনয় বিশ্ববিদ্যালয়ত পঢ়ি থাকোতে মই তেনে এক ব্যক্তিৰ ঘনিষ্ঠ সান্নিধ্য লাভ কৰিছিলো। অধ্যাপক ডেল ক্ৰেমাৰ নামৰ এই বিশিষ্ট শিক্ষাবিদজন তাত মোৰ ইংৰাজী সাহিত্যৰ গৱেষণাৰ গাইড আছিল। তাত শিক্ষা সমাপ্ত কৰি উভটি অহাৰ পিছত মই তেওঁলৈ চিঠি এখন লিখি জনাইছিলো যে জীৱনত য'তে চাকৰি নকৰো কিয় সদায় তেওঁক অনুকৰণ কৰি চলিবলৈ চেষ্টা কৰিম। মোৰ জীৱনত অন্তৰৰ অন্তঃস্থলীৰ পৰা কোৱা কথাবোৰৰ ভিতৰত এইষাৰো অন্যতম।

আমেৰিকাৰ উচ্চ শিক্ষাৰ সাফল্যৰ এক হিচাপে সৰল ব্যাখ্যা দিব পাৰি। তাৰে শিক্ষা জগতত শিক্ষক বা ছাত্ৰ, সকলোৰে মূৰৰ ওপৰত জবাবদিহিৰ দায়িত্ব থাকে। কামৰ গাফিলতি কৰিলে কি শিক্ষক, কি ছাত্ৰ, কি কৰ্মচাৰী, সকলোৱে চৰম মূল্য দিবলগীয়া হয়। আমেৰিকাৰ শিক্ষা জগত তাৰ সমাজৰ অন্য অংশৰ পৰা অভিন্ন নহয়, আৰু তাৰ শিক্ষা জগতৰ লোকেও পুৰস্কাৰ আৰু শাস্তি, এই দুই মেৰুৰ মাজত বিচৰণ কৰিব লাগে। তাত মই ছাত্ৰ হৈ আছিলো যদিও শিক্ষকতাও কৰিবলগীয়া হৈছিল, আৰু ফলত তাৰ শিক্ষানীতিৰ কঠোৰতা বাৰুকৈয়ে অনুভৱ কৰিছিলো। মই শিক্ষক আৰু ছাত্ৰ দুয়োৰে দৃষ্টিভংগীও হৃদয়ংগম কৰিব পাৰিছিলো। ছাত্ৰ হিচাপে মই মোৰ term paper আৰু পিছলৈ ডিছাৰটেশ্যনৰ অধ্যায়বোৰ সদায় সময় মতে জমা দিবলগীয়া হৈছিল। শিক্ষক হিচাপে ক্লাছ নিয়মীয়াভাৱে লোৱাটো বাধ্যতামূলক আছিল, আৰু ছাত্ৰ-ছাত্ৰীৰ বহীবোৰ খৰখেদাকৈ (অথচ নিৰ্ভুল বাবে) চাই ওভতাই দিব লাগিছিল। আমেৰিকাৰ শিক্ষা-ব্যৱস্থাৰ এনে বৰ্ণনাই ধাৰণা জন্মাব যে নিজস্বতা দেখুৱাবলৈ বিশেষ সুচল নাই। বৰঞ্চ বহুতৰে নিশ্চয় ভাব হ'ব য এনে এক পদ্ধতিয়ে মাথোন কিছুমান বিবেকবান আৰু কৰ্মক্ষম যন্ত্ৰ-মানৱকহে তৈয়াৰ কৰিব পাৰে। কিন্তু এটা বিশেষ সমাজ ব্যৱস্থা বা দৰ্শনৰ সৰ্বশ্ৰেষ্ঠ প্ৰতিনিধিসকলে কিবাকৈ সেই ব্যৱস্থা বা দৰ্শন অতিক্ৰম কৰাত সক্ষম হয়। মই এই কথা ক'ব খোজো যে সেই দেশৰ শিক্ষক বা ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ কৰ্তব্য পালন কৰিবলৈ তাৰ অধিদৰ্শক কৰ্তৃপক্ষই বাধ্য কৰে। কিন্তু কিছু সংখ্যক শিক্ষাবিদে চাকৰি



জীৱনৰ আগছোৱাত নিজৰ যোগ্যতা প্ৰতিপন্ন কৰাৰ পিছত কৰ্তব্যৰ ক্ষেত্ৰত কিছু পৰিমাণে শিথিলতা দেখুৱাব পাৰে। তাত সাধাৰণতে "tenure track" বা খাটাং নিযুক্তি পোৱাৰ আগলৈকে এজন শিক্ষকে চাকৰি হেৰুৱাৰ ভয় থাকে, আৰু বহুত দিনলৈ এই "tenure track" নাপায়। কেৱল পূৰাপূৰি প্ৰফেছাৰ হোৱাৰ পিছতহে তেওঁ চাকৰিৰ পৰা বৰখাস্ত হোৱাৰ ভয়ৰ পৰা সম্পূৰ্ণভাৱে মুক্ত হয়। এনে এজন প্ৰফেছাৰে নিজৰ লিখা-পঢ়াত মগ্ন হৈ থাকিব পাৰে, তেতিয়া আৰু তেওঁৰ ছাত্ৰ-ছাত্ৰীৰ অনুমোদনৰ প্ৰয়োজন নহয়।

মই কৈ অহা ডেল ক্ৰেমাৰ নামৰ শিক্ষকজন এনে এক পূৰ্ণ প্ৰফেছাৰৰ মৰ্য্যাদা লাভ কৰা ব্যক্তি আছিল। তেওঁ টমাছ হাৰ্ডীৰ ওপৰত বিশ্বৰ সৰ্বজন স্বীকৃত পণ্ডিত। Oxford World Classics মালাৰ বাবে হাৰ্ডীৰ The Woodlanders আৰু The Mayor of Casterbridge-ৰ সম্পাদনা কৰিছে। তেওঁৰ বয়স ষাঠিৰ ওচৰ চাপিছে, দেখাত ধুনীয়া, অভিজাত ব্যক্তিত্ব, মূৰত শুভ্ৰ কেশ। ইলিনয়ৰ ইংৰাজী বিভাগৰ তেওঁ এজন সম্ভ্ৰান্ত ব্যক্তি, আৰু তেওঁ কিবা কাৰণে অলপ ক্ষুণ্ণ হ'লে যি ধৰণে "I beg your pardon ?" বুলি কয়, শুনি বহুতৰে তেজ গোট মাৰে। কিন্তু তেওঁৰ হাঁহিটো অতি খোলা আৰু সৰল, সেই হাঁহিটো মাৰিলে তেওঁৰ সমস্ত মুখমণ্ডল উদ্ভাসিত হৈ পৰিছিল।

মই মোৰ ডিছাৰটেশ্যন আৰম্ভ কৰাৰ আগতে তেওঁৰ লগত (আৰু অইন কেইগৰাকীমান শিক্ষকৰ লগত) কিছুমান বিষয়ৰ ওপৰত একেলগে কাম কৰিছিলো। :term paper দিয়াৰ ক্ষেত্ৰত তেওঁ নিৰ্দ্ধাৰিত কৰি দিয়া শেষ দিনটোক লৈ ছাত্ৰৰ লগত কেতিয়াও আপোচ নকৰে। মই দিল্লী বিশ্ববিদ্যালয়ত M.Phil. কৰি থাকোতে ঠিক এনেধৰণৰ কঢ়া শিক্ষক এজন পাইছিলো। কিন্তু ডেল ক্ৰেমাৰৰ লগত দিল্লীৰ এই প্ৰফেছাৰজনৰ এটা ডাঙৰ পাৰ্থক্য আছিল। সেই শিক্ষকজনে ছাত্ৰসকলে এটা নিৰ্দ্ধাৰিত দিনৰ আগতে term paperবোৰ দিয়াটো দাবী কৰিছিল, কিন্তু নিজে সেইবোৰ চাবলৈ ৩ মাহৰ ওপৰ সময় লৈছিল, আৰু অৱশেষত কোনো মন্তব্য নিদিয়াকৈ মাথোন Grade এটা দি ওভতাই দিছিল। কিন্তু ইলিনয়ত অধ্যাপক ক্ৰেমাৰে সমান দৈৰ্ঘ্যৰে term paper দুই-তিনি দিনত ওভতাই দিছিল, কেৱল সেয়ে নহয়, লগতে তেওঁ নানা সমালোচনামূলক আৰু উৎসাহ-উদ্দীপক মন্তব্যও লিখি দিছিল।

এই তুলনামূলক উদাহৰণে হয়তো পুনৰায় এটা শিক্ষা-ব্যৱস্থাতকৈ আনটো শিক্ষা-ব্যৱস্থাৰ শ্ৰেষ্ঠতাৰ কথা দোহাৰিব। চৰকাৰৰ দ্বাৰা সুৰক্ষিত পদত অধিষ্ঠিত দিল্লীৰ শিক্ষকজনে ছাত্ৰৰ পৰা নিয়মানুবৰ্তিতা আশা কৰি নিজে কিন্তু সেই নিয়মানুবৰ্তিতা পালন কৰাৰ কোনো প্ৰয়োজন অনুভৱ নকৰিলে। আমেৰিকাৰ শিক্ষা

জগতত ছাত্ৰ-শিক্ষক কম বেছি পৰিমাণে কৰ্তৃপক্ষৰ নিয়ন্ত্ৰণত থাকিব লাগে। কিন্তু মই কৈ আহিছো যে পূৰ্ণ প্ৰফেছাৰ হোৱাৰ পিছত কিছুমানে ৰেহাই পায়। ততাতয়াকৈ term paper ওভতাই দিবলৈ, বা ইমান বিস্তৃতভাৱে মন্তব্য লিখিবলৈ ডেল ক্ৰেমাৰক ইলিনয় বিশ্ববিদ্যালয়ৰ প্ৰশাসনে বাধ্য কৰোৱা নাছিল। মই নিজেই দেখিছিলো— ক্ৰেমাৰতকৈ বহুতো "নিৰাপত্তাহীন" কনিষ্ঠ শিক্ষকে এনে ধৰণৰ নিষ্ঠা প্ৰদৰ্শন কৰা নাছিল। মই যেতিয়া তেওঁক মোৰ ডিছাৰটেশ্যনৰ অধ্যায়বোৰ দেখুৱাবলৈ ধৰিলো, তেওঁ তেতিয়া সেইবোৰ পুংখানুপুংখৰূপে বিশ্লেষণ কৰাৰ ইমান কম সময় ল'লে যে মই চমৎকৃত হৈ গৈছিলো। তেওঁৰ ঠাইত অইন এজন শিক্ষক মোৰ গাইড হ'লে মোৰ কাম সম্পূৰ্ণ কৰিবলৈ অতিৰিক্ত ৬ মাহমান সময় লাগি লহেঁতেন। তেওঁৰ সহায় আৰু নিষ্ঠা এইবাবেই উল্লেখযোগ্য যে নিজৰ ইমান ব্যস্ততাৰ মাজতো মোৰ বাবে এনেদৰে সময় ব্যয় কৰিবলৈ সততে সাজু আছিল। ইলিনয় বিশ্ববিদ্যালয়ত প্ৰফেছাৰ হোৱাৰ বাহিৰে আমেৰিকাৰ মধ্য পশ্চিম (Mid west) অঞ্চলৰ এই বৃহত্তম বিশ্ববিদ্যালয়ৰ College of Liberal Arts-অৰ তেওঁ Associate Dean-ও আছিল। মই চাৰি বছৰৰ আগতে যেতিয়া ইলিনয় বিশ্ববিদ্যালয়ৰ পৰা আৰ্থিক সাহায্য পাই পঢ়িবলৈ গ'লো, তেতিয়া প্ৰথম term paper খন দিয়াৰ লগে লগে অধ্যাপক ক্ৰেমাৰে সেইখন পঢ়ি ব্যক্তিগত চিঠি লিখি পৰম উৎসাহিত কৰিছিল। এজন অতি ব্যস্ত মানুহে প্ৰত্যেকজন ছাত্ৰকে কিমান মনোযোগ দিয়ে এই ঘটনা তাৰেই পৰিচায়ক। জীৱনত প্ৰথম impression টো শেষ impression হৈ থকাটো সৌভাগ্যৰ কথা। প্ৰফেছাৰ ক্ৰেমাৰৰ ক্ষেত্ৰত মোৰ সেইটোৱেই ঘটিছিল।

প্ৰফেছাৰ ক্ৰেমাৰে জানিছিল যে সোনকালে অধ্যয়ন শেষ কৰি দেশলৈ উভতি অহাটো মোৰ বাবে আৱশ্যকীয়। কিন্তু সেই বিষয়ে সহানুভূতিশীল হৈয়ো তাৰ বাবে তেওঁ শৈক্ষিক ক্ষেত্ৰত কোনো আপোচ কৰা নাছিল। তেওঁ মোক নিৰৱচ্ছিন্নভাৱে কামত ব্ৰতী হৈ থাকিবলৈহে অনুপ্ৰাণিত কৰিছিল, আৰু মোৰ লগে লগেই যেন তেৰোঁ মোৰ কামৰ ক্ৰমটো অনুধাৱন কৰি গৈ আছিল। তেওঁৰ উদগনিবোৰে আৰু সেই সময়ত প্ৰায়ে শুনা এই ফাকি গানে— "Take it to the limit, one more time"— অহৰহ কাণত বাজি থাকি মোৰ নিজৰ দুঃসহ কামটোত মোক আগলৈ ঠেলি লৈ গৈ আছিল।

ডেল ক্ৰেমাৰক ইলিনয় বিশ্ববিদ্যালয়ৰ আন সকলো প্ৰফেছাৰতকৈ ছাত্ৰ-ছাত্ৰীৰ মেধা আৰু ক্ষমতা, আৰু তেওঁলোকৰ নানান ধৰণৰ প্ৰয়োজনৰ বিষয়ে বেছি সজাগ যেন লাগিছিল। তেওঁ বিশ্ব সাহিত্য সমালোচনাৰ জগতত ঘটা ঘটনা প্ৰবাহৰ বিষয়েও নিজকে অৱগত কৰি ৰাখিছিল। তেওঁৰ কোঠালিত সোমালেই তেওঁৰ দৃষ্টি



সন্মুখত থকা Computer-ৰ পৰ্দাত নিবদ্ধ হৈ থকা মই দেখিছিলো। আমেৰিকা এৰাৰ কিছুদিন আগতে তেওঁৰ শৈক্ষিক উৎকৰ্ষ, সৌজন্যবোধ আৰু মৰমৰ আৰু এটা শেষ উদাহৰণ পালো। মই জানিছিলো যে তেওঁ মোৰ সংশোধিত ডিছাৰটেশ্যনখন চাবলৈ বেছি সময় নলব, কিয়নো তেওঁ জানে যে মোৰ ভাৰতলৈ ওভতাৰ টিকেট কটা হৈ গৈছে। কিন্তু সকলো কাম বাদ দি তেওঁ যে এটা দিনতে চাই দিব, তাৰ বাবে মই সমূলি প্ৰস্তুত নাছিলো। সেই ডিছাৰটেশ্যনখন চাই এদিনতে ওভতাই দিয়াত মই সঁচাকৈয়ে অভিভূত হৈ পৰিছিলো। বিভিন্ন মন্তব্যৰে পাতবোৰ ভৰাই দিয়াত এই কথা ভাবিবৰো স্থল নাথাকে যে তেওঁ সেইখন ওপৰে ওপৰে চাই দিছিল।

মই ১৯৯৩ৰ জুন মাহত আমেৰিকাৰ পৰা শেষ বিদায় লোৱাৰ আগে আগে প্ৰফেছাৰ ক্ৰেমাৰে মোক Red Herring নামৰ ৰেষ্টোৰাঁ এখনত খুৱালে। আমাৰ শেষ সাক্ষাতৰ বাবে ৰেষ্টোৰাখনৰ এই নামটো বৰ অনুপযুক্ত আছিল। প্ৰথম কথা হ'ল যে সেইখন আছিল এখন নিৰামিষ ৰেষ্টোৰাঁ, তাত Herring বা অন্য কোনো মাছ পোৱা নগৈছিল। তদুপৰি Red Herring-ৰ অৰ্থ হ'ল ঃ "মূল কাৰ্য্যৰ পৰা মনোযোগ বা নজৰ বিক্ষিপ্ত কৰিবলৈ কৰা কাৰ্য্য বা ৰখা সূত্ৰ ঃ মিথ্যা সূত্ৰ।" (জ্যোতি দ্বিভাষিক অভিধান, ডঃ প্ৰণৱজ্যোতি ডেকা)। ডঃ ক্ৰেমাৰ আৰু মই আমাৰ সম্পৰ্কটোত ইজনে সিজনৰ মনোযোগ বিক্ষিপ্ত কৰিবলৈ কোনো কাৰ্য্য কৰা নাছিলো। যি নহওক, আমি তাত ভাৰতীয় ধৰণৰ আহাৰ খালো, এনেকি তাত চিঙাৰাও দিয়া হৈছিল। ডিছাৰটেশ্যনৰ কাম সম্পূৰ্ণ হোৱাত আমাৰ কথা-বতৰা অলপ লঘু আৰু হৃদ্যতাপূৰ্ণ হৈছিল। তেওঁ ইংৰাজ জাতিৰ "শীতল স্বভাৱৰ" কথা ক'লে। আমি খেল-ধেমালিৰ কথাও পাতিলো। অৱশ্যে স্বাভাৱিকতেই ক্ৰিকেটৰ বিষয়ে বেছি আলোচনা কৰিব নোৱাৰিলো। তেওঁ ক'লে যে তেওঁ যিখন স্কুললৈ গৈছিল তাৰে দুই-তৃতীয়াংশ ছাত্ৰ-ছাত্ৰীয়েই তেওঁৰ আত্মীয় আছিল। এবাৰ তেওঁ ৰাষ্ট্ৰপতি বিল ক্লিনটনৰ সম্পৰ্কে মোৰ মতামত বিচাৰিলে। খোৱা-বোৱা হোৱাত বিদায়ৰ পৰত তেওঁ আশা প্ৰকাশ কৰিলে যে মোৰ লগত আকৌ দেখাদেখি হ'ব। পিছদিনা মোৰ মেইল বক্সত চাই দেখো যে তেওঁ নিজে লিখা Tess of D'Uberville (Landmarks of World Literature Series) কিতাপখনত এইদৰে লিখি মোক উপহাৰ দি থৈ গৈছে ঃ "For Pradipta, with best wishes, and thanks for being an inspiration for all my future graduate students." এই ডেল ক্ৰেমাৰক আকৌ লগ পাবলৈ মই উন্মুখ হৈ থাকিম।

এই প্ৰবন্ধটো লিখাৰ কিছুদিন পিছত মই ডেল ক্ৰেমাৰৰ পৰা এখন চিঠি পালোঁ। এই চিঠিখন অনুবাদ নকৰাকৈয়ে, সম্পূৰ্ণকৈ পাঠকলৈ আগবঢ়ালো।

Dear Pradipta,

I find it hard to believe it's been more than a year since you wrote ! In my old age I've become even less efficient. I apologize for that, but I've had your letter on my desk, for quick reply, and I guess it was always being covered up by flow of paper that characterizes my life.

I'm delighted to hear that you have found home to be "home"; and in due course I look forward to hearing how your work is going.

Here, things are going on much as they were when you were here. The weather has just begun to turn a bit cool, but still in the 70s and 80s. I understand that snow has come to my home state of South Dakota, but so far nothing quite so dramatic here!

I am continuing my work as Associate Dean, but am looking forward to coming back to the English department full time. Being an administrator has its pleasures— and I encourage you to try if you ever have the chance— but I don't think I'd have liked it as a career choice. Too much of the work is lost in committee, and too many drafts of position papers never go anywhere because the situation that required them to be created (as drafts, or motions toward a position) changes and the positions no longer need to be stated. In teaching and scholarship, on the contrary, everything has a purpose, and moreover everything is directed by one person (me). You would be amazed at how pleased I feel to leave my neat administrative office to return to my jumbled, chaotic English department office (you may recall the clutter, and the difficulty of finding a chair to sit on) and begin to work on things that <u>when they're done, they're done.</u>

*The lovely gifts you left with me have served me well : the appointment book has kept me (better) organized, and the carving sits on my bookshelf in an honored place, next to a watercolor by my daughter and a picture of the Oregon coast. Given my clutter, it is of course cheek-by-jowl with*



books on George Eliot, tragedy, and Victorian poetry; but it looks comfortable there and keeps all the disparate items in control.

Do let me know how things are going. You completed your work here with such effficiency that I'm sure you are doing excellently, and enjoying both the work and life as well.

With warm regards,

Dale Kramer

# জেফ কামিনস্কিৰ লগত ছমাহ

শিক্ষক আৰু ছাত্ৰৰ মাজত থকা সম্পৰ্ক পৃথিৱীৰ সকলো ঠাইতে একে নহয়। প্ৰাচ্যৰ দেশসমূহত প্ৰাচীন গুৰু-শিষ্যৰ পৰম্পৰাৰ কিছুমান দিশ এতিয়াও অক্ষুণ্ণ আছে। গুৰুক ভগৱান-সদৃশ লোক হিচাপে মানি লবলগীয়া হোৱাৰ ফলত ছাত্ৰই তেওঁৰ ওচৰত সংকোচ অনুভৱ কৰে। এনে ধৰণৰ সংকোচ ছাত্ৰই পুৰণি কালত অনুভৱ কৰিবলগীয়া হোৱা নাছিল, কিয়নো তেওঁলোকে গুৰুৰ গৃহত বসবাস কৰি গুৰু আৰু তেওঁৰ পৰিয়ালবৰ্গৰ নিকট সান্নিধ্যত দিন কটাইছিল। প্ৰাচ্যৰ দেশত, বিশেষকৈ ভাৰতবৰ্ষত, এই পুৰণি পৰম্পৰাৰ কিয়দংশহে অটুট থকাৰ ফলত গুৰু আৰু শিষ্যৰ মাজত যথেষ্ট মানসিক ব্যৱধান ৰৈ গৈছে।

পাশ্চাত্যৰ কথাটো সুকীয়া। তাত শিক্ষক আৰু ছাত্ৰৰ মাজৰ সম্পৰ্কটো পেছাদাৰী। তাৰ মাজতে এই সম্পৰ্ক কেতিয়াবা বন্ধুৰ পৰ্য্যায় পায়গৈ; ছাত্ৰই তেতিয়া শিক্ষকক নাম ধৰি মাতে, আৰু একেলগে বহি কফি, মদ, চিগাৰেট সকলো খায়। পাশ্চাত্যৰ দেশৰ শিক্ষা-পদ্ধতিত শিক্ষকক যথেষ্ট ক্ষমতা দিয়া হয়, যাতে তেওঁ সেই ক্ষমতাৰ সদ্ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ কেৰিয়াৰ সুদৃঢ় ভেটিত স্থাপন কৰাত সহায় কৰিব পাৰে। উদাহৰণ স্বৰূপে আমেৰিকাৰ বিশ্ববিদ্যালয়ত পঢ়াওঁতে মই মোৰ ২৫-৩০ জনমান ছাত্ৰ-ছাত্ৰীৰ বাবে পাঠ্যক্ৰম নিৰ্বাচন কৰিছিলো, ক্লাছত চলিব লগীয়া নিয়ম-কানুনবোৰ প্ৰৱৰ্তন কৰিছিলো (কেইটা ক্লাছ ক্ষতি কৰিলে গ্ৰেড কমিব ইত্যাদি), প্ৰশ্নবোৰ যুগুতাইছিলো আৰু পৰীক্ষাত নম্বৰ দিছিলো। কৰ্তৃপক্ষৰ কোনো ধৰণৰ হেতো-ওপৰা নাছিল। আমাৰ দেশত শিক্ষকে আপত্তি কৰে যে তেওঁলোকে পঢ়োৱা বিষয়-বস্তু আৰু পৰীক্ষাৰ প্ৰশ্নৰ শেহতীয়া ৰূপৰ মাজত কোনো সংহতি নাথাকে। তেওঁ ছাত্ৰ-ছাত্ৰীক পঢ়ালেও এক অদৃশ্য শক্তিয়েহে যেন সিহঁতৰ ভাগ্য নিয়ন্ত্ৰণ কৰে। ফলত প্ৰাচীন পৰম্পৰা অনুসৰি ছাত্ৰই যদিও সময়ে সময়ে সম্ভ্ৰমসূচক ব্যৱহাৰ প্ৰদৰ্শন কৰে, শিক্ষকক কিন্তু জীৱনৰ এটা প্ৰভাৱশালী শক্তি বুলি গণ্য কৰাৰ কোনো প্ৰয়োজন অনুভৱ নকৰে। আমেৰিকাত



শিক্ষক এগৰাকী তেওঁৰ ক্লাছটোৰ ছাত্ৰ-ছাত্ৰীবোৰৰ একপ্ৰকাৰ হৰ্তা-কৰ্তা বিধাতা হোৱা বাবে এই প্ৰত্যাশা কৰিব পাৰি যে ছাত্ৰ-ছাত্ৰীয়ে তেওঁক তোষামোদ কৰিবৰ চেষ্টা কৰিব। মই নিজেও এনে তোষামোদৰ সন্মুখীন হৈছিলো, কিন্তু ইয়াকো দেখিছিলো যে বহুত স্বাধীনচেতা ছাত্ৰই শিক্ষকক কেৱল ভালৰিয়ে নোবোলাই কিছুমান আহুকলীয়া প্ৰশ্ন (অৱশ্যেই পাঠ্যক্ৰমৰ লগত সম্পৰ্ক থকা) সুধি বিপৰ্য্যস্ত কৰিবলৈ চেষ্টা কৰিছিল। তেনে এজন ছাত্ৰ আছিল জেফ কামিনস্কি।

সেই ক্লাছটো যি চেমেষ্টাৰত লৈছিলো সেয়া নিয়মমতে মোৰ আমেৰিকাৰ শেষ চেমেষ্টাৰ হোৱাৰ কথা। তেতিয়া ভাৰবৰ্ষলৈ উভতি অহাৰ দিন চমু চাপি আহিছে, নিজৰ কামৰ হেঁচাত মই জুৰুলা হৈ আছো, ইফালে ডিছাৰটেশ্যনখন সময়মতে শেষ হ'বনে নহয় সেই বিষয়ে শংকা ঘনীভূত হ'ব ধৰিছে। সেইসময়ত এজন আদৰ্শ শিক্ষকৰ ভূমিকা পালন কৰাটো যে কিছু কষ্টসাধ্য হৈ উঠিছিল, সেই কথা অকপটভাৱে স্বীকাৰ কৰিছো। তথাপিও সেই শিক্ষা-ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীক একেবাৰে প্ৰতাৰণা কৰা অসম্ভৱ। প্ৰথমদিনা ভালে-বেয়াই নতুন ছাত্ৰ-ছাত্ৰীৰ সন্মুখত কিবা-কিবি বলকিলো। মাজে মাজে মোৰ দৃষ্টি নিবদ্ধ হৈছিল এজন যুৱকৰ ওপৰত, যাৰ সুদৰ্শন মুখমণ্ডলত শ্লেষৰ অভিব্যক্তি ফুটি উঠিছিল। কিছু সময় কথা কোৱাৰ পিছত দীঘলীয়া উশাহ এটা ল'বলৈ এখন্তেক ৰওঁতে সেই যুৱকজনে প্ৰশ্নবাণ হানিলে— "এই সকলোবোৰ কথাৰ অৰ্থ কি? ইয়াৰ পৰা আমি কিদৰে উপকৃত হম?" অলপ আগতে লিখিছোৱেই যে মই যথেষ্ট উদ্বিগ্নতাত ভুগি আছিলো নিজৰ কাম-কাজৰ বাবে। ছাত্ৰৰ সেই "ধৃষ্টতা" মোৰ সহ্য নহ'ল আৰু প্ৰায় ভেকাহি মাৰি উঠিলো— "কোৱাৰ একো অৰ্থ নাই। ক'ব লাগে কৈছো।" শ্ৰেণীটো কাঁহ পৰি জীণ যোৱাৰ দৰে হ'ল। সেইদিনা ক্লাছটো কিবাকৈ শেষ কৰিলো। ঘৰলৈ অহাৰ পিছত মনটো এক দোষী ভাৱে আচ্ছন্ন কৰি ৰাখিলে। তাৰ ছাত্ৰ-ছাত্ৰী স্বাধীন মনৰ হ'লে কি হ'ব, শিক্ষকক খুব বেছি কষ্ট দিয়াটোও বিপদজনক, কিয়নো সেই শিক্ষকে টান প্ৰশ্ন দি বা পৰীক্ষাত কম নম্বৰ দি জীৱনৰ মোৰ বদলাই দিব পাৰে। জেফ কামিনস্কিক নিৰ্বাক কৰি দি মোৰ সেই ক্ষমতাৰ অপব্যৱহাৰ কৰা যেন লাগিল। অথচ কামিনস্কিৰ দৰে ছাত্ৰৰ মোক প্ৰশ্ন কৰাৰ পূৰ্ণ অধিকাৰ আছে। তেওঁলোকে দিয়া অতি শকত পৰিমাণৰ মাচুলৰ এটা বুজন অংশ ব্যয় হয় আমাৰ দৰে Teaching assistant আৰু প্ৰফেছাৰসকলক দৰমহা দিওঁতে। যি নহওক, ভাল শিক্ষক হোৱাৰ সংকল্পত যিটো ফাট মেলিছিল, এই ঘটনাই তাত আকৌ গাঁথনি দিয়াত সহায় কৰিলে।

দুদিনমান কামিনস্কি মনে মনে থাকিল। মোৰ বা কাৰো মুখলৈ বেছিকৈ নাচায়। কিছুদিন পিছত কোনো এটা বিষয়ৰ ওপৰত বিতৰ্ক চলি থাকোতে তেওঁ লাহেকৈ কিবা এটা ক'লে। সেই কথাৰ প্ৰতি কোনোবাই সঁহাৰি দিয়াত তেওঁ বেছ

বাক-পটুতা দেখি চমৎকৃত হ'লো।
দীঘলীয়াকৈ বক্তব্য ৰাখিলে। মই কামিনস্কিৰ আলোচনাত অংশ গ্ৰহণ কৰিবলৈ ধৰিলে
ইয়াৰ পিছত কামিনস্কিয়ে নিয়মীয়াভাৱে কথা-বতৰা কোৱাত, প্ৰশ্নৰ উত্তৰ
আৰু লাহে লাহে ক্লাছৰ কেন্দ্ৰবিন্দু হৈ পৰিল। আত্মবিশ্বাস মোৰ বাবেও ঈৰ্ষণীয়
দিয়াত আৰু নতুন প্ৰশ্নৰ উত্থাপন কৰাত তেওঁৰ আহিছিল। এটা কথা ক'ব
আছিল। প্ৰথম দিনাৰ অপ্ৰীতিকৰ ঘটনাৰ স্মৃতি ধূসৰ হৈ আছিল আৰু তেওঁ কোৱা
লাগিব যে জেফ কামিনস্কিৰ দৃষ্টিভংগী ৰক্ষণশীল নোৱাৰিছিলো। কিন্তু তেওঁ যে ক্লাছত
কথাবোৰৰ লগত মই প্ৰায়ে একমত হ'ব উদ্বুদ্ধ কৰিছিল, মই তাৰ বাবে কৃতজ্ঞ
সোচ্চাৰ হৈছিল অৰু অইনক বক্তব্য দিবলৈ তীৰ্য্যক মন্তব্য দিলে। মই তেওঁৰ
হৈছিলো। এদিন তেওঁ নাৰীবাদৰ বিষয়ে কিছুমান আৰু ক্লাছৰ অইন ছাত্ৰ-ছাত্ৰীৰ পিনে
কথাৰ প্ৰতিবাদ কৰিবলৈ গৈয়ো থমকি গ'লো তৰ্ক-যুদ্ধত অৱতীৰ্ণ হ'ল আৰু
চকু ফুৰালো। এজনী ছোৱালী ঠিকেই তেওঁৰ লগত বিশেষাধিকাৰ প্ৰয়োগ কৰিবলগীয়া
সেই বিষয়টোৰ ওৰ পেলাবলৈ মই শিক্ষকৰ
নোহোৱাত স্বস্তিৰ নিশ্বাস পেলালো।

আন এদিনৰ কথা। সেইদিনা আলোচ্য বিষয় আছিল হিটলাৰৰ "The pur-
pose of propaganda" নামৰ ৰচনাখন। সেইদিনা কামিনস্কিক আন
দিনাতকৈও বেছি সোচ্চাৰ হোৱা দেখিলো। তেওঁ ইহুদীসকলৰ ওপৰত হোৱা
নিৰ্য্যাতনৰ কথা একেৰাহে বহুত সময় কৈ হঠাৎ অলপ থমকি এটা ম্লান হাঁহি মাৰি
ক'লে— "আপোনালোকে বোধহয় ইতিমধ্যে অনুমান কৰিব পাৰিছে যে মই
নিজেও এজন ইহুদী।" মানৱ অধিকাৰৰ বাবে চিঞৰ-বাখৰত মুখৰ আমেৰিকাতো
Klu Klux Klan আদি বৰ্ণ-বৈষম্যবাদী সংগঠনৰ কাৰ্য্যকলাপৰ বাবে Merchant
of Venice-ৰ সেই অমৰ উক্তিটো যেন আজিও প্ৰাসংগিক হৈ আছে—
"Suffering is the badge of all my tribe."

মই এই শেষ চেমেষ্টাৰত আদৰ্শ শিক্ষক হ'বলৈ অপাৰগ হ'লো যদিও নিজৰ
দায়িত্বখিনি নিষ্ঠাৰেই পালন কৰিছো বুলি ভাবো। কিন্তু জেফ কামিনস্কিক আদৰ্শ
ছাত্ৰ বুলিয়েই চিহ্নিত কৰিম। তেওঁ Term paper-বোৰ জমা দিয়াৰ আগতে
মোক পঢ়িবলৈ দি মোৰ মতামত বিচাৰিছিল— কিদৰে সেইকেইখন সংশোধন কৰি
আৰু উৎকৃষ্ট মানৰ কৰিব পৰা যায়। তাৰ উপৰি তেওঁ মোক ঘৰতো ফোন কৰি
বিভিন্ন কথা-বতৰা সুধিছিল। "প্ৰদীপ্ত" নামটো উচ্চাৰণ কৰিবলৈ জিভাৰ যিখিনি
কছৰৎ কৰিব লাগে সেইখিনি কৰিবলৈ অসমৰ্থ হৈ আন বহুতো ছাত্ৰ-ছাত্ৰীৰ দৰে
তেওঁ মোক Prad বুলি সম্বোধন কৰিছিল! আদৰ্শ ছাত্ৰ বুলি কামিনস্কিক
চিনাক্তকৰণ কৰাৰ কাৰণ প্ৰধানকৈ দুটাই— (১) প্ৰথম দিনাই মোৰ কটু ব্যৱহাৰৰ
সন্মুখীন হৈয়ো তেওঁৰ মনত কোনো মালিন্য নাথাকিল আৰু (২) তেওঁ ক্লাছত
সক্ৰিয় হৈ থাকি মোক শিক্ষকতাত আগ্ৰহান্বিত হৈ থাকিবলৈ বাধ্য কৰিলে।



সেই চেমেষ্টাৰৰ যেতিয়া অন্ত পৰিল, কামিনস্কিয়ে মোক আহি সুধিলে— "তুমি
অহা বাৰ আৰু কিবা বেলেগ Course পঢ়াবা নেকি?" কিন্তু মই কিবা উত্তৰ
দিয়াৰ আগতেই ক'লে— "তোমাক এনেয়েহে সুধিলো, কিয়নো এইটোৱেই মোৰ
শেষ চেমেষ্টাৰ। কিন্তু ধন্যবাদ, মই এই ক্লাছটো সঁচাকৈয়ে উপভোগ কৰিলো।"
তাৰ পিছত মোক কৰমৰ্দন কৰি জেফ কামিনস্কি লাহে লাহে কোঠাৰ পৰাই ওলাই
গ'ল। ময়ো ইহুদী হ'লে হয়তো ইহুদীসকলে বিদায় মগাৰ সময়ত কোৱা
পৰম্পৰাগত কথা এষাৰ আওৰালোহেঁতেন— Next time in Jerusalem!

গুৱাহাটীত শিক্ষকতা কৰাৰ প্ৰায় দুমাহেই হ'ল। এতিয়ালৈকে অভিজ্ঞতা
মোটামুটি ভালেই। তথাপিও কেতিয়াবা ছাত্ৰ-ছাত্ৰীসকলৰ মুখলৈ চাওঁ— কিজানিবা
জেফ কামিনস্কিক চকামকাকৈ দেখোৱেই।

# আমেৰিকাৰ জীৱনৰ কিছুমান দিশ

আমেৰিকা আৰু ভাৰতৰ মাজত অহা-যোৱা আৰু নানা ধৰণৰ আদান-প্ৰদান চলি থাকে, কিন্তু দুখৰ বিষয় এয়ে যে আমেৰিকাৰ সংস্কৃতিৰ ইতিবাচক দিশবোৰ আমাৰ দেশৰ কোনো সংগঠন বা প্ৰতিষ্ঠানে, বা সাধাৰণ জনতায়ো যেন অনুকৰণ কৰিব পৰা নাই। কিন্তু ভাৰতীয়সকলে যথেষ্ট তৎপৰতাৰে আমেৰিকাৰ সংস্কৃতিৰ বজৰুৱা আৰু নেতিবাচক দিশবোৰ নিজৰ কৰি লৈছে। উপৰুৱা আৰু অস্পষ্ট ভাষাৰে আমেৰিকাৰ কথা-কাণ্ডবোৰৰ গুণ বখানিবলৈ উৎসুক বহুতো ভাৰতীয়ই এতিয়ালৈকে সেই দেশৰ প্ৰাণশক্তিৰ উৎস ক'ত তাৰ উমান পোৱা নাই। চাৰি বছৰ কাল আমেৰিকাত কটোৱাৰ পিছত সেই দেশৰ ভাল-বেয়া দুয়োটা দিশেই মোৰ চেতনা আৰু চিন্তা-ধাৰাত ছাব বহুৱাইছে। মোৰ এই প্ৰবন্ধৰ জৰিয়তে মই এটা বিষয় হৃদয়ংগম কৰি তাক পাঠকৰ সন্মুখত উন্মোচন কৰিবলৈ বিচাৰিছো। বিষয়টো হ'ল— কি শক্তি বা দৰ্শনে আমেৰিকাৰ জনসাধাৰণৰ জীৱন প্ৰাণৱন্ত আৰু অৰ্থপূৰ্ণ কৰি ৰাখিছে। অৱশ্যে সেই জীৱন-যাত্ৰাৰ কিছুমান নেতিবাচক দিশো আঙুলিয়াই দিলেহে পাঠকে এটা সম্যক ধাৰণা অৰ্জন কৰিব পাৰিব।

প্ৰথমতে বোধহয় শিক্ষাৰ জগতখনত চকু ফুৰালে ভাল হ'ব। অন্যান্য দেশৰ দৰে আমেৰিকাতো পঢ়াশালিখনক ভৱিষ্যতৰ ভাণ্ডাৰ হিচাপে গণ্য কৰা হয়। ইয়ালৈ কৰ্তৃপক্ষই উজ্জ্বল প্ৰতিভা আৰু বুদ্ধিমত্তাৰ অধিকাৰী যুৱক-যুৱতী আদৰি আনি তেওঁলোকৰ মেধা আৰু উৎসাহৰ পূৰ্ণ বিকাশ ঘটোৱাবলৈ যত্নপৰ হয়। আমেৰিকাৰ শিক্ষাবিদসকলৰ প্ৰথম লক্ষ্য বা উদ্দেশ্য আছিল সকলো ধৰণৰ সা-সুবিধাৰে সুসজ্জিত কিছুমান কেম্পাছৰ সৃষ্টি কৰা, যাতে তালৈ কম বয়সীয়া আৰু প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰী আকৰ্ষিত হয়। আমাৰ দেশতো নেতাসকলে কিছুমান 'আদৰ্শ' কেম্পাছ সৃষ্টি কৰিবলৈ যথেষ্ট অৰ্থ আৰু শক্তি ব্যয় কৰিছে। উদাহৰণ স্বৰূপে মাদ্ৰাজৰ আই.আই.টি., চণ্ডীগড়ৰ পাঞ্জাব বিশ্ববিদ্যালয়, আৰু নতুন দিল্লীৰ জৱহাৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ কেম্পাছবোৰৰ কথা উল্লেখ কৰিব পাৰি। আমাৰ দেশৰ আৰ্থিক অৱস্থা আমেৰিকাৰ দৰে টনকিয়াল নহয় বাবে এনে কেম্পাছৰ সংখ্যা সীমিত হৈ থাকিল। কিন্তু আমেৰিকাৰ শিক্ষা জগতৰ বৈশিষ্ট্য অকল সাংগঠনিক বা কাঠামোগত শ্ৰেষ্ঠতাতে বিচাৰিলে নহ'ব। দেখা যায় যে সেই দেশৰ শিক্ষাৰ লগত জড়িত সকলো ব্যক্তি তাৰ সাংগঠনিক শ্ৰেষ্ঠতাৰ পূৰ্ণ সুবিধা গ্ৰহণ কৰাত পৰম আগ্ৰহী।



প্ৰাৰম্ভিক সা-সুবিধাখিনিৰ সদ্ব্যৱহাৰ কৰাৰ আগ্ৰহ আৰু ক্ষমতাই হ'ল আমেৰিকাৰ শিক্ষা জগতৰ বৈশিষ্ট্য।

আমেৰিকাৰ সৰ্বশ্ৰেষ্ঠ কেম্পাছকেইখনত সকলো সদা-সতৰ্ক হৈ থাকে। চৰকাৰী আৰু বেচৰকাৰী, দুয়োবিধ বিশ্ববিদ্যালয়ৰ কাৰ্য্য-প্ৰণালী একোটা ব্যৱসায়ী প্ৰতিষ্ঠানৰ কাৰ্য্য-প্ৰণালীৰ লেখীয়া। বিশ্ববিদ্যালয়ৰ মুৰব্বীজনৰ প্ৰধান দায়িত্ব হ'ল যিমান সম্ভৱ অৰ্থ-সম্পদ গোটোৱা। মই নিজে ইলিনয় বিশ্ববিদ্যালয় নামৰ চৰকাৰী বিশ্ববিদ্যালয় এখনত পঢ়িছিলো। ইলিনয় ৰাজ্য চৰকাৰে এই বিশ্ববিদ্যালয়খনৰ বাবে বহুল পৰিমাণৰ অৰ্থ ব্যয় কৰে (এইখন বিশ্ববিদ্যালয়ৰ বছৰেকীয়া বাজেট সমগ্ৰ অসমৰ বাজেটতকৈয়ো অধিক)। কিন্তু বিশ্ববিদ্যালয়খনৰ শত-সহস্ৰ কাম-কাজ সুচাৰুৰূপে চলাই ৰাখিবলৈ চৰকাৰৰ দান-বৰঙণি যথেষ্ট নহয়। নানা ধৰণৰ কিতাপ-আলোচনী আৰু সা-সঁজুলি যুগুতাই থাকিবলৈ মুৰব্বীজনে কেৱল ৰাজ্যপালৰ ওচৰত হাত পাতিলেই নহ'ব— তেওঁ ব্যক্তিগত ব্যৱসায়ী খণ্ডলৈয়ো অভিযান চলাব লাগিব। কিন্তু ব্যক্তিগত খণ্ডৰ টেঙৰ আৰু অভিজ্ঞ বৰমূৰীয়াসকলে কাকো নভবা-নিচিন্তাকৈ মুক্ত হস্তে দান নকৰে। বেচৰকাৰী ব্যৱসায়ী প্ৰতিষ্ঠানৰ প্ৰতিনিধিসকলে তৰুণ প্ৰতিভাৰ সন্ধানত কেম্পাছবোৰ চলাথ কৰে, আৰু শেহতীয়া অধ্যয়নধৰ্মী কাৰ্য্য-কলাপৰ ওপৰত চোকা নজৰ ৰাখে। এনে ধৰণৰ কাৰ্য্য-কলাপক প্ৰতিষ্ঠানবোৰে অনুদানৰ যোগেদি উদগনি দিয়ে, কিয়নো ন-ন আৱিষ্কাৰৰ দ্বাৰা সিহঁতবোৰেই লাভান্বিত হয়। কলা-সংস্কৃতিৰ পৃষ্ঠপোষকতা কেম্পাছবোৰত ভালদৰেই হয়, কিন্তু বিশ্ববিদ্যালয়ৰ আয়-ব্যয়ৰ যি হিচাপ-নিকাচ অনবৰত চলি থাকে, তাৰ পৰা সাংস্কৃতিক সাধনা মুক্ত নহয়। সকলো বস্তুৰে যে মূল্য দিব লাগে, আৰু অইন হাতে যে সকলো কাৰ্য্য-কলাপৰ দ্বাৰা কিবা লাভৰ সম্ভাৱনা থাকে— এই কথাটো কেম্পাছৰ সকলোৰে মনত ৰাখে।

হিচাপ-নিকাচৰ কথাটো লৈ ছাত্ৰ-ছাত্ৰীসকল বিশেষভাৱে সজাগ। ছাত্ৰ-ছাত্ৰীৰ বাবে উচ্চ শিক্ষা এক প্ৰকাৰৰ ব্যৱসায়িক লেন-দেন, যি লেন-দেনৰ আঁতি-গুৰি বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই তেওঁলোকক আগতীয়াভাৱে জনাই দিয়ে। কেতিয়াবা অৱশ্যে ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্য সম্পৰ্কে কিছুমান টুলুঙা মন্তব্য কৰা হয়, যেনে— ছোৱালীবোৰ কেম্পাছলৈ আহে উপযুক্ত পাত্ৰৰ সন্ধানতহে! ল'ৰা-ছোৱালীয়ে যে সুশিক্ষা পাবলৈ ভালেখিনি সময় আৰু অৰ্থ বিনিয়োগ কৰে, ওপৰত উল্লেখ কৰা ধৰণৰ মন্তব্যই সেইটো আওকাণ কৰে। এগৰাকী ছাত্ৰই বছৰি খোৱা-পিন্ধাত যিমানখিনি টকা খৰচ কৰে, প্ৰায় সিমানেই বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাচুল হিচাপে দিব লাগে। এনে ধৰণৰ মোটা অংকৰ ধন ব্যয় কৰিবলগীয়া হোৱা বাবে ছাত্ৰ-ছাত্ৰীসকলে বিশ্ববিদ্যালয়ৰ বিভিন্ন খৰচ-পাতি সম্পৰ্কে অতি সতৰ্ক হৈ থাকে।

বিশ্ববিদ্যালয়ৰ আৰ্থিক সম্পদৰ যথোচিত ব্যৱহাৰ হ'লেহে ছাত্ৰ-ছাত্ৰীসকলে জীৱন-যাত্ৰাৰ বাবে নিজকে উপযোগী কৰি তুলিব পাৰে। বিজ্ঞানাগাৰ, পুথিভঁৰাল আৰু পঢ়া কোঠাত প্ৰয়োজনীয় সকলো কিতাপ-পত্ৰ আৰু আহিলা থাকিব লাগিব, যাতে ছাত্ৰ-ছাত্ৰীয়ে সেইবোৰ ব্যৱহাৰ কৰি নিজৰ কৰ্ম-কুশলতা বঢ়াব পাৰে। যেতিয়া কৰ্তৃপক্ষই মাচুল বঢ়াই দিয়ে, তেতিয়া ছাত্ৰ-ছাত্ৰীয়ে যে ওজৰ-আপত্তি নকৰে তেনে নহয়, কিন্তু বন্ধ পালন, শ্ৰেণী-বৰ্জন আৰু ঘেৰাও জাতীয় সংঘৰ্ষ বিক্ষোভ তেওঁলোকে কমেই প্ৰদৰ্শন কৰে। বাৰ্কলেৰ কাৰ্ণিফলিয়া বিশ্ববিদ্যালয়, উইছকনছিন বিশ্ববিদ্যালয় আৰু ইলিনয় বিশ্ববিদ্যালয় আদি চৰকাৰী শিক্ষালয়ত ৰাজহুৱা ধন ব্যাপকভাৱে বিনিয়োগ কৰা হয়। কিন্তু সংকটৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে কেৱল মাত্ৰ চৰকাৰক ত্ৰাণকৰ্তা হিচাপে গণ্য নকৰে। তেওঁলোকে জানে যে উচ্চ মানদণ্ডৰ শিক্ষা কোনো স্বৰ্গীয় শক্তিৰ কৰুণা আৰু বদান্যতাৰ ফলত পোৱা নাযায়, আৰু চৰকাৰী অনুদান তেওঁলোকৰ নিজৰ মাক-বাপেকৰে শ্ৰমৰ ফল। সা-সঁজুলিৰ মূল্য বৃদ্ধি হ'লে বা শিক্ষকসকলৰ দৰমহা বঢ়াবলগীয়া হ'লে অৱধাৰিতভাৱে মাচুলৰো বৃদ্ধি পায়। বিশ্ববিদ্যালয়ৰ মুৰব্বী আৰু অন্যান্য উচ্চপদস্থ বিষয়াসকলে অৰ্থ সংগ্ৰহ কৰিবলৈ বেচৰকাৰী প্ৰতিষ্ঠানৰ সাহায্য লোৱাৰ উপৰিও বিশ্ববিদ্যালয়খনৰ কিছুমান স্বকীয় দিশ লৈয়ো বেহা-বাণিজ্য কৰে। উদাহৰণ স্বৰূপে, কাপ-পিয়লা, কলম, ঘড়ী আদি বস্তুত বিশ্ববিদ্যালয়খনৰ প্ৰতীকটো খোদিত কৰি সেইবোৰ অতিৰিক্ত মূল্যত বিক্ৰী কৰা হয়। ভ্ৰমণকাৰী লোক বা ছাত্ৰ-ছাত্ৰীসকল আৰু তেওঁলোকৰ আত্মীয়-স্বজনে বিশ্ববিদ্যালয়ৰ স্মৃতি চিৰস্থায়ী কৰি ৰাখিবলৈ এই অতিৰিক্ত মূল্য দিবলৈ বেয়া নাপায়। ইয়াৰ উপৰিও বিশ্ববিদ্যালয়ৰ খেল পথাৰত হোৱা নানা খেল-ধেমালি আৰু অনুষ্ঠানৰ জৰিয়তেও বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই অৰ্থ উপাৰ্জন কৰে।

আমেৰিকাৰ কলেজ আৰু বিশ্ববিদ্যালয়বোৰত প্ৰতিযোগিতা বৰ তীব্ৰ। তাৰ শিক্ষা-ব্যৱস্থাই ছাত্ৰ-ছাত্ৰী আৰু শিক্ষককো যেন একোটা সংখ্যালৈহে ৰূপান্তৰিত কৰে। এগৰাকী ছাত্ৰই শিক্ষা সাং কৰি যিটো Grade Point Average অৰ্জন কৰে সেইটোৱেই যেন তেওঁৰ পৰিচয়-পত্ৰ হৈ পৰে। ৪.২৫ বা ৪.৭৯ জাতীয় এটা সংখ্যাই তেওঁৰ সত্তা বা ব্যক্তিত্বক যেন বিলীন কৰি পেলায়। তাৰ তুলনাত আমাৰ পৰীক্ষা-প্ৰণালীয়ে প্ৰদান কৰা প্ৰথম শ্ৰেণী বা দ্বিতীয় শ্ৰেণীক ইমান নৈৰ্ব্যক্তিক বা "অমানৱীয়" যেন নালাগে। এই ধৰণৰ অংকৰ খেলাই শিক্ষকসকলকো শুদাই নেৰে। বিশেষকৈ চাকৰিজীৱনৰ প্ৰথমছোৱাত শিক্ষকগৰাকীৰ বাবে ছাত্ৰ-ছাত্ৰীৰ অনুমোদনো আৱশ্যকীয় হৈ পৰে। ছাত্ৰ-ছাত্ৰীয়ে এগৰাকী শিক্ষকৰ বিষয়ে নানা মন্তব্য ঠিকেই লিখে, কিন্তু শেষত তেওঁলোকে তেওঁক এটা নম্বৰো দিয়ে যিটো হৈ



পৰে তেওঁৰ অৰ্হতা আৰু উৎকৰ্ষৰ সূচক। ছাত্ৰ-ছাত্ৰীৰ প্ৰশংসা বা অনুমোদন পাবলৈ শিক্ষকে তেওঁলোকক জ্ঞান দিলেই নহ'ব, তেওঁলোকক জ্ঞান-পিপাসুও কৰি তুলিব লাগিব।

পূৰ্বোল্লেখিত Grade Point Average লৈ ছাত্ৰ-ছাত্ৰীসকল ইমান চিন্তাগ্ৰস্ত হৈ পৰে যে মাজে মাজে তেওঁলোকে কিছুমান অপাংক্তেয় কৌশল অৱলম্বন কৰা পৰিলক্ষিত হয়। কেতিয়াবা এগৰাকী ছাত্ৰই নিজৰ নানা অসুখ-অশান্তিৰ তালিকা এখন শিক্ষকৰ আগত দাঙি ধৰে যাতে হৃদয় বিগলিত হৈ সেই শিক্ষকগৰাকীয়ে তেওঁৰ grade কিছু পৰিমাণে বঢ়াই দিয়ে। আন কোনো সময়ত হয়তো ছাত্ৰই শিক্ষকক এক প্ৰকাৰ ভাবুকি দিয়াৰ চেষ্টা কৰে। এনে হ'লে শিক্ষকগৰাকীয়ে দৃঢ়তা, পক্ষপাতহীনতা আৰু সাহস অটুট ৰাখিব লাগিব। আমেৰিকাত সেইটো বৰ কঠিন কাম নহয় কিয়নো তেওঁ জানে যে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই যি কোনো প্ৰকাৰে শৃংখলা অব্যাহত ৰাখিব আৰু সেইবাবে তেওঁক সকলো ধৰণৰ সমৰ্থন দিব।

কিন্তু নিজৰ কেৰিয়াৰৰ স্বাৰ্থত কিছু ছলনা-কৌশল প্ৰয়োগ কৰিবলৈ বিচৰা ছাত্ৰ-ছাত্ৰীৰ প্ৰতি সহানুভূতি হোৱাটোও সম্ভৱ। আমেৰিকাৰ কলেজ বা বিশ্ববিদ্যালয়ৰ ছাত্ৰ এগৰাকীয়ে কৰ্তৃপক্ষ আৰু নিজৰ বন্ধু-বান্ধৱ— এই দুয়ো পক্ষকে সন্তুষ্ট কৰি ৰাখিবলগীয়া হয়। এপিনে তেওঁ প্ৰায় বিশ্ৰামহীনভাৱে পৰীক্ষাত বহিবলগীয়া হৈছে বা পেপাৰ লিখিবলগীয়া হৈছে, আনপিনে তেওঁৰ মিত্ৰসকলে তেওঁক বাৰ বা ৰেষ্টোৰাঁলৈ কৰা নিমন্ত্ৰণো ৰক্ষা কৰিব লগীয়া হৈছে। প্ৰত্যেক সপ্তাহৰ অন্তত ফুৰ্তি-ফাৰ্তা, আমোদ-প্ৰমোদ কৰাটো প্ৰায় বাধ্যতামূলক। কঠোৰ, ক্ষমাহীন শিক্ষা-ব্যৱস্থা আৰু লাস-বিলাসৰ পৃথিৱী— এই দুই পৰস্পৰ-বিৰোধী শক্তিৰ টনাটনিত ছাত্ৰগৰাকীয়ে কেতিয়াবা মানসিক ভাৰসাম্যই হেৰুৱাই পেলায়। এনেদৰে বিপৰ্য্যস্ত হোৱা ছাত্ৰ বা ছাত্ৰীক সহায় কৰিবলৈ প্ৰত্যেক কেম্পাছতে Counselling Centre আছে।

শৈক্ষিক জগতত কৃতিত্ব অৰ্জনৰ ফলত বৈষয়িক সুখ-স্বাচ্ছন্দ্যৰ পথ যে সুগম হয় এই কথাটো উপলব্ধি কৰাৰ ফলত আমেৰিকাৰ যুৱক-যুৱতীসকল এক ধৰণৰ ইষ্টসিদ্ধবাদী মানসিকতাৰ বশৱৰ্তী হৈ পৰে। ইয়াৰ ফলত কৰ্মক্ষেত্ৰত যদিও তেওঁলোকে উদ্যোগী আৰু পৰিশ্ৰমী হৈ পৰে, লগে লগে তেওঁলোকৰ দৃষ্টিভংগীৰ সংকোচনো ঘটে। বহুতো ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজী সাহিত্য আৰু বুৰঞ্জী আদি কলা শাস্ত্ৰৰ বিষয় পঢ়িবলগীয়া কথাটোত বিস্মিত আৰু ক্ষুব্ধ হয়। এটা সম্পূৰ্ণ চেমেষ্টাৰ মিল্টন, ইৰাচমাচ আৰু মাক'লেৰ লগত কটাই কি লাভ? ছাত্ৰ অৱস্থাত এই কথালৈ তেওঁলোকে ওজৰ-আপত্তি কৰাৰ পিছত তেওঁলোক যেতিয়া কৰ-দাতা নাগৰিক হৈ পৰে তেওঁলোকে কলা শাস্ত্ৰৰ বিষয়বোৰলৈ চৰকাৰী অনুদান কমাবলৈ দাবী কৰে।

আমেৰিকাৰ অৰ্থনৈতিক সংকটে তাৰ মানুহৰ ইষ্টসিদ্ধবাদী মনোবৃত্তিক আগতকৈয়ো আপোচহীন আৰু তীব্ৰতৰ কৰি পেলাইছে। কলা-সাহিত্যৰ বিষয়বোৰৰ উপযোগিতানো কি এই ধৰণৰ প্ৰশ্ন অতি সঘনাই উচ্চাৰিত হোৱা কথাটোৱে সংস্কৃতিবান আৰু কলানুৰাগীসকলক স্বাভাৱিকতে উদ্বিগ্ন কৰে, কিন্তু লগতে সাহিত্য আৰু কলাৰ অধ্যয়ন কৰা লোকসকলক জনসাধাৰণৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ যাবলৈ নিদিয়ে।

আমেৰিকাৰ শিক্ষা-ব্যৱস্থাত এপিনে শলাগ আৰু সমাদৰৰ শৰাই, আৰু আনপিনে শাস্তি— দুয়োটাৰে বন্দবস্ত আছে বাবেই সি পৃথিৱীৰ আন দেশৰ শিক্ষাবিদৰ বাবে ঈৰ্ষণীয় বস্তু হৈ পৰিছে। সেই দেশৰ শিক্ষা-ব্যৱস্থা অতি সতৰ্ক হোৱাৰ উপৰিও উদাৰপন্থী আৰু বিশ্বজনীন। আমেৰিকাৰ যিকোনো এখন উচ্চমান বিশিষ্ট বিশ্ববিদ্যালয়ত পৃথিৱীৰ চুক-কোণৰ পৰা মেধাৱী তৰুণ-তৰুণী আহি সমবেত হয়। কোনো ধৰণৰ আঞ্চলিকতাবাদক এই বিশ্ববিদ্যালয়বোৰত প্ৰশ্ৰয় দিয়া নহয়। তাৰ একমাত্ৰ ব্যতিক্ৰম হয় যেতিয়া বিশ্ববিদ্যালয়খনৰ ফুটবল দলটোৱে অইন এখন বিশ্ববিদ্যালয়ৰ দলৰ লগত খেলপথাৰৰ সমৰত অৱতীৰ্ণ হয়।

এইটো কথা স্বীকাৰ কৰিব লাগিব যে মই আমেৰিকাৰ জীৱন-যাত্ৰাক কেতিয়াও মনে-প্ৰাণে গ্ৰহণ কৰিব নোৱাৰিলো। মই এনে এখন সমাজত ডাঙৰ হৈছো য'ত এঘৰৰ সুখ-দুখ অইন এঘৰে হেলাৰঙে আপোন কৰি লয়, য'ত মিত্ৰ-আত্মীয়ৰ দোহাইত সময়ক ভ্ৰূক্ষেপেই কৰা নহয়, আৰু য'ত বহুতো মানুহৰ জীৱনবোৰ নানা উৎসৱ-পৰ্বৰ মাজেৰে অতিবাহিত হয়। এনে এখন সমাজৰ সন্তান হোৱা বাবে মই অনুভৱ কৰিলো যে আমেৰিকাৰ জীৱন যেন কেইবাটাও পৃথক খোঁটালিত ভাগ কৰা হয়, আৰু তাত যেন সকলো কঠোৰ অনুশাসন আৰু শৃংখলাৰ দাস। সেইখন সমাজে বাইবেলৰ এই বাণী সাৰোগত কৰি লৈছে ঃ "সকলো কাৰ্য্যৰ বাবে এটা নিৰ্দিষ্ট সময় বন্ধা আছে, বীজ ৰোপন কৰাৰ এটা সময়, খেতি চপোৱাৰ আন এটা সময়; ভাল পোৱাৰ বাবে এটা সময়, ঘৃণা কৰাৰ বাবে আন এটা সময়।"তাৰ মানুহ পাঁচ দিনৰ বাবে কৰ্মত ব্ৰতী হৈ থাকে, কিন্তু তাৰ পিছত— অৰ্থাৎ সপ্তাহৰ শেষত— ৰং-ৰহইচ কৰাত মত্ত হৈ পৰে। এটা নিৰ্দিষ্ট সময়ত এনেদৰে ৰং-ৰহইচ কৰাটো আমেৰিকানসকলৰ বাবে অত্যাৱশ্যকীয়, কিয়নো ইয়াৰ ফলত তেওঁলোকে কৰ্মক্ষেত্ৰলৈ উভতি যাবলৈ শক্তি আহৰণ কৰে।

কিন্তু কৰ্মক্ষেত্ৰতো এজন আমেৰিকানে এটা যন্ত্ৰ-মানৱৰ দৰে ব্যৱহাৰ নকৰে। অফিচ্ খোলা দিনকেইটাতে হয়তো তেওঁক আটাইতকৈ সৌজন্যপূৰ্ণ ভূমিকাত দেখিবলৈ পোৱা যায়। ইয়াৰ কাৰণ হ'ল যে তেওঁ অফিচত সৰ্বসাধাৰণৰ সেৱা কৰিবলৈহে আছে। তেওঁ যদি চৰকাৰী বিষয়া, তেওঁ এই বিষয়ে অতি সজাগ যে



ৰাইজৰ কৰৰ টকাৰে তেওঁৰ চাকৰিটো সৃষ্টি হৈছে আৰু তেওঁৰ মাহেকীয়া বেতনৰ বন্দবস্ত হৈছে। তেওঁ যদি কোনো বেচৰকাৰী প্ৰতিষ্ঠানৰ বাবে কাম কৰে তেওঁ এইটো জানে যে সেই প্ৰতিষ্ঠানৰ সামগ্ৰী বা সেৱাৰ পৃষ্ঠপোষকতা কৰিবলৈ ৰাইজে লোৱা সিদ্ধান্তই তেওঁৰ কেৰিয়াৰ অব্যাহত থকাত অৰিহণা যোগাব। আমেৰিকাত ৰাইজ আৰু চাকৰিয়ালৰ মাজত হোৱা যিকোনো আদান-প্ৰদানৰ অন্তৰালত এনে ধৰণৰ চিন্তা-ধাৰাই কাম কৰে বাবে তাত এই ধৰণৰ আদান-প্ৰদান নিয়াৰিকৈ আৰু কোনো তিক্ততাৰ সৃষ্টি নোহোৱাকৈ সংঘটিত হয়।

আমেৰিকানসকলে যে সকলো মানুহকে হাঁহি মুখে অভ্যৰ্থনা জনায় সেইটো এক প্ৰকাৰৰ অভিনয়। এনে ধৰণৰ অভিনয় তেওঁলোকৰ পেছাদাৰী মনোবৃত্তিৰে পৰিচায়ক। মানুহক সন্তুষ্ট কৰিব পাৰিলে তেওঁৰ কাম সিদ্ধি হয়। কিন্তু তেওঁলোকক মাথোন কিছুমান চতুৰ অভিনেতা বা অভিনেত্ৰী বুলি অভিহিত কৰিলে তেওঁলোকৰ প্ৰতি অন্যায় কৰা হ'ব। প্ৰত্যেক মানৱৰ মৰ্যাদা আৰু সন্মান সম্পৰ্কে তেওঁলোক সচেষ্ট বাবে তেওঁলোকে এইদৰে সকলোকে ভদ্ৰ আৰু মধুৰ সম্ভাষণ কৰে। মুঠতে আমেৰিকানসকলে নিজৰ পেছাদাৰী জীৱনত নিজকে ইমান নিষ্ঠা আৰু উদ্যমেৰে সঁপি দিয়ে যে তেওঁলোক ইয়াৰ ফলত বহুতো মানৱীয় গুণৰো অধিকাৰী হৈ পৰে, যেনে— সৌজন্যবোধ, সততা, আৰু অইনৰ প্ৰতি সহানুভূতি আৰু দায়িত্ববোধ। মোৰ এনে ভাব হয় যেন আমেৰিকানসকলে তেওঁলোকৰ কৰ্মজীৱন ইউৰোপীয়-সকলতকৈ বেছি আন্তৰিকতাৰে আৰু একান্তভাৱে লয়। বোধহয় তেওঁলোকৰ দেশখন তুলনামূলকভাৱে চালুকীয়া বাবে আমেৰিকানসকলে নিজকে কিছু নিৰাপত্তাহীন যেন অনুভৱ কৰে। নিজৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱ, পতি-পত্নী, সতি-সন্তান —এইবোৰ সকলো ক্ষণস্থায়ী। তেওঁলোকৰ কেৰিয়াৰ বা কৰ্মজীৱনো চিৰস্থায়ী নহয়, কিন্তু কেৰিয়াৰক অন্ততঃ কিছু পৰিমাণে স্থায়ী কৰিবলৈ কিবা এটা কৰিব পৰা যায়। ক্ষণভংগুৰ জীৱনৰ আন কোনো দিশৰ ওপৰত তেওঁলোকৰ হাত নাই।

সহজ-সৰল ভাষাত ক'বলৈ গ'লে লাভ-লোকচানৰ বিচাৰৰ ভিত্তিত আমেৰিকানসকলৰ জীৱন-চক্ৰ ঘূৰি থাকে। কিন্তু কৰ্ম নামৰ ধৰ্ম ই তেওঁলোকৰ চৰিত্ৰৰ গাঁথনিত এনে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে যে সামাজিক আদান-প্ৰদানতো ইয়াৰ প্ৰতিফলন দেখা যায়। মই নিজৰ অভিজ্ঞতাৰ পৰাও এটা উদাহৰণ দিব পাৰো। শ্বেমপেইন-আৰবানা নামৰ চহৰখনৰ (য'ত ইলিনয় বিশ্ববিদ্যালয় অৱস্থিত) এটা স্থানীয় বেংকত মোৰ কিছু টকা জমা আছিল। সেই বেংকৰ মেনেজাৰজন ইমান শিষ্টাচাৰী আৰু বিনয়ী আছিল যে তেওঁৰ ব্যৱহাৰ কিছু আচহুৱা যেনেই লাগিছিল। মই যেতিয়া আমেৰিকাৰ পৰা বিদায় মগাৰ আগেয়ে

সেই বেংকত মোৰ account বন্ধ কৰিবলৈ উদ্যত হ'লো, তেতিয়া মেনেজাৰ-জনৰ পৰা পূৰ্বৰ সেই একে ধৰণৰ সৌহাৰ্দ্যপূৰ্ণ ব্যৱহাৰ পাম নে নাই সেই বিষয়ে ভাবিলো। এতিয়াতো মই বেংকৰ জমাদাতা বা পৃষ্ঠপোষক নহওঁ। কিন্তু মানুহজনে তেওঁৰ চিৰাচৰিত নিয়মেৰে মোক প্ৰীতি সম্ভাষণ জনালে আৰু সকলো প্ৰকাৰে সহায় কৰিলে। আনকি মই চেক-বহী লগত নিবলৈ পাহৰা সত্ত্বেও তেওঁ মোক বাকী থকা টকাখিনি তুলিবলৈ অনুমতি দিলে।

এই কথাটো উল্লেখ কৰিব লাগিব যে যি ভোগ-বিলাসৰ দৰ্শনে আমাৰ সমাজক আজি গ্ৰাস কৰিবলৈ ধৰিছে, তাৰ সূত্ৰপাত আমেৰিকাতে হৈছিল। এটা প্ৰবন্ধত আমেৰিকাৰ কবি ৰেন্দেল জেৰেলে "প্ৰয়োজনৰ সদাসম্প্ৰসাৰিত সীমান্ত" বুলি এষাৰ কথা ব্যৱহাৰ কৰিছিল। ইয়াৰ অৰ্থ হ'ল— আজিৰ বিলাসৰ সামগ্ৰী কালিলৈ অতি প্ৰয়োজনীয় বস্তু হৈ পৰে। কিন্তু এই প্ৰয়োজন প্ৰকৃত প্ৰয়োজন নহয়; ই ব্যৱসায়ীসকলৰ বুদ্ধি আৰু মানুহৰ লোভৰ ফলত হোৱা প্ৰয়োজন। আমাৰ অসমৰ ক্ষেত্ৰতে আমি এনে হোৱাটো দেখিবলৈ পাই আছোঁ। নিতৌ নতুন নতুন বস্তু-বাহানি আৱিষ্কৃত হৈ থাকে, যিবোৰ এটা সম্পূৰ্ণ আৰু সুখী জীৱনৰ বাবে অপৰিহাৰ্য্য বুলি কোৱা হয়, আৰু "প্ৰয়োজনীয়তাৰ সীমান্তৰ" সম্প্ৰসাৰণ হৈ থাকে। মই আমেৰিকাত থাকোতে দেখিছিলো যে বিজ্ঞাপন দাতাসকলে প্ৰথমতে কোনো এবিধ বস্তুৰ (যেনে এখন গাড়ী বা এবিধ সুগন্ধী আতৰ) প্ৰয়োজনীয়তাৰ কথা কয়, তাৰ পিছত এটা বিশেষ প্ৰতিষ্ঠানৰ বস্তুৰ গুণাগুণ কীৰ্তন কৰে, আৰু শেষত সম্ভাব্য গ্ৰাহকজনক এনে কিছুমান আঁচনি দিয়ে যিবোৰৰ দ্বাৰা সেই বস্তুটো কিনা অতি সহজ হৈ পৰে। এই বিজ্ঞাপনবোৰ নানা আৱেগপূৰ্ণ আৰু নান্দনিক কলা-কৌশলেৰে সুশোভিত হোৱা বাবে গ্ৰাহকৰ সংযম, আত্ম-নিয়ন্ত্ৰণ আৰু ভাব-চিন্তা কৰাৰ ক্ষমতা লোপ পায়। যিহেতু এজন আমেৰিকানে এজন ভাৰতীয়তকৈ বহুতো বেছি সামগ্ৰী নিজৰ জীৱনৰ বাবে অপৰিহাৰ্য্য বুলি গণ্য কৰে, সেই দেশত ভোগ-বিলাসৰ দৰ্শনে অসতৰ্ক ব্যক্তি এজনৰ বেছিকৈ ক্ষতি সাধন কৰিব পাৰে। তাত অত্যাধুনিক সা-সামগ্ৰীৰে পৰিবেষ্টিত হৈ নাথাকিলে এজন ব্যক্তিয়ে নিজকে নিঠৰুৱা যেন অনুভৱ কৰে। অতি আকাংক্ষিত বস্তু এটা পাবলৈ কেতিয়াবা সেই দেশৰ যুৱকসকল হিংসাত্মক কাৰ্য্যত লিপ্ত হয়। এটা জেকেট বা কোনো এটা নাম কৰা প্ৰতিষ্ঠানে তৈয়াৰ কৰা এযোৰ জোতাৰ বাবে হত্যাকাণ্ডও সংঘটিত হোৱা খবৰ আমেৰিকাত পঢ়িবলৈ পাইছিলো। কিন্তু এইটোও অনস্বীকাৰ্য্য যে সাধাৰণতে বৈষয়িক সুখ-সম্ভোগ কৰিবলৈ তাৰ নাগৰিকসকল কঠোৰ পৰিশ্ৰম কৰিবলৈহে অনুপ্ৰাণিত হয়। বিলাসৰ সামগ্ৰীয়ে এজন যুৱকৰ অন্তৰত যি তীব্ৰ বাসনাৰ উদ্ৰেক কৰে, সি সাধাৰণতে তেওঁক স্বাধীনচিতীয়া কৰি তোলে। যিহেতু মাক-বাপেকে তেওঁক হাত-



খৰচ নিদিয়ে বা খুব কম পৰিমাণেহে দিয়ে, এখন মটৰ চাইকেল বা এটা বাদ্য-যন্ত্ৰ কিনিবলৈ যুৱকজনে বিভিন্ন ঠাইত বিভিন্ন ধৰণৰ কাম কৰিবলগীয়া হয়। তাৰ তুলনাত আমাৰ দেশত (বিশেষকৈ অসমত) মানুহে অতি সহজে আৰু অত্যন্ত ক্ষীপ্ৰ গতিত নিজৰ লোভ চৰিতাৰ্থ কৰিব পাৰে। এটা বেআইনী লেন-দেন কৰি বা এটা দুনীতিমূলক কাৰ্য্য সমাপন কৰিয়েই এখন বিলাস-বৈভৱৰ সাম্ৰাজ্যই ক্ৰয় কৰিব পাৰি !

যদিও লাভৰ লোভেই আমেৰিকাৰ সমাজৰ প্ৰধান চালিকা শক্তি হিচাপে পৰিগণিত হৈছে, সেইখন সমাজৰ অইন বৈশিষ্ট্যও আছে। নতুনকৈ উন্মেষিত হোৱা সভ্যতা এখনৰ অংশীদাৰ হিচাপে আমেৰিকাৰ বাসিন্দাসকলে যেন অহৰহ কিবা এটা প্ৰমাণ কৰিবলৈ চেষ্টা কৰি থাকে। মান-যশ, প্ৰশংসা-শলাগ, আৰু আৰ্থিক উপঢৌকন আমেৰিকাৰ প্ৰায় সকলো কাৰ্য্যৰ লগতে জড়িত হৈ থাকে। কিন্তু সেই কাৰ্য্যটোত এজন ব্যক্তি— তেওঁ লাগে বিজ্ঞানী, খেলুৱৈ বা গায়কেই হওক— এনেদৰে নিমজ্জিত হৈ পৰে যে তেওঁ কোনো ধৰণৰ পুৰস্কাৰৰ কথা সম্পূৰ্ণভাৱে পাহৰি যায় আৰু নিজৰ ধমনীত অনুভৱ কৰে এক অকলশৰীয়া গৰ্ব আৰু অহংকাৰৰ স্পন্দন। গৰ্ব ইয়াতেই যে কামটো তেওঁ নিজকে সন্তোষ দিয়াকৈ সমাপন কৰিবলৈ নিজৰ মন-প্ৰাণ ঢালি দিছে। এনে ধৰণৰ গৰ্বৰ অনুভূতি এটা জাতীয় সত্তাৰ সন্ধানৰে যেন অবিচ্ছেদ্য অংগ।

আমি নিজৰ প্ৰমূল্যসমূহ বিসৰ্জন নিদিয়াকৈয়ে আমেৰিকাৰ মানুহৰ পৰা ভালেখিনি কথা শিকিব পাৰো। তেওঁলোকৰ সততা, কৰ্মদক্ষতা আৰু নিষ্ঠা আমাৰ বাবে অনুকৰণীয়। আমাৰ ৰাজনীতিবিদ আৰু প্ৰশাসকসকলে আমেৰিকালৈ অলেখ বাৰ যাত্ৰা কৰা সত্ত্বেও তাৰ পৰা যেন একোৱেই শিকিবলৈ অপাৰগ বা অনিচ্ছুক। ইপিনে কিন্তু পশ্চিমীয়া অপসংস্কৃতিৰ প্ৰতীক স্বৰূপ বস্তু-বাহানিৰে আমাৰ ঘৰবোৰ প্লাবিত হৈ পৰিছে। পশ্চিমীয়া দেশৰ তুলনাত আমাৰ ঘৰুৱা জীৱন বেছি নিকা আৰু স্থিৰ বুলি আমি গৰ্ব কৰোঁ। কিন্তু আমাৰ এই আদৰ্শ ঘৰবোৰেই আজি-কালি পশ্চিমীয়া অপসংস্কৃতিৰ বাহ হৈছে।

# আৰু এখন দাক্ষিণাত্য

*O for a beaker full of the warm South,*
*Full of the true, the blushful, Hippocrene*
*—John Keats,*

*দক্ষিণ হাওয়া, জাগো জাগো*
*জাগাও আমাৰ সুপ্ত এই প্ৰাণ*
*—ৰবীন্দ্ৰ সংগীত*

*The South will Rise Again.*
*—জনপ্ৰিয় লেখক J.T. Edson-এ লিখা এখন উপন্যাসৰ নাম*

উত্তৰ আৰু দক্ষিণৰ মাজৰ ভৌগোলিক বিভাজনটো সচৰাচৰ দেখা যায় যে সূচক; যেনে, দক্ষিণৰ অঞ্চলবোৰ সাধাৰণতে অইন কিছুমান মৌলিক পাৰ্থক্যৰো দেশবোৰক কেতিয়াবা পশ্চিম বা West নকৈ দৰিদ্ৰ (সেইবাবেই উন্নত পশ্চিমীয়া দেশবোৰক South বুলিও চিহ্নিত কৰা হয়। কিন্তু North বুলি আৰু অনগ্ৰসৰ কথা-কাণ্ডবোৰ চিত্তাকৰ্ষক, যি ক্ষেত্ৰত পৃথিৱীৰ দক্ষিণৰ ঠাইবোৰ উষ্ম আৰু তাৰ চহকী অথচ শীতল আৰু তাৰ মানুহৰ ধৰণ-প্ৰায় সমগ্ৰ উত্তৰাঞ্চলটোৱেই বিভাজনটো এক বহল অৰ্থত সমগ্ৰ পৃথিৱীৰ কৰণবোৰো আন্তৰিকতাশূন্য। এই আচৰিতভাৱে এনে বিভাজন বা দুবিধ জীৱন-দৰ্শনৰ ক্ষেত্ৰতে প্ৰযোজ্য কিন্তু কিছু একেখন দেশতে চকুত পৰিছিল। মাজৰ বিপৰীত ধৰ্মিতা মোৰ

আমেৰিকাৰ দক্ষিণ অঞ্চলটোৰ এটা নিজস্ব বৈশিষ্ট্য আছে। তাৰ মানুহে যিদৰে *টানি টানি কয় (drawl) সি* দেশৰ বাকী মানুহৰ বাবে বেছ হাস্যৰসৰ খোৰাক জগায়। পিছে গ্ৰামীণ এই অঞ্চলটো ৰাজনৈতিকভাৱে দেশৰ আটাইতকৈ বেছি গুৰুত্বপূৰ্ণ, কিয়নো ই দেশৰ সৰ্বাধিক ভোটাৰৰ বাসস্থান। শেহতীয়া দুয়োজন ডেমোক্ৰেট ৰাষ্ট্ৰপতিয়েই দক্ষিণৰ বাসিন্দা— জিমি কাৰ্টাৰ জৰ্জিয়াৰ আৰু বৰ্তমানৰ ৰাষ্ট্ৰপতি বিল ক্লিণ্টন আৰকান্ছ (Arkansas) প্ৰদেশৰ। তথাপিও আমেৰিকাৰ 'দাক্ষিণাত্য'খন এখন অনাদৃত, অৱহেলিত এলাকা। দক্ষিণৰ অন্তৰ্ভুক্ত মিছিছিপি প্ৰদেশ দেশৰ সবাতোকৈ অনগ্ৰসৰ ৰাজ্য আৰু ক্লিণ্টনৰ আৰকান্ছও এই ক্ষেত্ৰত খুব বেছি পিছ পৰি থকা নাই। এই অঞ্চলৰ একমাত্ৰ চহকী প্ৰদেশ হ'ল খনিজ



তেলৰ ধনেৰে সমৃদ্ধ, প্ৰাক্তন ৰাষ্ট্ৰপতি জৰ্জ বুছে নিজৰ বুলি লোৱা ৰাজ্য টেক্সাছ।

আমেৰিকাৰ এই দক্ষিণখন এক বিশাল, ৰহস্যময় অঞ্চল যি কল্পনাপ্ৰৱণ মানুহক অহৰহ হাত-বাউলি দি মাতে। ৰোমাঞ্চ আৰু বাহ্যিক বৰ্ণাঢ্যতাৰ ওপৰত গুৰুত্ব দি বহুতো লেখকে আমেৰিকাৰ পশ্চিমৰ (Wild West) কাহিনীক কিংবদন্তীলৈ ৰূপান্তৰিত কৰিছে। কিন্তু উইলিয়াম ফকনাৰ, এলিচ ওৱাকাৰ, টেনিছি উইলিয়াম্‌ছ্ আৰু ৰাল্‌ফ্ এলিচন আদি লেখকে দক্ষিণৰ জীৱন লিপিবদ্ধ কৰিছে তেওঁলোকৰ সামাজিক চেতনাৰে পুষ্ট বা মনস্তাত্ত্বিক চিন্তা-ধাৰাৰে গধুৰ কাহিনীসমূহত। দক্ষিণৰ বাস্তৱটো অতি জটিল আৰু সি সহজে বিশ্লেষণীয় নহয়। কিন্তু অ-শ্বেতাংগ বিদেশী এজনে দক্ষিণৰ বিষয়ে কিছুমান সৰলীকৃত, অলৰ-অচৰ ধাৰণা লৈ বহি থাকে। দক্ষিণৰ কথা ভাবিলে কিছু ভয় আৰু উৎকণ্ঠাই এতিয়াও বহুতক আগুৰি ধৰে। এয়েই সেই ঠাই য'ত কৃষ্ণাংগ দাসসকলক জন্তু-জানোৱাৰৰ দৰে কামত খটুওৱা হৈছিল আৰু প্ৰায়ে অমানুষিকভাৱে প্ৰহাৰ কৰা হৈছিল, ইয়াত লঘু অপৰাধতে কৃষ্ণাংগসকলক মৃত্যুদণ্ড বিহা হৈছিল অথচ কৃষ্ণাংগক হত্যা কৰিলেও বগা চামৰাৰ লোক প্ৰায়েই খালাচ হৈ গৈছিল, ইয়াতেই কৃষ্ণাংগসকলৰ মহত্তম নেতা মাৰ্টিন লুথাৰ কিঙক এজন শ্বেতাংগ আততায়ীয়ে হত্যা কৰিছিল। দক্ষিণত ত্ৰাস সঞ্চাৰকাৰী Klu Klux Klan নামৰ বৰ্ণ বিদ্বেষী অনুষ্ঠানটোৰ অতপালি এতিয়াও অব্যাহত।

দক্ষিণলৈ ভ্ৰমণ কৰিবলৈ গৈ এজন বিদেশীয়ে এনেধৰণৰ এক পূৰ্ব অনুমানকৃত মানসচিত্ৰৰ (Stereotype) লগত মোকাবিলা কৰিবলগীয়া হয়। 'Driving Miss Daisy', 'A Soldier's Story', 'Missisipi Burning' আদি বোলছবি চোৱাৰ পিছত দক্ষিণৰ বিষয়ে পোষণ কৰা আশংকাবোৰ আৰু বেছি ঘনীভূত হয়।

এইবোৰ কথা কৈ মই দক্ষিণৰ ৰক্তাক্ত আৰু লজ্জাজনক ইতিহাসক আওকাণ কৰিবলৈ বিচৰা নাই। কৃষ্ণাংগসকলৰ ওপৰত উৎপীড়ন এতিয়াও চলে, কিন্তু এনে উৎপীড়ন অকল দক্ষিণতে সীমাবদ্ধ নহয়। মই আমেৰিকাত কিছুকাল কটোৱাৰ পিছত দক্ষিণৰ বিষয়ে থকা এনে কিছুমান ধাৰণাক সীমিত বা সংশোধিত কৰিবলৈ বাধ্য হ'লো। তথাপিও কিছুমান শংকা আৰু দ্বিধাগ্ৰস্ততা থাকিয়ে গৈছিল। সেয়ে মোৰ মনলৈ এনে ভাব আহিছিল— দক্ষিণলৈ ভ্ৰমণ কৰিবলৈ গ'লে তাৰ দোকান-পোহাৰ, হোটেল-ৰেষ্টোৰাঁত দুৰ্ব্যৱহাৰ বা অন্ততঃ শীতল ব্যৱহাৰৰ সন্মুখীন হ'ম নেকি? অথচ এই বিশাল, বিচিত্ৰ ঠাইখন চাবলৈয়ো মন উন্মুখ হৈ আছিল। বিশেষকৈ নিউ অৰ্লীয়েন্‌ছ্ নামৰ ৰংচঙীয়া, পুৰণি (আমেৰিকাৰ হিচাপত) মহানগৰীখনৰ বিষয়ে জানিবলৈ মই বিশেষভাৱে অনুসন্ধিৎসু হৈ আছিলো। সকলোৱে কৈছিল যে আমেৰিকাত নিউ অৰ্লীয়েন্‌ছ্ এখন অতুলনীয় নগৰ। মোৰ এই নগৰৰ প্ৰতি এটা ব্যক্তিগত ঔৎসুক্যও আছিল কিয়নো মই Kate Chopin

নামৰ এগৰাকী মহিলাই লিখা The Awakening নামৰ এখন উপন্যাস ইলিনয়ত মোৰ ছাত্ৰ-ছাত্ৰীসকলক পুঢ়ুৱাইছিলো যাৰ এছোৱাৰ পটভূমি আছিল নিউ অৰ্লীয়েন্‌ছ্‌। এই নিউ অৰ্লীয়েন্‌ছ্‌ হ'ল Creole নামৰ এক আচৰিত সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ, যি ফৰাচী, ইংৰাজী আৰু কেৰিবীয় (Carribean) সংস্কৃতিৰ এক সংমিশ্ৰণ। ইয়াৰ উপৰিও "There is a house in New Orleans" নামৰ এটা গান শুনি শুনি কল্পনাতে মোৰ মন কেইবাবাৰো সেই চহৰলৈ উৰা মাৰিছিল।

১৯৯২ চনৰ বৰদিনৰ কিছুদিন আগতে এজন বন্ধুৱে মই দক্ষিণৰ বিশেষকৈ নিউ অৰ্লীয়েন্‌ছলৈ যাবলৈ ইচ্ছুক নেকি সুধিলে। স্বাভাৱিকতেই মই উৎসাহ প্ৰকাশ কৰিলো, কিন্তু ভবা নাছিলো যে তিনি ঘণ্টামানৰ পিছতে তেওঁ মোৰ ঘৰত গাড়ী লৈ উপস্থিত হ'ব। তেতিয়া আছিল তীব্ৰ শীত আৰু নিউ অৰ্লীয়েন্‌ছলৈ আমি থকা চহৰখনৰ পৰা দূৰত্ব বোধহয় ১৫০০ মাইল মানেই হ'ব। তথাপি এক দুঃসাহসী অভিযানত অৱতীৰ্ণ হোৱাৰ দৰেই আমি মাজনিশাতে দক্ষিণ অভিমুখে ৰাওনা হ'লো। বৰফৰ কণিকাবোৰ ৰাস্তাত আছাৰ-খাই পৰি ৰাস্তা অতি পিছল আৰু বিপদ-সংকুল কৰি পেলাইছিল। এই সুদীৰ্ঘ ৰজনীৰ সুদীৰ্ঘ যাত্ৰা মোৰ মনত চিৰদিন থাকি যাব। কিন্তু আচৰিতভাৱে সেই হিমচেঁচা ৰাতিৰ পিছত আমি বতৰৰ এক দ্ৰুত পৰিৱৰ্তন অনুভৱ কৰিলো। আৰকান্‌ছৰ কোনোবা এডোখৰ ঠাইত বতৰ আৰু দৃশ্যাৱলী একেবাৰে সলনি হৈ গ'ল। মাটিৰ ওপৰত বৰফৰ ঢাকনিখন অদৃশ্য হ'ল আৰু আমি এক ৰৌদ্ৰোজ্জ্বল সেউজীয়া দেশত প্ৰৱেশ কৰিলো। যেতিয়া গাড়ীয়ে পৰিষ্কাৰ, হিমবৰ্জিত পথেৰে দৌৰিব ধৰিলে তেতিয়া যাত্ৰা বেছ আনন্দদায়ক হৈ পৰিল। কিন্তু তাতোকৈ উল্লেখনীয় কথা হ'ল যে আমি ঠায়ে ঠায়ে কিবা খাবলৈ বা কিনিবলৈ ৰোৱাৰ লগে লগে দক্ষিণৰ মানুহৰ বিষয়ে থকা ভ্ৰান্ত ধৰণা বিলুপ্ত হ'ব লগা হ'ল।

আৰকান্‌ছ্‌, মিছিছিপি, লুইজিয়ানা আদি প্ৰদেশবোৰৰ বহুতো দোকান-পোহাৰ দেশৰ অইন অঞ্চলত দেখা দোকানৰ তুলনাত কিছু বিবৰ্ণ আৰু নিঃকিন যেন লাগিছিল। কিন্তু তথাপিও বতৰ আৰু পৰিস্থিতিৰো এটা উন্নতি পৰিলক্ষিত হৈছিল যিদৰে অতিপাত চেঁচা বতৰৰ অৱসান ঘটিছিল, সেইদৰে ৰাস্তাই-ঘাটে লগ পোৱা মানুহখিনিৰ (কৃষ্ণাংগই হওক বা শ্বেতাংগই হওক) সহজ-সৰল সৌহাৰ্দ্যপূৰ্ণ ব্যৱহাৰে ভিতৰত থকা সংকোচৰ বৰফখিনি গলাইছিল। কৃষ্ণাংগ আৰু শ্বেতাংগৰ মাজৰ সম্বন্ধও বিদ্বেষপূৰ্ণ যেন নালাগিল। অৱশ্যে মোৰ এই অভিমত মাথোন সাধাৰণ কথোপকথনৰ ওপৰত ভিত্তি কৰিহে গঢ়ি উঠিছিল।

আমি কেইদিনমানৰ বাবে ঘাটি পাতিছিলো লুইজিয়ানা প্ৰদেশৰ ৰাজধানী বেটন ৰুজ নামৰ চহৰখনত। এই উৱলি যোৱা অনাকৰ্ষণীয় চহৰখন যেন অনগ্ৰসৰ দক্ষিণৰ



প্ৰতীক। অথচ বেটন ৰুজৰ পৰাই ডেৰ ঘণ্টাৰ যাত্ৰাৰ অন্তত জিলমিলাই আছে নিউ অৰ্লীয়েন্‌ছ যি কেৱল মাত্ৰ দক্ষিণাঞ্চলৰে নহয়, সমগ্ৰ আমেৰিকাৰে প্ৰাণকেন্দ্ৰ। অৱশ্যে এই কথাষাৰ কৈছো ঐতিহ্য, সংস্কৃতি, ৰং-ৰহইচ আদি দিশৰ ওপৰত চকু ৰাখিহে। অৰ্থনৈতিক, বাণিজ্যিক, ঔদ্যোগিক, প্ৰশাসনীয় আৰু ৰাজনৈতিক দিশৰ পৰা নিউ অৰ্লীয়েন্‌ছে ডেট্ৰইট, চিয়াট্‌ল্‌, লচ এঞ্জেলছ, চান ফ্ৰেন্সিস্কো, নিউয়ৰ্ক, ওৱাশ্বিংটন, চিকাগো, ডলাছ আৰু হিউষ্টন আদি চহৰৰ লগত ফেৰ মাৰিব নোৱাৰে।

টেক্সাছ প্ৰদেশত অৱস্থিত এই হিউষ্টন চহৰৰ পৰা আমি এবাৰ পাক মাৰি আহিছিলো। হিউষ্টন এখন চিমচাম অত্যাধুনিক নগৰ, কিন্তু ঠাইখনে মোৰ মনৰ ওপৰত বিশেষ ৰেখাপাত কৰিব নোৱাৰিলে। পুৰণিকলীয়া কিন্তু প্ৰাণবন্ত নিউ অৰ্লীয়েন্‌ছেই মোৰ মন মুহিলে। পিছে নিউ অৰ্লীয়েন্‌ছৰ ঐতিহাসিক স্থানবোৰত যিমান সময় অতিবাহিত কৰিব খুজিছিলো, সিমানখিনি কৰিবলৈ অপৰাগ হ'লো কিয়নো মোৰ লগৰীয়াকেইজনৰ মন-প্ৰাণ আকৰ্ষিত হৈছিল নিউ অৰ্লীয়েন্‌ছৰ বিখ্যাত নাইট ক্লাববিলাকৰ প্ৰতি। তাতে তেতিয়া সৰ্বত্ৰ বৰদিন, নৱবৰ্ষৰ আনন্দৰ উন্মাদনা, যাৰ দ্বাৰা সেই মায়াপুৰীত বিচৰণ কৰা কোনোৱে সংক্ৰামিত নোহোৱাকৈ থাকিব নোৱাৰে। বেটন ৰুজত লগ পোৱা মোৰ লগৰীয়া এই ল'ৰাকেইজন আছিল বিচ্ছৃংখল স্বভাৱৰ। তেওঁলোকৰ জীৱন-যাত্ৰা দেখি মই তবধ মানিছিলো। এদিন ৰাতি দুটামান বজাত খকমককৈ সাৰ পাই উঠি মই দেখিছিলো যে কেইজনমানে মদ্যপান কৰি আছে, কেইজনমানে বেঙেনা ভাজি আছে, আৰু কেইজনমানে ভিডিঅ'ত হিন্দী চিনেমা চাই আছে। পিছে ল'ৰা কেইজনমানৰ ব্যৱহাৰ বেছ আন্তৰিকতাপূৰ্ণ আছিল। তেওঁলোকলৈ মোৰ শুভেচ্ছা থাকিল।

নিউ অৰ্লীয়েন্‌ছৰ ঐতিহ্যমণ্ডিত French Quarters-ত মাজনিশা টহল দিয়াৰ দৰে মন পুলকিত কৰা অভিজ্ঞতা হ'ল, কিন্তু সময়ৰ অভাৱৰ বাবে এই চহৰৰ প্ৰত্যেক অলি-গলি, চুক-কোণৰ লগত যিদৰে মিতিৰালি কৰিবলৈ বিচাৰিছিলো, সেইদৰে কৰিবলৈ অক্ষম হ'লো। অৱশ্যে ইয়াত মোৰ আৰু এটা উল্লেখনীয় অভিজ্ঞতা হৈছিল, যিটোৰ কথা শুনি এক শ্ৰেণীৰ পাঠকে হয়তো নাক কোঁচাব।

মিছিছিপিৰ পাৰৰ এখন Mall (এক ধৰণৰ বজাৰ য'ত মানুহে ফুৰাচকাও কৰিব পাৰে) -অত মই এবিধ শিক-কাবাব খাইছিলো। সেই কাবাবৰ প্ৰধান উপাদান— কুম্ভীৰৰ (alligator) মাংস!

পৃথিৱীৰ ইম্মূৰৰ সেই অনন্য দাক্ষিণাত্যৰ বাবে বৰণীয়া অভিজ্ঞতা লাভ কৰি আমি যেতিয়া গৃহাভিমুখীয়া হ'লো, হঠাৎ ক'ৰবাৰ পৰা বলা এজাক দক্ষিণৰ বতাহে আমাক যেন বিদায় সম্ভাষণহে জনাইছিল।

# প্ৰবাসী ভাৰতীয়ৰ মানসিকতা

স্কুল আৰু কলেজৰ দিনত আমি ৰুপাৰ্ট ব্ৰুকৰ "The soldier" নামৰ এটা দেশপ্ৰেমমূলক কবিতা পঢ়িবলৈ পাইছিলো য'ৰ পৰা কেইফাকিমান ইয়াত উদ্ধৃতি দিলো ঃ

If I should die, think only this of me :
That there's some corner of a foreign field.
That is for ever England. There shall be-
In that rich earth a richer dust concealed.

সন্মুখীন হৈ ব্ৰুকৰ দৰে কোনোবা সৈনিক হিচাপে বিদেশত মৃত্যুৰ সম্ভাৱনাৰ সন্মুখীন হৈ ব্ৰুকৰ দৰে কোনোবা ভাৰতীয়ই দেশপ্ৰেমৰ দ্বাৰা এনেদৰে উদ্বেলিত আৰু উদ্বুদ্ধ হ'ব নে? মই ইংলেণ্ড আৰু আমেৰিকাৰ বহুতো প্ৰবাসী ভাৰতীয়ক লগ পাইছো। নিজৰ মাতৃভূমি ভাৰতবৰ্ষৰ প্ৰতি তেওঁলোকৰ অনুভূতি মিশ্ৰিত। গৰ্ব, আকুলতা, ক্ষোভ, বিতৃষ্ণা আৰু অপৰাধবোধে এই স্বনিৰ্বাসিতসকলৰ অন্তৰ থৌকি-বাথৌ কৰি ৰাখে। দুই এক ব্যক্তিক্ৰমৰ বাহিৰে বেছিভাগেই পশ্চিমীয়া দেশবোৰত এবাৰ বসতি স্থাপন কৰাৰ সুযোগ পালে একেবাৰে নিগাজি হৈ লয়। কিন্তু তাৰ নাগৰিকত্ব অৰ্জন কৰিয়েই যে তেওঁলোকে মাতৃভূমিৰ লগত যোগ-সূত্ৰ একেবাৰে ছেদ কৰি পেলায় সেইটো নহয়। এইটো ঠিক যে তাৰ বৈষয়িক আৰু বিলাসবহুল জীৱন-যাত্ৰাই তেওঁলোকৰ সত্তাবোৰক গ্ৰাস কৰি পেলায় আৰু তেওঁলোকৰ পক্ষে প্ৰকৃত অৰ্থত আধ্যাত্মিক বা আনকি সৰল-সহজ জীৱন যাপন কৰাত দুৰূহ হৈ পৰে। কিন্তু, ঐশ্বৰ্য্য-বৈভৱৰ প্ৰাচুৰ্য্যৰ মাজতো 'কিবা যেন নাই আজি নাই' এই ভাবটোৱে তেওঁলোকৰ মনত ধুমুহাৰ সৃষ্টি কৰে। শ্বেতাংগসকলৰ লগত ভাৰতীয় প্ৰবাসীসকলে অতি অন্তৰংগভাৱে মিলা-মিছা কৰিব নোৱাৰে। ইয়াৰ কাৰণ হ'ল ভাষা, সংস্কৃতি আৰু দৈনন্দিন আচাৰ-ব্যৱহাৰৰ প্ৰভেদ। তদুপৰি পশ্চিমৰ বহুতো দেশত বৰ্ণ-বৈষম্যবাদে গা কৰি উঠিছে— যাৰ ফলত স্থানীয় কিছুমান বাসিন্দাই বাহিৰৰ পৰা অহা ভগনীয়া আৰু প্ৰব্ৰজনকাৰীক ঘৃণা আৰু সন্দেহৰ চকুৰে চায়। এই সকলোৰে ফলত ভাৰতীয় প্ৰবাসীসকলে সেই 'নাই'ৰ বেদনা প্ৰশমিত কৰিবলৈ Nostalgia-ৰ শৰণাপন্ন হৈ পৰে। ভাৰতীয় সংগীত, ভাৰতীয় চিনেমাৰ ভিডিঅ', ভাৰতীয় আচাৰ অনুষ্ঠানেৰে



নিজকে পৰিবেষ্টিত কৰি তেওঁলোকে আমেৰিকা বা ইংলেণ্ড বা জাৰ্মানীৰ মাটিত একো একোখন ক্ষুদ্ৰ ভাৰত (Mini-India) নিৰ্মাণ কৰিবলৈ হাবিয়াস কৰে। আমেৰিকাত থাকোতে মোৰ অজয় সিংঘল নামৰ এজন বন্ধু আছিল যাৰ সৰু এপাৰ্টমেণ্টটো লতা মংগেশকৰ আৰু মহম্মদ ৰফিৰ গানৰ কেছেটেৰে ঠাহ খাই আছিল।

বহুত সময়ত ভাৰতীয় প্ৰবাসীসকলে তেওঁলোকে বসতি স্থাপন কৰা পশ্চিমীয়া দেশখনৰ আদব-কায়দা, আনকি কিছুমান নিয়ম-কানুনকো ইমান সমালোচনা আৰু তিৰস্কাৰ কৰা মই দেখিবলৈ পাইছিলো যে মই স্তম্ভিত হৈ এইদৰে ভাবিবলৈ বাধ্য হৈছিলো ঃ ইমান বেছি গণ্ডগোলীয়া দেশখনত তেওঁলোকে হাড় পেলোৱাৰ সিদ্ধান্ত লৈছে কিয়? মোৰ মনত উদয় হোৱা ভাব কিছুসংখ্যক ক্ষুব্ধ স্থানীয় বাসিন্দাৰ কণ্ঠতো প্ৰতিধ্বনিত হোৱা শুনিবলৈ পাইছিলো। যদি এইখন দেশ পছন্দ হোৱা নাই, গুচি গ'লেই হ'ল! দৰাচলতে কিন্তু ভাৰতীয় প্ৰবাসীয়ে নতুন দেশখনৰ জীৱন-যাত্ৰাৰ প্ৰতি যিমানখিনি বীতশ্ৰদ্ধা হোৱা যেন দেখুৱায়, সিমানখিনি নহয়। তেওঁলোকে তাৰ গাড়ী-ঘোঁৰা, খোৱা-বোৱা, থকা পিন্ধাৰ আৰামবোৰ খুবেই উপভোগ কৰে, কিন্তু মাতৃভূমিৰ সৰ্বসাধাৰণৰ চৰম দাৰিদ্ৰ্য বা কিছুমান আত্মীয় স্বজনৰো ক্লেশকৰ জীৱনৰ কথা মনত পেলাই বিবেকৰ দংশন অনুভৱ কৰে। সেই মুহূৰ্তবোৰত ধনী 'মাক'জনীক গালি-গালাজ পাৰি দেশান্তৰ হোৱাৰ অপৰাধবোধে কিছু লাঘব কৰে আৰু এৰি অহা দুখীয়া 'মাক'জনীৰ প্ৰতি কিবা এটা দায়িত্ব পালন কৰাৰ দৰে পায়।

সকলো সময়তে যে তেওঁলোকে কেৱল নতুন বাসভূমিৰ বিৰুদ্ধেহে বিষোদ্গাৰ কৰে এনে নহয়। বহুতো ভাৰতীয় প্ৰবাসীয়ে ভাৰতৰ জীৱনৰে বহুতো দিশৰ তীব্ৰ সমালোচনা কৰে। এনে ধৰণৰ সমালোচনা গঠনমূলক সমালোচনা নে সাধাৰণ বিষোদ্গাৰ? দেশলৈ দুদিনমানৰ বাবে আহি এই 'দেশোৱালী'সকলে দেশক জাউৰিয়ে জাউৰিয়ে গালি পৰাৰ অন্তৰালতো এটা মনস্তাত্বিক ব্যাখ্যা আছে। বিদেশত চিৰস্থায়ীভাৱে থাকিবলৈ নিজৰ দুখীয়া দেশৰ তাকৰীয়া ধনেৰে নিজকে যোগ্য আৰু প্ৰস্তুত কৰাৰ ফলত বহুতৰে বিবেক দংশন হয়, অপৰাধবোধৰ উদ্ৰেক হয়। কিন্তু তেওঁলোকে নিজকে (আৰু আনকো) পতিয়ন নিয়াব লাগিব যে দেশত্যাগ কৰি তেওঁলোকে কোনো অপৰাধ কৰা নাই। সেইটো প্ৰতিপন্ন কৰা সম্ভৱ যদিহে তেওঁলোকে প্ৰমাণ কৰিবলৈ সক্ষম হয় যে যিখন দেশৰ বান্ধোন ছিঙি তেওঁলোক গুচি গৈছে, সেইখন সভ্য ভদ্ৰ মানুহৰ বসবাসৰ বাবে অযোগ্য। ইয়াৰ বাবেই সেই গালিবৰ্ষণ বা বিষোদ্গাৰ।

Brain Drain আমাৰ দৰে নিঃকিন দেশৰ বাবে এটা ডাঙৰ সমস্যা। প্ৰবাসী ভাৰতীয়ই নিজৰ মাতৃভূমিৰ বাবে Nostalgia অনুভৱ কৰক বা সেই মাতৃভূমিৰ

প্ৰতি অৱজ্ঞাৰ ভাবেই পোষণ কৰক, এইটো অনস্বীকাৰ্য যে প্ৰতি বছৰে হাজাৰ হাজাৰ মেধাৱী ভাৰতীয়ই মাতৃভূমিৰ পৰা (এক প্ৰকাৰে) শেষ বিদায় লয়। এই দেশৰ আহ্বান যদি আকৰ্ষণীয় কৰিব পৰা নাযায়, এই ট্ৰেজেডীৰ কেতিয়াও অন্ত নপৰিব।

Brain Drain-ৰ বিষয়টো আমাৰ দেশৰ বাবে অৰ্থনৈতিক দিশৰ পৰা (আৰু হয়তো সামাজিক দিশৰ পৰাও) এটা ট্ৰেজেডী। কিন্তু 'ভাৰতীয় প্ৰবাসীৰ মানসিকতা' এই সমস্ত বিষয়টো মোৰ বাবে এক ধৰণৰ ট্ৰেজি-কমেডী। তাত থকা ভাৰতীয়ই আপ্ৰাণ চেষ্টা কৰে যে মাতৃভূমিৰ লগত যোগসূত্ৰডাল ছিঙি নাযায়। তেওঁলোকে হয়তো আমাৰ শাস্ত্ৰ আৰু ধ্ৰুপদী সাহিত্য উদ্‌ঘাটন কৰি ল'ৰাৰ নাম দিয়ে বব্ৰুবাহন, কিন্তু ল'ৰাই চমুৱাই তাক কৰে 'বব' (Bob)। তেওঁলোকে হেঁপাহ কৰে যে তেওঁলোকৰ পুত্ৰ-পুত্ৰীয়ে কোনো ভাৰতীয়ৰ লগত বিবাহ পাশত আবদ্ধ হওক, আৰু সেই মানসেৰে তেওঁলোকে দেশৰ আত্মীয়ৰ লগত যোগাযোগ কৰে। কিন্তু তেওঁলোকৰ সপোন ধূলিসাৎ কৰি পুত্ৰ-পুত্ৰীয়ে হঠাতে উপহাৰ দিয়ে এগৰাকী শ্বেতাংগ, কৃষ্ণাংগ বা Hisparic জোঁৱাই বা বোৱাৰী।

ভাৰতী মুখাৰ্জীৰ দৰে লেখিকাই প্ৰবাসী আৰু প্ৰব্ৰজনকাৰীৰ সুখ-দুখ, হাঁহি-কান্দোনৰ অনবদ্য চিত্ৰ দাঙি ধৰিছে তেওঁৰ উপন্যাস আৰু গল্পবোৰত। প্ৰবাসীৰ নানা ধৰণৰ অন্তৰ্দ্বন্দ্ব হৃদয়ংগম কৰিবলৈ হ'লে পাঠকে তেওঁৰ Jasmine নামৰ উপন্যাস, The Middleman and other Stories আদি সংকলন পঢ়ি চাব পাৰে। Jasmine নামৰ উপন্যাসখনত সেই নামৰে নায়িকাই নানা ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি সপোনৰ দেশ আমেৰিকা পায়গৈ। ভাৰতত তেওঁ বিপৰ্যয়ৰ সন্মুখীন হৈছিল, কিয়নো তেওঁৰ পতিক শিখ উগ্ৰবাদীয়ে হত্যা কৰিছিল। কিন্তু আমেৰিকায়ো তেওঁক প্ৰথমতে মধুৰ সম্ভাষণ নজনালে। সেই দেশত গোপনে অনুপ্ৰৱেশ কৰাত সহায় কৰা মানুহ এটাই জেছমিনক বলাৎকাৰ কৰিলে। কিন্তু তেওঁ দয়ালু মানুহৰ সান্নিধ্যলৈয়ো আহিল আৰু ক্ৰমান্বয়ে নিজকে আমেৰিকাৰ জীৱন-যাত্ৰাৰ লগত খাপ খুৱাই ল'লে। নিউয়ৰ্ক মহানগৰীত বহুত দিন কটোৱাৰ পিছত তেওঁ হঠাতে গিৰিয়েকৰ হত্যাকাৰীজনক দেখিবলৈ পাই সেই নগৰীৰ পৰা প্ৰস্থান কৰিলে। ইয়াৰ পিছত তেওঁ মধ্য-পশ্চিমৰ (Mid-West) Iowa city-ত থাকিবলৈ ল'লে আৰু ইয়াতে তেওঁৰ বাড নামৰ এজন ভদ্ৰলোকৰ লগত নিবিড় সম্পৰ্ক গঢ়ি উঠিল। আনকি বাডক কোনোবাই গুলীয়াই বিকলাংগ কৰাৰ পিছতো জেছমিনে তেওঁৰ লগত সহবাস কৰি তেওঁৰ কেঁচুৱাৰ মাতৃ হ'বলৈ সন্মত হ'ল। অৱশ্যে মধ্য-পশ্চিমত থাকি থাকি জেছমিন অস্থিৰ হ'বলৈ ধৰিলে আৰু অনুভৱ কৰিলে যেন তেওঁক 'পশ্চিমে', অৰ্থাৎ চহকী, নানা সুযোগ-সুবিধাৰে পৰিপূৰ্ণ ৰাজ্য কালিফ'ৰ্নিয়াই



তেওঁক হাত-বাউলি দি মাতিছে। হঠাতে নিউয়ৰ্কৰ পৰা আহি ওলাল টেইলৰ, যাৰ পৰিয়ালৰ লগত জেছমিনে প্ৰথমতে থাকিছিল। টেইলৰৰ প্ৰেম নিবেদনৰ ফলত আৰু 'পশ্চিম'ৰ আহ্বানত উতলা হৈ জেছমিনে বিকলাংগ বাডক নিঃসংগতাৰ গহ্বৰলৈ ঠেলি দি পশ্চিমৰ দিগন্তলৈ ভাগ্য অন্বেষণত ৰওণা হ'ল।

বেছিভাগ ভাৰতীয়ৰ বাবে জেছমিনৰ এই সিদ্ধান্ত দুৰ্বোধ্য বা অমানৱীয় যেন লাগিব পাৰে। কিন্তু ব্যক্তি স্বাধীনতাক সকলোৰে উৰ্ধৱত ৰখা সেই দেশৰ বাবে এই সিদ্ধান্ত নিতান্তই স্বাভাৱিক। এইটো উল্লেখ কৰিব লাগিব যে বাডক এৰি টেইলৰৰ লগত গুচি যাওঁতে জেছমিনে অন্তৰ্দ্বন্দ্বৰ সন্মুখীন হৈছিল, কিন্তু যোৱাৰ পৰা তেওঁ বিৰত নহ'ল। গতিকে ভাৰতী মুখাৰ্জীৰ এই উপন্যাসৰ শেষাংশত ভাৰতীয় প্ৰবাসীৰ ব্যক্তিস্বাতন্ত্ৰ্যবাদী আৰু সুযোগসন্ধানী মানসিকতা অতি সুন্দৰভাৱে প্ৰতিবিম্বিত হৈছে।

## লেখকৰ পুৰস্কাৰৰ জগত আজি মেঘাচ্ছন্ন

টনি মৰিচনৰ উপন্যাস Beloved-ৰ সম্পৰ্কে এজন সমালোচকে এইদৰে লিখিছে ঃ "Beloved হ'ল বজ্ৰৰ আখৰে খোদিত ইতিহাস..... ই হ'ল আত্মাক মহীয়ান কৰি তোলা এক সনাতন সৃষ্টি।" আন এজনে লিখিছে ঃ "Beloved উপন্যাসখনৰ এক বিধ মহত্ত্ব আছে— ইয়াত দেখিবলৈ পাওঁ নানা মানৱৰ কণ্ঠধ্বনি, ই হ'ল অতি সচেতনভাৱে উচ্চখাপৰ; ই এক চৰম পীড়াৰে পীড়িত, কিন্তু ইয়াৰ সত্য অনস্বীকাৰ্য্য। ই আপোনাৰ অন্তৰ্ভেদ কৰে।"

আজিৰ লেখকে এনে ধৰণৰ আৱেগ-উচ্ছ্বসিত প্ৰশংসা পঢ়িবলৈ পাই নিশ্চয় পুলকিত হয়। টনি মৰিচনৰ দৰে লেখকৰ অৱস্থাৰ লগত আগৰ লেখকসকলৰ অৱস্থাৰ তুলনা কৰিলে এই বিষয়ত সমাজে কিমান অগ্ৰগতি লাভ কৰিছে সেই বিষয়ে জানিবলৈ পাওঁ। লিখিত প্ৰশংসাৰ বাহিৰেও মৰিচনে নোবেল বঁটা লাভ কৰাৰ ফলত আৰ্থিকভাৱেও পৰম লাভবান হৈছে। আমাৰ নিজৰ দেশৰে বিক্ৰম ছেঠে তেওঁৰ The Suitable Boy নামৰ উপন্যাসখনৰ বাবে ২ কোটি টকা প্ৰকাশকসকলৰ পৰা আগধন হিচাপে পাইছে। কিছু পৰিমাণে জনপ্ৰিয় প্ৰায় সকলো চিৰিয়াচ লেখকেই ৰাজকীয়ভাৱে প্ৰকাশকৰ পৰা "ৰয়েলটি" পায়।

লেখকসকলৰ প্ৰতি প্ৰকাশক বা পাঠকৰ বদান্যতা সদায় দেখিব পোৱা নগৈছিল। মিল্টন আৰু কীট্ছৰ দৰে মহান লেখকৰ দুৰৱস্থাৰ কথা মনত ৰখা উচিত। Paradise Lost নামৰ মহাকাব্যখনৰ বাবে মিল্টনে পাইছিল মাত্ৰ পাঁচ পাউণ্ড! কীট্ছে গোটেই জীৱন একধৰণৰ দীনতাত ভুগি অৱশেষত যক্ষ্মাৰোগত মৃত্যুবৰণ কৰিলে। আৰ্থিকভাৱে স্বচ্ছল হ'লে তেওঁৰ দুখ-কষ্টৰ বহুখিনি উপশম হ'লহেঁতেন। দেশ আৰু সমাজৰ প্ৰতি তেওঁলোকৰ দায়বদ্ধতা থকা সত্ত্বেও মিল্টন আৰু কীট্ছ্ বিশেষকৈ প্ৰথমজন সৰ্বসাধাৰণৰ জীৱনৰ পৰা কিছু পৰিমাণে আঁতৰি থকা বিদ্ৰোহী স্বভাৱৰ ব্যক্তি আছিল। অনুমান হয় যে এনে বিদ্ৰোহী স্বভাৱৰ বা নিজস্ব দৃষ্টিভংগী আপোচহীনভাৱে পোষণ কৰা লোকতকৈ সমাজৰ মুখপাত্ৰ-স্বৰূপ লেখকসকলহে সাধাৰণতে প্ৰশংসিত আৰু পুৰস্কৃত হয়। চাৰ্লছ্ ডিকেন্ছ্ আৰু এন্থনী ট্ৰলপ্‌ছৰ দৰে



লেখকে তেওঁলোকৰ সামাজিক সমালোচনা এনে এক গ্ৰহণযোগ্য কথন-ভংগীৰে আগবঢ়াইছিল যে তেওঁলোকে জনসাধাৰণৰ শলাগ পৰ্য্যাপ্ত পৰিমাণে পাইছিল, আৰু তেওঁলোকক ইংৰাজ সমাজৰ মুখপাত্ৰ হিচাপেই বিবেচনা কৰা হৈছিল।

কিছুকালৰ বাবে এনে লাগিছিল যে আধুনিক লেখকে মিল্টনৰ দৰে জনগণৰ অপ্ৰিয়ভাজন, আপোচবিহীন লেখকৰ পথহে অনুসৰণ কৰিবলগীয়া হ'ব, ডিকেন্ছ্ আৰু ট্ৰলপছৰ দৰে জনপ্ৰিয়, সমাজৰ ৰীতি-নীতিৰ লগত নিজকে খাপ খুৱাই লোৱা লেখকৰ নহয়। বহুত দিনৰ বাবে ফ্ৰাঞ্জ কাফকাই আছিল আধুনিকতাৰ যথাৰ্থ প্ৰতিনিধি। পথভ্ৰান্ত আৰু নিঃসংগ কাফকা, যি নিজৰ এখনো উল্লেখযোগ্য গ্ৰন্থ প্ৰকাশিত হোৱা দেখা নোপোৱাকৈয়ে এই পৃথিৱী এৰি গুচি যাবলগীয়া হ'ল। সৌভাগ্যক্ৰমে বৰ্তমানৰ লেখকসকলে সমাজৰ নানা ভুল-ক্ৰটি আঙুলিয়াই দি সমাজৰ তীব্ৰ সমালোচনা কৰিও মূল সুঁতিৰ পৰা বিচ্ছিন্ন হৈ যাবলগীয়া হোৱা নাই। মাৰ্কুৱেজ, কুণ্ডেৰা আৰু মৰিচনৰ লেখনীত হয়তো কাফকাৰ প্ৰভাৱ বা ছাঁ দেখিবলৈ পোৱা যায়, কিন্তু এনে ধৰণৰ প্ৰভাৱে এই নতুন লেখককেইজনক পাঠকৰ পৰা দূৰলৈ ঠেলি পঠিওৱা নাই। মিল্টনৰ দৰে এই লেখকসকলো উপযুক্ত, সহানুভূতিশীল পাঠক বা শ্ৰোতাৰ সন্ধানত, কিন্তু তেওঁলোকৰ সৌভাগ্য এয়ে যে তেনে ধৰণৰ পাঠক বা শ্ৰোতাৰ সংখ্যা মিল্টনৰ সময়ৰ দৰে তাকৰীয়া নহয়। আগতে সমাজ বা নিজৰ সম্প্ৰদায়ৰ অনুভূতি বা বিশ্বাসক কিবা প্ৰকাৰে আঘাট হানিলে লেখকসকল আৰ্থিক আৰু শাৰীৰিকভাৱেও বিপদাপন্ন হৈছিল। এতিয়া কিন্তু সমগ্ৰ পৃথিৱীতে আধিপত্য বিস্তাৰ কৰি থকা "সম্প্ৰদায়টোক,", অৰ্থাৎ পশ্চিমীয়া জগতখনক বুঢ়া আঙুলি দেখায়ো নানান ধৰণৰ সন্মান আৰু ঐশ্বৰ্য্য-বৈভৱ অৰ্জন কৰিব পাৰি। ১৯০৭ চনত লিও টলষ্টয়ৰ দৰে লেখকৰ যোগ্যতা আওকাণ কৰি ঔপনিবেশিক-তাবাদৰ বিজয় গান গোৱা লেখক ৰুডয়াৰ্ড কিপলিঙক সাহিত্যৰ নোবেল বঁটা দিয়া হৈছিল। বহুতৰ বাবে এইটো সন্তোষৰ কথা যে কিছু বছৰ ধৰি কেৱল প্ৰাক্তন উপনিবেশবোৰৰ নাগৰিকসকল, নব্য-ঔপনিবেশিকতাবাদৰ বিৰোধীসকল, আৰু ঔপনিবেশিক দেশবিলাকৰ কাৰ্য্য-কলাপত ভুক্তভোগীসকলেই যেন সাহিত্যৰ নোবেল বঁটাৰ ওপৰত একচেটিয়া দখল সাব্যস্ত কৰিছে। আনহাতে লেখকসকলৰ যি অভূতপূৰ্বভাৱে সমাদৰ কৰা হৈছে, তাৰ আনন্দ কিছু ম্লান কৰিছে নানা প্ৰকাৰে সেই লেখকসকলকে অত্যাচাৰ আৰু দমন কৰা কাৰ্য্যই। কীট্ছক নিষ্ঠুৰভাৱে সমালোচনা আৰু তিৰস্কাৰ কৰাৰ আগতে সেই সমালোচকসকলে অন্ততঃ তেওঁৰ কবিতা পঢ়ি লৈছিল। আজিৰ লেখকৰ অভিনৱ দুৰ্দশা এয়েই যে তেওঁলোকক এনে কিছুমান লোকে দমন-পীড়ন কৰি বাকৰুদ্ধ কৰিব বিচাৰে যাৰ হয়তো তেওঁলোকৰ লেখনীৰ লগত কোনো পৰিচয়ে নাই। আধুনিক জীৱনৰ এটা ত্ৰাসকাৰী দিশ হ'ল

কিছুমান অদৃষ্ট শক্তিৰ সন্মুখত মানুহৰ অসহায় অৱস্থা। যি বিশাল আৰু নৈৰ্ব্যক্তিক সমাজত আমি বাস কৰোঁ তাত আমাৰ কাম-কাজৰ কি ফলাফল হ'ব পাৰে, বা ক'ত কি ধৰণৰ প্ৰতিক্ৰিয়া হ'ব পাৰে তাক কোৱা টান। আমি যেতিয়া লেখকৰ পুৰস্কাৰৰ বিষয়ে আলোচনা কৰোঁ তেতিয়া আমি লেখকৰ দায়বদ্ধতাৰ কথাও ভাবোঁ। এয়া হ'ল লেখক আৰু সমাজৰ মাজত এক লেন-দেন, যিটো উৎকৃষ্ট সাহিত্য সৃষ্টিৰ বাবে একান্ত প্ৰয়োজনীয়। কিন্তু যেতিয়া চালমান ৰাছ্‌দি বা তছলিমা নাচৰীণৰ দৰে লেখক-লেখিকাৰ সাহিত্যই কিছুমান মানুহৰ হিংসাত্মক প্ৰবৃত্তিৰ উদ্গিৰণ ঘটায়, তেতিয়া উৎকৃষ্ট সাহিত্যৰ বাবে পৰিবেশ প্ৰতিকূল হৈ পৰে। লেখক আৰু তেওঁৰ সম্প্ৰদায়ৰ মাজৰ সম্পৰ্ক আদৰ্শ স্তৰ নোপোৱালৈকে লেখকে তেওঁৰ ভিতৰত উমি উমি জ্বলি থকা ৰোষৰ বহিৰ্প্ৰকাশ কৰিব লাগিব। তেওঁলোকৰ এই কেথাৰটিক (Cathartic) কাৰ্য্যই সমাজক অপৰাধবোধ আৰু শংকাৰ পৰা মুক্ত হোৱাত সহায় কৰিব।



# সাহিত্য আৰু সত্য

সেইদিনা এজন বন্ধুৱে পৰম বিতৃষ্ণাৰে ক'লে— তৎক্ষণাত মুখৰ পৰা সঁচা কথা এটা ওলাই গ'ল, পিছে সঁচা কথা কোৱাৰ মজা পালো। মিছা কথা এষাৰ কোৱা হ'লেই ভাল আছিল।

বন্ধুৱেনো কি সত্যৰ পৰাকাষ্ঠা দেখুৱাইছিল, আৰু তাৰ ফলত তেওঁ কি গুৰুতৰ শাস্তি ভুগিবলগীয়া হ'ল, সেই বিষয়ে বিতংভাৱে কোৱাৰ প্ৰয়োজন নাই। কিন্তু তেওঁৰ অজ্ঞতাই মোক চিন্তা কৰিবলৈ বাধ্য কৰিলে— নিজৰ ক্ষতি হোৱাৰ সম্ভাৱনা থাকিলেও সত্য ভাষণ কৰাৰ কিবা বাধ্য-বাধকতা আছে নেকি? অৱশ্যেই তেনে বাধ্য-বাধকতা নিজৰ বিবেকৰ তাড়নাত সৃষ্টি হ'ব লাগিব। কিন্তু যাৰ বিবেকেই নাই সি কি কৰিব? বা এই লুক-ঢাক, ফাঁকি-ফুকা, ঠগবাজীৰ যুগত বিবেকবান হোৱাটো কেনেকৈ সম্ভৱ?

কোনো এক ভাল কাম কৰিবলৈ, বা মানসিক উৎকৰ্ষ সাধন কৰিবলৈ আমি মহৎ, সনাতন কলাত্মক সৃষ্টিৰ পৰা অনুপ্ৰেৰণা বিচাৰোঁ। লাভ-লোকচানৰ কথা বিবেচনা নকৰাকৈ সত্যৰ আশ্ৰয় লোৱা— truth for truth's sake, —এই বিষয়ে আলোচনা কৰিবলৈ ওলালে বিশ্ব সাহিত্যৰ পৰা বহুতো নজিৰেই বিচাৰি উলিয়াব পাৰি, কিন্তু এই মুহূৰ্তত মোৰ তিনিখন ৰচনা মনলৈ আহিছে। সেইকেইখন হ'ল শ্বেক্‌ছ্‌পীয়েৰৰ 'কিং লীয়েৰ', টমাচ হাৰ্ডীৰ Tess of the D'Ubervilles, আৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ 'শ্যামা'।

শ্বেক্‌ছ্‌পীয়েৰৰ 'কিং লীয়েৰ' জটিল সামাজিক, ৰাজনৈতিক আৰু আধ্যাত্মিক তাৎপৰ্য্যৰে সমৃদ্ধ, আৰু এইবোৰ দিশ সমালোচকসকলে ভালদৰেই চালি-জাৰি চাইছে। কিন্তু এই নাটখন সাধাৰণ মানৱীয়তাৰো চৰম অভিব্যক্তি, যাৰ বাবে ই এখন কালান্তৰ ৰচনা হিচাপে পৰিগণিত হৈছে। 'কিং লীয়েৰ'খন কিয় স্মৰণীয়, এই প্ৰশ্নৰ উত্তৰ বিভিন্নজনে বিভিন্ন ধৰণে দিব, কিন্তু বহুতো পাঠকৰ বাবে নাটখনৰ সবাতোতকৈ মৰ্মস্পৰ্শী মুহূৰ্ত হ'ল সেইটো, যেতিয়া বাপেকৰ অযুক্তিকৰ, স্বৈৰাচাৰী দাবীৰ মুখামুখি হৈ জীয়েক কৰ্ডেলিয়াই ক'লে—

Unhappy that I am,
I cannot heave
My heart into my mouth.

এইযাৰি কথা শুনাৰ পিছত লীয়েৰে কৰ্ডেলিয়াক তেওঁৰ ৰাজ্যৰ পৰা বহিষ্কাৰ কৰিলে আৰু তেওঁৰ এই হঠকাৰী কাৰ্য্যৰ ফল স্বৰূপে নাটকখন ট্ৰেজিক পৰিসমাপ্তিৰ পিনে আগবাঢ়ে। অৰ্থাৎ, ক'ব পাৰি যে কৰ্ডেলিয়াৰ সত্য ভাষণ আছিল কাহিনীৰ কেন্দ্ৰীয় ঘটনা— বাকী যিবোৰ ঘটনা সংঘটিত হ'ল সেইবোৰৰ সূত্ৰপাত হ'ল এই বিখ্যাত উক্তিৰ ফলতেই।

কৰ্ডেলিয়াইনো কি অপৰাধ কৰিছিল? বায়েক গনেৰিল আৰু ৰেগানৰ দৰে ঐশ্বৰ্য্য আৰু সম্পত্তিৰ লোভত বাপেকক ভালৰি নোবোলাই নিজৰ অন্তৰৰ অতিৰঞ্জনৰ ৰহনেৰে সস্তীয়া ৰূপত দাঙি নধৰি তেওঁ সৎ আৰু মাৰ্জিতভাৱে বাপেকৰ প্ৰতি তেওঁৰ ভাল পোৱা নিবেদন কৰিছিল—

I love your Majesty
According to my bond, no more nor less.

এতিয়া আমি তিনি শতিকাতকৈয়ো বেছি অতিক্ৰম কৰি আহোঁ ভিক্টোৰিয়ান ইংলেণ্ডলৈ। Tess of the D'Ubervilles-ত টমাচ হাৰ্ডীয়ে সেই যুগৰ, সেই সমাজৰ কঠোৰ, ক্ষমাহীন আৰু ভণ্ড স্বৰূপটো উদঙাই দিছে। টেছ এজনী সাধাৰণ ঘৰৰ ছোৱালী, কিন্তু তাই সুন্দৰী, মমতাময়ী, আৰু গভীৰ অনুভূতি সম্পন্না। কুমাৰী কালৰ এটা অসতৰ্ক মুহূৰ্তত তাই নিজৰ কুমাৰীত্ব হেৰুৱায়, যেতিয়া এলেক নামৰ মানুহজনে তাইক প্ৰায় বলাৎকাৰ কৰে। ইয়াৰ ফলত তাইৰ এটা সন্তান জন্ম হয়। ভিক্টোৰিয়ান যুগৰ আন এখন উল্লেখযোগ্য গ্ৰন্থ জৰ্জ এলিয়টৰ Adam Bede-ৰ হেটী চৰেলে নিজৰ অবৈধ সন্তানক মাৰি পেলাইছিল, কিন্তু টেছে নিজৰ 'পাপ কাৰ্য্য' গোপন কৰাৰ তেনে কোনো প্ৰচেষ্টা নকৰি কেঁচুৱাটো অকালতে বেমাৰ হৈ নমৰালৈকে তাক লালন-পালন কৰিলে। ইয়াৰ ফলত টেছ সমাজৰ নানা তিৰস্কাৰ আৰু লাঞ্চনা-গৰিহণাৰ সন্মুখীন হ'বলগীয়া হ'ল। তাৰ কিছু পিছত টেছ এঞ্জেল নামৰ এজন কুসংস্কাৰমুক্ত, উদাৰ আৰু স্বাধীনচিতীয়া যুৱকৰ সংস্পৰ্শলৈ আহি তেওঁৰ প্ৰেমত পৰিল। এঞ্জেলে যেতিয়া টেছক বিবাহৰ প্ৰস্তাৱ দিলে, তেতিয়া টেছে তাইৰ 'কলংকময়ী' অতীতৰ বিষয়ে এঞ্জেলক অৱগত কৰাটো সমীচীন বুলি ভাবিলে। তাইৰ এই সিদ্ধান্ত দৃঢ়তৰ হ'ল যেতিয়া বিয়াৰ ঠিক পিছতে এঞ্জেলেও স্বীকাৰোক্তি কৰিলে যে এবাৰ এগৰাকী মহিলাৰ লগত তেওঁৰ দৈহিক সম্পৰ্ক ঘটিছিল। এই স্বীকাৰোক্তি শুনাৰ পিছত টেছে যে নিজেও অৱস্থাৰ বিপাকত পৰি এটা অবৈধ সন্তানৰ মাতৃ হৈছিল সেই বিষয়ে এঞ্জেলক জনালে।

এইবাৰ আমি শেষ উদাহৰণটোলৈ আহোঁ।

ৰবীন্দ্ৰনাথৰ 'শ্যামা'ত নায়িকা শ্যামাই প্ৰেমিক ব্ৰজসেনক মৃত্যুৰ পৰা বচাবলৈ



উত্তীয় নামৰ যুৱকজনক বজ্ৰসেনৰ দোষটো গাত পাতি ল'বলৈ অনুৰোধ কৰে। শ্যামাৰ প্ৰেমত অন্ধ হৈ উত্তীয়ই ''ন্যায় অন্যায় জানিনে শুধু তোমাৰে জানি'' বুলি নিজৰ প্ৰাণৰ লগতে সত্যৰো আহুতি দিলে। ইয়াৰ পিছত শ্যামা বজ্ৰসেনৰ লগত বিবাহপাশত আবদ্ধ হ'ল, কিন্তু বজ্ৰসেনে তেওঁৰ মুক্তি কিদৰে সম্ভৱ হ'ল সেই কথাৰ উত্তৰ জানিবলৈ বিচাৰিলে। সকলো কথা তেওঁ খুলি ক'ব, নে এজন নিৰপৰাধ মানুহক মৃত্যু মুখলৈ ঠেলি পঠোৱাৰ দৰে গৰ্হিত কাৰ্য্যৰ কথা গোপন কৰি ৰাখিব এই বিষয়ে শ্যামাৰ মনত প্ৰচণ্ড অন্তৰ্দ্বন্দ্ব হ'বলৈ ধৰিলে। এনেকি সখীসকলেও তেওঁক মিছা ক'বলৈ উচটাবলৈ ধৰিলে— ''সখী, তুই নীৰবে থাকিস,/তোৰ প্ৰেমেৰ যে কাঁটা। আপন বুকে বিধিয়ে ৰাখিস।'' অৱশেষত সত্যৰে জয় হ'ল আৰু শ্যামাই সকলো কথা বজ্ৰসেনক জনালে।

তিনিখন ৰচনাৰ নায়িকাসকলে কৰা সত্য ভাষণৰ মৰ্মন্তুদ পৰিণতিৰ কথা এতিয়া কওঁ। বায়েককেইগৰাকীৰ তুলনাত কৰ্ডেলিয়াৰ বাকপটুতা নিস্তেজ হোৱাৰ বাবে, আৰু তেওঁৰ ভাল পোৱা নীৰৱ হোৱাৰ বাবে কৰ্ডেলিয়া বাপেক লীয়েৰৰ ক্ৰোধৰ বলি হয়। লীয়েৰে নুমলীয়া জীয়েকক ৰাজ্যৰ পৰা বহিষ্কাৰ কৰে আৰু এই কাৰ্য্যৰে শেষ পৰিণাম হিচাপে কৰ্ডেলিয়াৰ মৃত্যু হ'ল। হাৰ্ডীৰ উপন্যাসত টেছে অকপটভাৱে তেওঁৰ অতীত এঞ্জেলৰ সন্মুখত উন্মোচন কৰি দিয়া বাবে এঞ্জেলে (অপ্ৰত্যাশিতভাৱে) টেছক তেওঁৰ পত্নীৰ মৰ্যাদা দিবলৈ অমান্তি হয়। প্ৰথমতে এজন সংস্কাৰমুক্ত উদাৰ পন্থী হিচাপে আত্মপ্ৰকাশ কৰা এঞ্জেল অৱশেষত গোড়া, নিষ্ঠুৰ, আৰু পুৰণিকলীয়া ৰীতি-নীতিৰ দাস হিচাপে পৰিগণিত হয়। কাহিনীৰ শেষৰ পিনে এঞ্জেলে নিজৰ ভুল উপলব্ধি কৰি টেছক পুনৰায় গ্ৰহণ কৰিবলৈ বিচাৰে, কিন্তু নিজৰ দুঃস্থ পৰিয়ালবৰ্গক সহায় কৰিবলৈ টেছে ইতিমধ্যেই তেওঁৰ ধৰ্ষণকাৰী এলেকক বিবাহ কৰায়। এঞ্জেলৰ হৃদয়ৰ পৰিৱৰ্তন দেখি, আৰু তেওঁৰ লগত পুনৰ্মিলনৰ পথত এলেকক কণ্টক হিচাপে গণ্য কৰি টেছে এলেকক হত্যা কৰে। ইয়াৰ ফলত টেছক ফাঁচী দিয়া হয়। হাৰ্ডীৰ ভাষাত ক'বলৈ হ'লে, "The President of the Immortals, in Aeschylean Phraje, had ended his sport with Tess."

শ্যামাই সত্য ভাষণ কৰি বজ্ৰসেনৰ তেওঁৰ প্ৰতি গভীৰ প্ৰেম থকা সত্ত্বেও ক্ষমা আদায় কৰিব নোৱাৰিলে। ''পাপিষ্ঠা'' বুলি বজ্ৰসেনে শ্যামাক নিজৰ জীৱনৰ পৰা বিতাৰিত কৰিলে। শ্যামাৰ সহস্ৰ প্ৰাৰ্থনা, অনুনয়-বিনয়, যুক্তিৰে (তেওঁ যে বজ্ৰসেনৰ ওচৰত নহয়, বিধাতাৰ ওচৰতহে দায়ী) বজ্ৰসেনৰ মন গলাব নোৱাৰিলে আৰু সৰ্বশেষত চৰম দুখৰ পৰিবেশত শ্যামাৰ জীৱনৰ অৱসান হয়।

মই বিশ্ব সাহিত্যৰ এনে কিছুমান উদাহৰণ দাঙি ধৰিছো য'ত সত্যবাদিনী হোৱা

বাবে তিনিগৰাকী নায়িকাই চৰম মূল্য দিবলগীয়াত পৰে। আমি এই কাহিনীবো
পৰা কি শিক্ষা আহৰণ কৰিব পাৰোঁ? কথা গোপন নকৰাৰ ফলত তীব্ৰ যাতনা আ
অৱশেষত মৃত্যুৰ সন্মুখীন হোৱা এই চৰিত্ৰবোৰক সাধাৰণ মানুহে অনুকৰণ ক
বুলি কি দৰে আশা কৰিব পাৰো?

কেইমুঠিমান মানুহেও যদি সত্যৰ দোহাইত জীৱনৰ কিছুমান আপুৰুগীয়া স
জলাঞ্জলি দিবলৈ প্ৰস্তুত হয়, তেতিয়াহ'লে সভ্যতাৰ আত্মা অবিনাশ হৈ থাকি
মহৎ কলাই আমাক সংকীৰ্ণ মনোবৃত্তিৰ পৰা উত্তৰণ কৰিবলৈ যদি কদাচিতো উ
কৰে, সিয়ো এক উল্লেখনীয় নৈতিক বিজয় হ'ব।

অৱশ্যে আজিৰ বৈষয়িক, অৰ্থলোভত মতলীয়া পৃথিৱীৰ বাসিন্দাসকলক নি
ক্ষতি সাধন কৰি সত্যৰ জয়গান গাবলৈ পতিয়ন নিওৱাটো বৰ সহজ নহ'ব। কি
এইটো জানো এটা সৰ্বজনস্বীকৃত সত্য নহয় যে জীৱনৰ মাধুৰ্য্য আৰু আন
স্খলন হৈছে? ইয়াৰ এটা কাৰণ এয়া নহয় জানো যে আমাৰ দৈনন্দিন জীৱনৰ না
ঘাত-প্ৰতিঘাত, সংঘাতৰ প্ৰথম বলি হয় সত্য? সত্যৰ বাবে নিজৰ প্ৰাণ বলি দি
কথা যদি কোনোবাই হৃদয় স্পৰ্শ কৰাকৈ বৰ্ণায়, সেয়া পঢ়ি আমি ক্ষন্তেকৰ বাবে
হ'লেও জানো একো একোজন নিষ্ঠাবান নাগৰিক হৈ পৰাৰ সম্ভাৱনা নাথাকে?



# সাহিত্য আৰু মৃত্যু

সাধাৰণ লোকে এটা বিষয়ৰ পৰা পৰাপক্ষত আঁতৰি থাকিবলৈ বিচাৰে—সেইটো হ'ল মৃত্যু। পৰিহাসৰ কথা এয়ে যে এবাৰ জন্মগ্ৰহণ কৰাৰ পাছত মানুহৰ বাবে যদি কিবা এটা অমোঘ সত্য আছে, সেইটো হ'ল মৃত্যু। হেমলেটে কোৱাৰ দৰে If it be not now, yet it will come। মৰণৰ ''সোৱাদ'' কেনে, সেইটো আমি নিজে মৃত্যুমুখত পতিত নোহোৱাকৈ ক'ব নোৱাৰো। যিহেতু মৃত্যুৰ দুৱাৰ-ডলি অতিক্ৰম কৰি যোৱাসকলক আমি কেতিয়াও লগ নাপাওঁ, আমি মৃত্যুৰ বিষয়ে কিছুমান অস্বচ্ছ ধাৰণা আৰু অনুমান লৈ থাকো, মৃত্যুৰ সম্ভাৱনাৰ কথা ভাবি বিচলিত আৰু আতংকিত হওঁ।

এইটো সঁচা যে সাধাৰণ লোকে মৃত্যুৰ বিষয়টো আলোচনাৰ উপযুক্ত নহয় বুলি, তাক এটা অশুভ বিষয় বুলি তাৰ পৰা ফালৰি কাটি থাকিব বিচাৰে। কিন্তু সাহিত্যিকসকল মৃত্যুক লৈ আৱিষ্ট। বিশ্ব সাহিত্যত মৃত্যুৰ ছায়া বিভিন্ন ধৰণে, বিভিন্ন ৰূপত দেখা যায়। বহুতো লেখকে ট্ৰেজেডীৰ বাবে মৃত্যুৰ উপস্থিতি অপৰিহাৰ্য্য বুলি ভাবে, আৰু নাটক বা উপন্যাসৰ শেষ ভাগ হত্যা, আত্মহত্যা, বা দুৰ্ঘটনাৰ ফলত হোৱা আকস্মিক মৃত্যুৰে ভৰাই পেলায়। শ্বেক্স্‌পীয়েৰৰ সময়ত ট্ৰেজেডীৰ মৰ্য্যাদা একেবাৰে উচ্চ শিখৰ পাইছিলগৈ আৰু শ্বেক্স্‌পীয়েৰৰ পৰৱৰ্তী বহুতো নাট্যকাৰে (যাক জেক'বীয়ান নাট্যকাৰ বুলি কোৱা হয়) ট্ৰেজেডী লিখাৰ বাসনা লৈ যি কোনো প্ৰকাৰে নাটকৰ শেষ অংকত দৰ্শকক মৃত্যুৰ নিনাদ শুনিবলৈ বাধ্য কৰিছিল। কোৱা বাহুল্য যে কেইজনমান নাট্যকাৰৰ সৃষ্টিৰ বাহিৰে বাকীবোৰ প্ৰকৃত ট্ৰেজেডী হোৱাৰ সলনি কিছুমান সস্তীয়া আৰু চাঞ্চল্যকৰ অতিনাট্য (Melodrama) হ'লগৈ। এইবোৰ যেন ৰক্তপাত আৰু অন্যান্য হিংসাত্মক কাৰ্য্যৰে ভৰপূৰ আমাৰ যুগৰ ৰোমহৰ্ষক থ্ৰীলাৰৰ জনক। এনে ধৰণৰ সাহিত্যিক সৃষ্টিত মৃত্যুক দৰাচলতে অৱমাননাহে কৰা হয়। মৃত্যু এটা অতি আলোচ্য বিষয় কিয়নো মৃত্যু-চিন্তাই মানৱ চৰিত্ৰৰ নানা দিশ উন্মোচন কৰে। মৃত্যুৰ সম্ভাৱনাৰ প্ৰতি নানাজনৰ নানা প্ৰতিক্ৰিয়া হ'ব পাৰে, আৰু এই প্ৰতিক্ৰিয়াবোৰ তেওঁলোকৰ কলমৰ জৰিয়তে নাটকীয়ভাৱে প্ৰকাশ কৰি সাহিত্যিকসকলে জীৱিতসকলৰে চৰিত্ৰ বিশ্লেষণ কৰে। ভি.এচ. নাইপ'লৰ উপন্যাস A House for Mr. Biswas-ত কেইজনীমান তিৰোতাই পৰিয়ালত হোৱা কিছুমান মৃত্যুৰ প্ৰতি নিৰুদ্বিগ্ন আৰু নিৰাসক্ত প্ৰতিক্ৰিয়া

প্ৰদৰ্শন কৰা দেখা যায়। কিন্তু যেতিয়া পদ্মা নামৰ তিৰোতাজনীৰ মৃত্যু হ'ল তেতিয়া সিহঁতৰ নিৰুদ্বিগ্ন ভাব ক'ৰবালৈ গ'ল। পদ্মা বয়সত সিহঁতৰ ওচৰা-উচৰি হোৱা বাবে এই তিৰোতাকেইজনীয়ে পদ্মাৰ মৃত্যুত যেন যমদূতৰ আহ্বানৰ আগলি-বতৰা পালে।

যি কোনো প্ৰকাৰে জীয়াই থকাৰ মানৱ জাতিৰ যি হাবিয়াস তাৰে মৰ্মস্পৰ্শী ছবি হ'ল উপৰোক্ত তিৰোতাকেইজনীৰ প্ৰতিক্ৰিয়া। কিন্তু মৃত্যুয়ে কেতিয়াবা উচ্চতৰ পৰ্য্যায়ৰ ত্ৰাস বা শংকাৰো সঞ্চাৰ কৰিব পাৰে। The Terror of Death নামৰ কবিতাটোত ৰোমান্টিক কবি John Keats এ লিখিছে ঃ

When I have fears that I may cease to be
Before my pen has glean'd my teeming brain

মৃত্যুয়ে আহি যদি অকালতে তেওঁক অন্তিম শয়ন কৰিবলৈ বাধ্য কৰে, তেওঁৰ সাহিত্যিক সাধনা অসম্পূৰ্ণ হৈ ৰ'ব। ইয়াৰ উপৰিও তেওঁ মৃত্যুৰ পৰা পিছ হুঁহকিছে এই বাবে—

When I behold, upon the night's starr'd face,
Huge cloudy symbols of a high romance
And I think that I may never live to trace,
Their shadows, with the magic hand of chance;

বিনন্দীয়া প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য্য উপভোগ কৰাৰ পৰা কবি বঞ্চিত হ'ব বিচৰা নাই। মৃত্যু কিন্তু তেওঁৰ বাবে আটাইতকৈ অসহনীয় এইবাবে যে সি তেওঁক প্ৰিয়াৰ পৰা চিৰবিচ্ছেদ কৰাব— "And when I feel, fair creature of an hour / That I shall never look upon thee more......"

মৃত্যুৰ অৰ্থ হ'ল জীৱনৰ নাটকৰ আঁৰ-কাপোৰ নামি অহা। মৃত্যুক ট্ৰেজেডীৰ উপাদান হিচাপে ব্যৱহাৰ কৰিবলৈ বিচাৰি বহুতো লেখকে জীৱন আৰু মৃত্যুৰ মাজৰ সম্পৰ্কটোৰ ওপৰত মনোনিৱেশ কৰে। ট্ৰেজেডীত মৃত্যুৰ প্ৰসংগ অৱতাৰণা নকৰাকৈ জীৱনৰ কথা কোৱা টান। আনহাতে, মৃত্যুৰ কথা ক'লেহে যেন জীৱনটো প্ৰকৃতাৰ্থত মূৰ্ত হৈ পৰে। মূঠতে সাৰ্থক ট্ৰেজেডীত জীৱন আৰু মৃত্যুৰ বিষয় দুটা ওতঃপ্ৰোতভাৱে জড়িত হৈ থাকে। জীৱন-মৃত্যুৰ এই সম্পৰ্কৰ বিষয়ে শ্বেক্সপীয়েৰৰ অমৰ ট্ৰেজেডীবোৰতকৈ উৎকৃষ্ট উদাহৰণ আমি ক'ত বিচাৰি পাম? নিজৰ কুকৰ্মৰ অংশীদাৰ পত্নী লেডী মেকবেথৰ মৃত্যু-সংবাদ পাই ভগ্ন-হৃদয় মেকবেথে জীৱন আৰু মৃত্যু সম্পৰ্কে এই অবিস্মৰণীয় কথাকেইফাকি আওৱায়—



She should have died hereafter :
There would have been a time for such a word.
To-morrow, and to-morrow, and to-morrow,
Creeps in this petty pace from day to day,
To the last syllable of recorded time;
And all our yesterday have lighted fools
The way to dusty death. Out, out, brief candle!
Life's but a walking shadow, a poor player,
That struts and frets his hour upon the stage,
And then is heard no more : it is a tale
Told by an idiot, full of sound and fury,
Signifying nothing.

মেকবেথৰ এই স্বগতোক্তিত আমি কেৱল আপোনজনৰ মৃত্যুৰ প্ৰতি প্ৰতিক্ৰিয়াই শুনিবলৈ পোৱা নাই, আমি পাইছো জীৱনৰ প্ৰতি এক চৰম অনীহা। মেকবেথৰ ট্ৰেজেডী এইটো নহয় যে তেওঁ শেষত মৃত্যু বৰণ কৰিবলগীয়া হ'ল। বৰঞ্চ তেওঁৰ ট্ৰেজেডী এইটোহে যে সকলো পায়ো তেওঁৰ জীৱনটো অসাৰ, শূন্য। পত্নীৰ দ্বাৰা প্ৰৰোচিত হৈ আৰু তিনিজনী ডাইনীৰ ভৱিষ্যৎ বাণীৰ দ্বাৰা অনুপ্ৰাণিত হৈ মেকবেথে ৰজা ডানকানক হত্যা কৰি স্কটলেণ্ডৰ সিংহাসনত অধিষ্ঠিত হ'ল। কিন্তু তেওঁৰ বিবেকে তেওঁৰ অন্তৰ ক্ষত-বিক্ষত কৰি পেলালে, তেওঁক এক মুহূৰ্তৰ বাবেও ৰাজপাটৰ সুখ ভোগ কৰিবলৈ নিদিলে।

প্ৰকৃতাৰ্থত মহান ট্ৰেজেডীত শেষৰ পিনে মৃত্যুৰ আৱশ্যক হয় যদিও লেখকে দেখুৱাব পাৰিব লাগিব যে প্ৰধান চৰিত্ৰবোৰৰ বাচি থকা দিনকেইটাতো ক্লান্তি আৰু বিষাদৰ সুৰ বাজি আছে। হাৰ্ডিৰ Tess of the D'Ubervilles অতো ট্ৰেজিক অনুভূতিৰ সৃষ্টি হোৱাৰ কাৰণ মাথোন উপন্যাসখনৰ অন্তত টেছৰ মৃত্যুয়েই নহয়। জীৱনকালতে সমাজৰ অন্যায়-অবিচাৰ আৰু প্ৰিয়জনৰ নিষ্ঠুৰতাৰ ফলত টেছৰ যি দুৰ্ভোগ হ'ল সি হাৰ্ডিৰ উপন্যাসখনক এখন সাৰ্থক ট্ৰেজেডীৰ পৰ্য্যায়লৈ উত্তৰণ কৰাইছে। শেষত টেছৰ মৃত্যু তাইৰ বাবে মুক্তি বুলিও পৰিগণিত হ'ল। ট্ৰেজেডীৰ অন্তত নায়ক-নায়িকা বা অইন মুখ্য চৰিত্ৰৰ মৃত্যু হ'লেও সেই মৃত্যু অৰ্থহীন হোৱাটো উচিত নহয়। সাহিত্যিকগৰাকীয়ে প্ৰতিপন্ন কৰিব লাগিব যে মুখ্য চৰিত্ৰৰ মৃত্যু সেইখন ৰচনাৰ উপযুক্ত সমাপ্তি। ইয়াৰ পাছত কাহিনীৰ জেৰ টানি নিয়াৰ আৰু কোনো অৱকাশ নাই। হাৰ্ডিৰ উপন্যাসৰ শেষ অধ্যায়টোৰ নাম হ'ল The

# কমেডীৰ চিৰন্তন আকৰ্ষণ

বৰ্তমান যুগৰ নিষ্ঠুৰ, শুকান বাস্তৱৰ পৰিপ্ৰেক্ষিতত বহুতে হাস্যৰসৰ প্ৰাণ সঞ্জীৱনী শক্তিৰ প্ৰয়োজন অনুভৱ কৰে। এতিয়াৰ বহুতো আধুনিক লেখকে তেওঁলোকৰ ছিৰিয়াছ লেখনীতো হাস্যৰস নানা উপায়েৰে সন্নিৱিষ্ট কৰে। দৰাচলতে, আধুনিক যুগত কোনো লেখকেই পৰম্পৰাগত ট্ৰেজেডী লিখাৰ ধৃষ্টতা নকৰে। কিন্তু যদিও পৰাম্পৰাগত ট্ৰেজেডীৰ যুগ উকলিল যেন অনুভৱ হয় তথাপিও দেখা যায় যে ট্ৰেজেডীৰ মৰ্য্যাদা এতিয়াও অটুট আছে। অথচ কমেডীৰ বিষয়ে মতামত প্ৰকাশ কৰিবলৈ সমালোচকসকলে যেন এতিয়াও কুণ্ঠা বা সংকোচ অনুভৱ কৰে।

কমেডীৰ বিষয়ে কথা ক'বলৈ গৈ মানুহ অস্বস্তিত পৰাৰ কাৰণ কেবাটাও। এৰিষ্টটলে কমেডী নিম্নখাপৰ লোকৰ ধৰণ-কৰণৰ অনুকৰণ বুলি কোৱাৰ পৰাই এইবিধ সাহিত্যৰ ওপৰত চেকা লাগিল আৰু ইয়াক চিৰস্থায়ীভাৱে ট্ৰেজেডীতকৈ নিম্নস্থানলৈ নমোৱা হ'ল। অৱশ্যে এৰিষ্টটলৰ সাহিত্যিক মূল্যায়নৰ পদ্ধতিৰ বিৰুদ্ধে কোনোৱে কোনোৱে যে বিদ্ৰোহ নকৰাকৈ আছে এনে নহয়। কিন্তু অইন কিছুমান অসুবিধা বা তাত্ত্বিক সমস্যাৰ বাবে কমেডীক প্ৰকৃত মৰ্য্যাদা দিয়াতো যেন এতিয়ালৈকে সম্ভৱপৰ হৈ উঠা নাই।

ওঠৰ শতিকাতে ডঃ চেমুৱেল জনছনে কমেডীৰ প্ৰকৃত সংজ্ঞা নিৰূপণ কৰাৰ অসুবিধা সম্পৰ্কে লিখিছিল। দৰাচলতে সাহিত্যৰ প্ৰকাৰ (genre) হিচাপে কমেডী ট্ৰেজেডীতকৈ বেছি জটিল। কমেডীৰ কথা ক'লেই যিটো প্ৰাথমিক মানৱীয় অভিব্যক্তিৰ কথা মনলৈ আহে সেইটো হ'ল হাঁহি। কিন্তু হাস্য উদ্ৰেককাৰী অৱস্থা কিছুমান মনত পেলাবলৈ চেষ্টা কৰিলেই উপলব্ধি কৰো যে সেই বিশেষ মুহূৰ্তবোৰত আমি মায়া, মমতা, পুতৌ, আনকি সৌজন্যবোধ আৰু ভদ্ৰতাও যেন পাহৰি পেলাব লগীয়া হয়। অতি নিকা, সুন্দৰ সাজপাৰ পিন্ধি যোৱা ভদ্ৰলোক এজন হঠাতে পিছল খাই ৰাস্তাৰ দাঁতিৰ খালত পৰি যোৱা, বা এগৰাকী শকত ভদ্ৰমহিলা চিৰি বগাবলৈ গৈ অক্ষম হৈ ফোপাই ফোপাই তলতে বৈ থকা আদি দৃশ্যৰ কথা ভাবি চাওক। এনে দৃশ্যৰ সন্মুখীন হৈ হৃদয় সহানুভূতিত আৰ্দ্ৰ হৈ যোৱাৰ পৰিৱৰ্তে হয়তো সেই হৃদয়ত হাঁহিৰ খলকনিহে উঠিব।

একমাত্ৰ এনে এটা ঘটনাৰ দ্বাৰাই একোখন কমেডী গঠিত নহয়, কিন্তু এনে এক



দৃশ্য প্ৰত্যক্ষ কৰাৰ ফলত যি বোৰ অনুভূতি জাগ্ৰত হৈ উঠে, সেইবোৰ প্ৰায়ে এখন সাৰ্থক কমেডীৰ বাবে অপৰিহাৰ্য্য। অৰ্থাৎ এখন কমেডী উপভোগ কৰিবলৈ আমি যেন ক্ষন্তেকৰ বাবে হ'লেও কিছুমান অমানৱীয় প্ৰবৃত্তিৰ দাস হৈ পৰোঁ। হাঁহি বেয়া পোৱা মানুহ বোধহয় পৃথিৱীত খুব কমেই আছে, কিন্তু হাঁহিৰ কাৰণ খুচৰিবলৈ গ'লে কিছু অপৰাধবোধ হোৱাটো সম্ভৱ। হাঁহি আৰু আনন্দৰ মাজত পাৰ্থক্য দাঙি ধৰি চাৰ ফিলিপ চিডনীয়ে কৈছিল ঃ ''আনন্দত (delight) চিৰস্থায়ী বা অস্থায়ী ফূৰ্তি (joy) থাকে। হাঁহিত থাকে মাথোন শ্লেষপূৰ্ণ খজুৱতি। উদাহৰণ স্বৰূপে, এগৰাকী সুন্দৰী নাৰীক দেখিলে আমি বিমল আনন্দ পাওঁ, কিন্তু অট্টহাস্য কৰাৰ কোনো প্ৰবৃত্তি অনুভৱ নকৰো। আনহাতে বিকৃত শৰীৰৰ লোক দেখিলে আমি হাঁহো, কিন্তু আনন্দ নাপাওঁ।'' এইদৰে কোৱাৰ পিছতো অৱশ্যে চিডনীয়ে স্বীকাৰ কৰিছে যে কেতিয়াবা হাঁহি আৰু আনন্দৰ উৎস একেটাই হ'ব পাৰে।

এইবোৰ উদাহৰণৰ পৰাই আমি কমেডীৰ জটিলতাৰ লগত পৰিচিত হওঁ। অগভীৰ চিন্তাৰে এই বিধ সাহিত্য পৰ্য্যবেক্ষণ কৰিলে মনোৰঞ্জন, হাঁহি-ধেমালি ইত্যাদিৰ বাহিৰে অইন উদ্দেশ্য আমাৰ চকুৰ আগত প্ৰকট হৈ নুঠে। এক শ্ৰেণীৰ হাস্যৰসাত্মক সাহিত্য আছে যাৰ উদ্দেশ্যও প্ৰধানকৈ পাঠকৰ মনোৰঞ্জনৰ খোৰাক যোগোৱাৰ বাহিৰে আন একো নহয়। উদাহৰণ স্বৰূপে পি.জি. উদহাউচৰ অনুপম হাস্যৰসেৰে ৰঞ্জিত উপন্যাস আৰু গল্পসমূহৰ কথা ক'ব পাৰি। কিন্তু ছিৰিয়াছ কমেডীত হাঁহি-ধেমালি থাকিলেও তাৰ এটা বিশেষ উদ্দেশ্য থাকে। তাৰোপৰি এনে কমেডী পাঠ কৰি বা মঞ্চত দেখি ঢেকঢেকাই হাঁহিলেও আমি হয়তো আমাৰ হাঁহিৰ কাৰণ আৰু উদ্দেশ্য বিশ্লেষণ কৰিবলগীয়া হয়। তেনেদৰে বিশ্লেষণ কৰি হয়তো আমি চিডনীৰ দৰে উপলব্ধি কৰো যে আমাৰ হাঁহিৰ অন্তৰালত আছে অইনৰ প্ৰতি শ্লেষ আৰু অৱজ্ঞা।

তেতিয়াহ'লে আমি কমেডীক এৰিষ্টটলৰ দৰে এবিধ নিম্নখাপৰ সাহিত্য বুলি চিহ্নিত কৰিয়েই সন্তুষ্ট থাকিব লাগিব নেকি? আমি যে সহানুভূতি, কৰুণাৰ দৰে মানৱীয় প্ৰবৃত্তিবোৰক কিছু সময়ৰ বাবে ছুটী দি কমেডীখনত অংশগ্ৰহণ কৰিলো, তাৰ অৰ্থ এয়েই নেকি যে কমেডীৰ কোনো মহান উদ্দেশ্য নাই? কমেডী সঁচাকৈয়ে এবিধ নিকৃষ্ট সাহিত্য নেকি?

এইটো ঠিক যে ট্ৰেজেডীৰ নায়কসকল প্ৰায়েই মহান, শৌৰ্য্য-বীৰ্য্যৰ অধিকাৰী, গৰিমামণ্ডিত অতিমানৱ হয়। তাৰ তুলনাত কমেডীৰ মুখ্য চৰিত্ৰবোৰ হয় ধূৰ্ত, সুবিধাবাদী পুৰুষ, বা অতিশয় বুৰ্বক, অজলা লোক। ট্ৰেজেডীৰ অত্যন্ত শোকাবহ পৰিণতিৰ পিছতো আমি মানৱজাতিৰ বিষয়ে কিছুমান অমূল্য সত্য আহৰণ কৰিব পাৰো, যেনে ''কীং-লীয়েৰ''ৰ সেই অমৰ বাণী Ripeness is all। কিন্তু ট্ৰেজেডীৰ

# কমেডীৰ চিৰন্তন আকৰ্ষণ

বৰ্তমান যুগৰ নিষ্ঠুৰ, শুকান বাস্তৱৰ পৰিপ্ৰেক্ষিতত বহুতে হাস্যৰসৰ প্ৰাণ সঞ্জীৱনী শক্তিৰ প্ৰয়োজন অনুভৱ কৰে। এতিয়াৰ বহুতো আধুনিক লেখকে তেওঁলোকৰ ছিৰিয়াছ লেখনীতো হাস্যৰস নানা উপায়েৰে সন্নিৱিষ্ট কৰে। দৰাচলতে, আধুনিক যুগত কোনো লেখকেই পৰম্পৰাগত ট্ৰেজেডী লিখাৰ ধৃষ্টতা নকৰে। কিন্তু যদিও পৰাম্পৰাগত ট্ৰেজেডীৰ যুগ উকলিল যেন অনুভৱ হয় তথাপিও দেখা যায় যে ট্ৰেজেডীৰ মৰ্য্যাদা এতিয়াও অটুট আছে। অথচ কমেডীৰ বিষয়ে মতামত প্ৰকাশ কৰিবলৈ সমালোচকসকলে যেন এতিয়াও কুণ্ঠা বা সংকোচ অনুভৱ কৰে।

কমেডীৰ বিষয়ে কথা ক'বলৈ গৈ মানুহ অস্বস্তিত পৰাৰ কাৰণ কেবাটাও। এৰিষ্টটলে কমেডী নিম্নখাপৰ লোকৰ ধৰণ-কৰণৰ অনুকৰণ বুলি কোৱাৰ পৰাই এইবিধ সাহিত্যৰ ওপৰত চেকা লাগিল আৰু ইয়াক চিৰস্থায়ীভাৱে ট্ৰেজেডীতকৈ নিম্নস্থানলৈ নমোৱা হ'ল। অৱশ্যে এৰিষ্টটলৰ সাহিত্যিক মূল্যায়নৰ পদ্ধতিৰ বিৰুদ্ধে কোনোৱে কোনোৱে যে বিদ্ৰোহ নকৰাকৈ আছে এনে নহয়। কিন্তু অইন কিছুমান অসুবিধা বা তাত্ত্বিক সমস্যাৰ বাবে কমেডীক প্ৰকৃত মৰ্য্যাদা দিয়াতো যেন এতিয়ালৈকে সম্ভৱপৰ হৈ উঠা নাই।

ওঠৰ শতিকাতে ডঃ চেমুৱেল জনছনে কমেডীৰ প্ৰকৃত সংজ্ঞা নিৰূপণ কৰাৰ অসুবিধা সম্পৰ্কে লিখিছিল। দৰাচলতে সাহিত্যৰ প্ৰকাৰ (genre) হিচাপে কমেডী ট্ৰেজেডীতকৈ বেছি জটিল। কমেডীৰ কথা ক'লেই যিটো প্ৰাথমিক মানৱীয় অভিব্যক্তিৰ কথা মনলৈ আহে সেইটো হ'ল হাঁহি। কিন্তু হাস্য উদ্ৰেককাৰী অৱস্থা কিছুমান মনত পেলাবলৈ চেষ্টা কৰিলেই উপলব্ধি কৰো যে সেই বিশেষ মুহূৰ্তবোৰত আমি মায়া, মমতা, পুতৌ, আনকি সৌজন্যবোধ আৰু ভদ্ৰতাও যেন পাহৰি পেলাব লগীয়া হয়। অতি নিকা, সুন্দৰ সাজপাৰ পিন্ধি যোৱা ভদ্ৰলোক এজন হঠাতে পিছল খাই ৰাস্তাৰ দাঁতিৰ খালত পৰি যোৱা, বা এগৰাকী শকত ভদ্ৰমহিলা চিৰি বগাবলৈ গৈ অক্ষম হৈ ফোপাই ফোপাই তলতে ৰৈ থকা আদি দৃশ্যৰ কথা ভাবি চাওক। এনে দৃশ্যৰ সন্মুখীন হৈ হৃদয় সহানুভূতিত আৰ্দ্ৰ হৈ যোৱাৰ পৰিৱৰ্তে হয়তো সেই হৃদয়ত হাঁহিৰ খলকনিহে উঠিব।

একমাত্ৰ এনে এটা ঘটনাৰ দ্বাৰাই একোখন কমেডী গঠিত নহয়, কিন্তু এনে এক



দৃশ্য প্ৰত্যক্ষ কৰাৰ ফলত যি বোৰ অনুভূতি জাগ্ৰত হৈ উঠে, সেইবোৰ প্ৰায়ে এখন সাৰ্থক কমেডীৰ বাবে অপৰিহাৰ্য্য। অৰ্থাৎ এখন কমেডী উপভোগ কৰিবলৈ আমি যেন ক্ষন্তেকৰ বাবে হ'লেও কিছুমান অমানৱীয় প্ৰবৃত্তিৰ দাস হৈ পৰোঁ। হাঁহি বেয়া পোৱা মানুহ বোধহয় পৃথিৱীত খুব কমেই আছে, কিন্তু হাঁহিৰ কাৰণ খুচৰিবলৈ গ'লে কিছু অপৰাধবোধ হোৱাটো সম্ভৱ। হাঁহি আৰু আনন্দৰ মাজত পাৰ্থক্য দাঙি ধৰি চাৰ ফিলিপ চিডনীয়ে কৈছিল ঃ ''আনন্দত (delight) চিৰস্থায়ী বা অস্থায়ী ফূৰ্তি (joy) থাকে। হাঁহিত থাকে মাথোন শ্লেষপূৰ্ণ খজুৱতি। উদাহৰণ স্বৰূপে, এগৰাকী সুন্দৰী নাৰীক দেখিলে আমি বিমল আনন্দ পাওঁ, কিন্তু অট্টহাস্য কৰাৰ কোনো প্ৰবৃত্তি অনুভৱ নকৰো। আনহাতে বিকৃত শৰীৰৰ লোক দেখিলে আমি হাঁহো, কিন্তু আনন্দ নাপাওঁ।'' এইদৰে কোৱাৰ পিছতো অৱশ্যে চিডনীয়ে স্বীকাৰ কৰিছে যে কেতিয়াবা হাঁহি আৰু আনন্দৰ উৎস একেটাই হ'ব পাৰে।

এইবোৰ উদাহৰণৰ পৰাই আমি কমেডীৰ জটিলতাৰ লগত পৰিচিত হওঁ। অগভীৰ চিন্তাৰে এই বিধ সাহিত্য পৰ্য্যবেক্ষণ কৰিলে মনোৰঞ্জন, হাঁহি-ধেমালি ইত্যাদিৰ বাহিৰে অইন উদ্দেশ্য আমাৰ চকুৰ আগত প্ৰকট হৈ নুঠে। এক শ্ৰেণীৰ হাস্যৰসাত্মক সাহিত্য আছে যাৰ উদ্দেশ্যও প্ৰধানকৈ পাঠকৰ মনোৰঞ্জনৰ খোৰাক যোগোৱাৰ বাহিৰে আন একো নহয়। উদাহৰণ স্বৰূপে পি.জি. উদহাউচৰ অনুপম হাস্যৰসেৰে ৰঞ্জিত উপন্যাস আৰু গল্পসমূহৰ কথা ক'ব পাৰি। কিন্তু ছিৰিয়াছ কমেডীত হাঁহি-ধেমালি থাকিলেও তাৰ এটা বিশেষ উদ্দেশ্য থাকে। তাৰোপৰি এনে কমেডী পাঠ কৰি বা মঞ্চত দেখি ঢেকঢেকাই হাঁহিলেও আমি হয়তো আমাৰ হাঁহিৰ কাৰণ আৰু উদ্দেশ্য বিশ্লেষণ কৰিবলগীয়া হয়। তেনেদৰে বিশ্লেষণ কৰি হয়তো আমি চিডনীৰ দৰে উপলব্ধি কৰো যে আমাৰ হাঁহিৰ অন্তৰালত আছে অই ৰ প্ৰতি শ্লেষ আৰু অৱজ্ঞা।

তেতিয়াহ'লে আমি কমেডীক এৰিষ্টটলৰ দৰে এবিধ নিম্নখাপৰ সাহিত্য বুলি চিহ্নিত কৰিয়েই সন্তুষ্ট থাকিব লাগিব নেকি? আমি যে সহানুভূতি, কৰুণাৰ দৰে মানৱীয় প্ৰবৃত্তিবোৰক কিছু সময়ৰ বাবে ছুটী দি কমেডীখনত অংশগ্ৰহণ কৰিলো, তাৰ অৰ্থ এয়েই নেকি যে কমেডীৰ কোনো মহান উদ্দেশ্য নাই? কমেডী সঁচাকৈয়ে এবিধ নিকৃষ্ট সাহিত্য নেকি?

এইটো ঠিক যে ট্ৰেজেডীৰ নায়কসকল প্ৰায়েই মহান, শৌৰ্য্য-বীৰ্য্যৰ অধিকাৰী, গৰিমামণ্ডিত অতিমানৱ হয়। তাৰ তুলনাত কমেডীৰ মুখ্য চৰিত্ৰবোৰ হয় ধূৰ্ত, সুবিধাবাদী পুৰুষ, বা অতিশয় বুৰ্বক, অজলা লোক। ট্ৰেজেডীৰ অত্যন্ত শোকাবহ পৰিণতিৰ পিছতো আমি মানৱজাতিৰ বিষয়ে কিছুমান অমূল্য সত্য আহৰণ কৰিব পাৰো, যেনে ''কীং-লীয়েৰ''ৰ সেই অমৰ বাণী Ripeness is all। কিন্তু ট্ৰেজেডীৰ

লগত ৰিজাই বহুতে যদিও কমেডীৰ অৱমাননা কৰিব বিচাৰে, কমেডীৰো নিজস্ব বৈশিষ্ট্য আৰু স্বকীয় মূল্য আছে। কমেডীৰ 'অমানৱীয়' হাঁহিৰ এক বিশেষ প্ৰয়োজনীয়তা আছে।

১৯০০ চনত আঁনৰি বাৰ্গচন নামৰ ফৰাচী দাৰ্শনিকজনে ''হাঁহি'' (Laughter) নামৰ এখন যুগান্তকাৰী ৰচনা প্ৰকাশ কৰিলে। এজন দাৰ্শনিক আৰু চিন্তাবিদৰ তীক্ষ্ণ দৃষ্টিৰে তেওঁ হাঁহিৰ বিষয়টোৰ ওপৰত আলোকপাত কৰিবলৈ বিচাৰিলে। হাঁহিৰ পুংখানুপুংখ বিশ্লেষণ কৰি তেওঁ এই অভিব্যক্তি সম্পৰ্কে কিছুমান সিদ্ধান্তত উপনীত হ'ল যিবোৰ আমি বিভিন্ন ধৰণৰ হাস্যৰসাত্মক সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰো। তেওঁৰ বিশ্লেষণৰ ফলতে আমি এখন ছিৰিয়াছ কমেডীত হাঁহিৰ প্ৰয়োজনীয়তা সম্পৰ্কে সচেতন হৈ পৰোঁ। বাৰ্গচনৰ মতে (অৱশ্যে তেওঁৰ এই অভিমত বিতৰ্কৰ উৰ্দ্ধত নহয়) হাঁহি সদায়ে এটা সমূহীয়া কাৰ্য্য, মানুহে অকলশৰীয়াভাৱে খুব কমেই হাঁহে। হাঁহিৰ বিষয়ে বাৰ্গচনে আৰু নানান তত্ত্বগধুৰ মন্তব্য দাঙি ধৰিছে, কিন্তু তেওঁৰ সকলো তত্ত্বৰ ভেটিয়েই হ'ল সামাজিক। দৌৰি থাকোতে ধুপুচকৈ পৰি যোৱা মানুহ এজনৰ হাস্যকৰ অৱস্থাৰ উদাহৰণ দি তেওঁ কয় যে মানুহজন হাঁহিয়াতৰ পাত্ৰ হৈছে মানুহজনৰ অমনোযোগী আৰু অনমনীয় মনোভাৱৰ ফলত। তেওঁৰ সেই অমনোযোগী বা অনমনীয় কাৰ্য্য-কলাপ চাই হঁহা দৰ্শকসকলক সমাজৰ সাধাৰণ প্ৰতিনিধি বুলিব পাৰি। অৰ্থাৎ এপিনে মূৰ্খ বা অমনোযোগী হাঁহিয়াতৰ পাত্ৰগৰাকী, আৰু আন পিনে সমালোচনাকাৰী, সংশোধনকাৰী সমাজ বা সম্প্ৰদায়। তুলনামূলক বিশ্লেষণ কৰিবলৈ ট্ৰেজেডীৰ কথা উল্লেখ কৰি বাৰ্গচনে কৈছে ঃ ''ট্ৰেজেডীৰ এক চৰিত্ৰই নিজৰ আচাৰ-ব্যৱহাৰত কোনো পৰিৱৰ্তন আনিবলৈ চেষ্টা নকৰে কিয়নো আমি ট্ৰেজেডীৰ বিচাৰ কি দৰে কৰোঁ সি জানে; অতি আত্ম-সচেতন হোৱা সত্বেও আৰু আমাৰ অন্তৰত তাৰ কাৰ্য্য-কলাপৰ দ্বাৰা সঞ্চাৰ হোৱা ভীতি সম্পৰ্কে অৱগত হোৱা সত্বেও সি তাৰ নিজ পথত চলি থাকিব। কিন্তু কোনো ত্ৰুটি যদি হাস্যকৰ অনুভূত হয়, তেতিয়া এটা চৰিত্ৰই তাক সংশোধন কৰাৰ চেষ্টা (অন্ততঃ মানুহক দেখুৱাই) চলাব।'' বাৰ্গচনৰ মতে হাস্যাস্পদ বা উপহাসৰ পাত্ৰ হোৱাৰ ভয়ে মানুহক সজাগ আৰু আত্ম-সমালোচক কৰি ৰাখে। বাৰ্গচনৰ তত্ত্বৰ আলোকত আমি উইলিয়াম থেকাৰে বা বেন জনচন আদি লেখকৰ কমেডী হৃদয়ংগম কৰিবলৈ আৰু লগতে উপভোগ কৰিবলৈ সক্ষম হওঁ (চাৰ্লচ্ ডিকেন্‌ছৰ হাস্যৰস বা তেওঁৰ ৰচনা-শৈলী ইমান স্বতন্ত্ৰ যে তেওঁৰ ক্ষেত্ৰত এই ধৰণৰ তত্ত্ব প্ৰযোজ্য নহয়)। থেকাৰেৰ উপন্যাস ''ভেনিটী ফেয়াৰ'' আৰু বেন জনছনৰ নাটক ''আলকেমিষ্ট'' বা ''ভলপনে''ত ব্যংগ, উপহাস, কৌতুক আদিৰজৰিয়তেমানৱ জাতিৰ নানা ধৰণৰ ভুল-ত্ৰুটি, চৰিত্ৰৰ দোষ প্ৰকট কৰি তোলা



হৈছে। এনে ধৰণৰ সাহিত্যত হাঁহিৰ ভূমিকা নৈতিক।

কিন্তু কমেডীৰ বিষয়টো সঁচাকৈয়ে জটিল। কমেডী আখ্যা দিয়া বহুতো সাহিত্যত হাঁহিৰ খোৰাক বিচাৰি পোৱা নাযায়। শ্বেক্সপীয়েৰৰ 'সমস্যা জড়িত কমেডী'ৰ (problem or dark comedy) পৃষ্ঠাবোৰ হাঁহিৰ টোৱে নকঁপায়। কিন্তু Measure for Measure, All's Well That Ends Well আদি নাটকৰ সমাপ্তি মিলনান্তক হোৱা বাবে এইবোৰ নাটক বহুতো বেদনাদায়ক দৃশ্যৰে পৰিপূৰ্ণ হৈ থকা সত্বেও আমি কমেডী বুলিয়েই অভিহিত কৰোঁ। তাৰোপৰি এইকেইখন নাটকত মানুহৰ আচাৰ-ব্যৱহাৰ শুধৰোৱাৰ প্ৰৱণতা দেখিবলৈ পোৱা যায়, যিটো কমেডীৰ এটা পৰম্পৰাগত উদ্দেশ্য।

কমেডীৰ গভীৰ অধ্যয়ন কৰিবলৈ গৈ এজন ছাত্ৰই এনেদৰে হাস্যৰস বৰ্জিত কমেডীৰ কথা মনলৈ আনিব লাগে। কেতিয়াবা আকৌ তেওঁ দেখিব যে কমেডীত হাস্যৰসৰ প্ৰাচুৰ্য্যৰ লগে লগে বাজি আছে এটা কান্দোনৰ সুৰ। যোৱা শতিকাতে ৰোমাণ্টিক সমালোচক উইলিয়াম হেজলিটে কৈছিল ঃ ''ওঁঠত বিৰিঙি উঠা হাঁহিটিক আমি দমন কৰিব নোৱাৰো; কিন্তু লগতে আমাৰ নয়নৰ পৰা অশ্ৰুধাৰা নিগৰি ওলাব পৰা অৱস্থাতো থাকিব লাগে।'' এই শতিকাত চাৰ্লি চেপলিনৰ অতুলনীয় বোলছবিবোৰত আমি চকুপানী আৰু হাঁহি, আনন্দ আৰু বেদনাৰ মিশ্ৰিত অভিনৰ সোৱাদ পাওঁ। Modern Times আৰু Gold Rush আদি বোলছবিত ছেলেং-পেতেং, প্ৰায় ভিকছুৰ লেখীয়া মুখ্য চৰিত্ৰৰ বহুৱালিৰ ছায়াত লুকাই আছে এক গভীৰ বিষাদ, আৰু হতভগীয়া মানৱ জাতিৰ প্ৰতি সীমাহীন অনুকম্পা।

এই শতিকাৰ নানা দুৰ্যোগ বিপৰ্যয়ৰ ফলত মানুহৰ মোহভংগ হৈছে, লেখক আৰু পাঠক দুয়োকে নৈৰাশ্যবোধে গ্ৰাস কৰিছে। বাস্তৱধৰ্মী সাহিত্য সৃষ্টি কৰিবলৈ গৈ বিশ্বযুদ্ধৰ কাল-ক্ষণত সাহিত্যিকসকল মানৱ-বন্দনা কৰিবলৈ অপাৰগ। কিন্তু এই সকলোৰে ফলত কমেডী সাহিত্য জগতৰ পৰা অন্তৰ্হিত হোৱা নাই, বৰঞ্চ কমেডীৰ চাহিদা দিনক দিনে বৃদ্ধিহে পাইছে। এই শতিকাৰ আগভাগত চমাৰচেট মমে কৈছিল ঃ "Humour is the retort that loving kindness makes to the tragic absurdity of life।'' জীৱনটো যদি ট্ৰেজিক, অসন্তৱ, অৰ্থহীন আৰু অদ্ভুত হয়, তথাপিও আমি আত্মঘাতী হ'ব নোৱাৰো, আৰু আত্মহনন নকৰাকৈ বাচি থকাত ইন্ধন যোগায় কমেডীৰ প্ৰাণশক্তিয়ে। বিখ্যাত সমালোচক নৰ্থ্ৰপ ফ্ৰায়ে কমেডীৰ জগতখনক চিৰ সেউজীয়া পৃথিৱী বুলি অভিহিত কৰিছে আৰু কমেডীক গ্ৰীষ্মকালৰ উৎসৱ হিচাপে উপস্থাপিত কৰিছে। অৱশ্যে তেওঁ ইয়াকো কৈছে যে ট্ৰেজেডী দৰাচলতে অসম্পূৰ্ণ কমেডী, আৰু কমেডীৰ মাজত ট্ৰেজেডীৰ বীজ নিহিত থাকে। আধুনিক লেখকসকলে এনে ধৰণৰ বিশ্বাসেৰে চালিত হৈ কমেডী আৰু

ট্ৰেজেডীৰ সীমাৰেখা বিলীন কৰি দিব বিচাৰে। গতিকে তেওঁলোকে চিন্তা উদ্ৰেককাৰী বিষয়-বস্তু গহীন-গম্ভীৰভাৱে উপস্থাপন কৰাৰ সলনি প্ৰায়ে ধেমেলীয়াভাৱে আগবঢ়ায়। গেব্ৰিয়েল গাৰ্চিয়া মাৰ্কুৱেজ, মিলান কুন্দেৰা, জন বাৰ্থ আদি লেখকৰ ক্ষেত্ৰত এনে ধৰণৰ সাহিত্যিক শৈলী পৰিলক্ষিত হয়। পৃথিৱীৰ অন্যায়, অবিচাৰ বা দুখ-কষ্ট আওকাণ কৰিব নোৱাৰি, কিন্তু সেইবোৰ কমেডীৰ জৰিয়তে সহনীয় কৰিব পাৰি, আৰু আনকি দুখৰ অন্তত আশাৰ ৰেঙণিও দেখুৱাব পাৰি। Comedy and The Modern World নামৰ ৰচনাখনত ফ্ৰিডৰিখ ডুৰেনমাটে কৈছে ঃ ''মানুহক সাহসী হিচাপে প্ৰদৰ্শন কৰাটো এতিয়াও সম্ভৱ।''

এই সাহস হয়তো ট্ৰেজেডীৰ নায়কৰ বেপৰোৱা দুৰ্জেয় সাহস নহয়। কিন্তু সেই বাবেই আমাৰ দৰে সাধাৰণ মানুহে কমেডীত যি সাহসৰ সন্ধান পাওঁ সেয়া অনুকৰণ কৰিব পাৰো যেন লাগে। এই সাহস হ'ল বাচি থকাৰ সাহস, প্ৰতিকূল অৱস্থাতো নিজৰ সত্তা আৰু স্বাধীনতাক জলাঞ্জলি নিদিয়াৰ সাহস। জিউফ্ৰে চচাৰৰ The Nun's Priest's Tale নামৰ খুহুতীয়া পদ্যটোত নিজৰ অহংভাব আৰু মূৰ্খামিৰ বাবে চন্তক্লীয়াৰ নামৰ কুকুৰাটো এটা ধূৰ্ত শিয়ালৰ কবলত পৰে। কিন্তু চন্তক্লীয়াৰ হ'ল কমেডীৰ সাৰ্থক নায়ক। সি শিয়ালটোৰ পৰা শিকা ছল-চাতুৰীৰে শিয়ালটোকে ঠগাই নিজৰ প্ৰাণ আৰু স্বাধীনতা ঘূৰাই পায়। জীৱনৰ বাটত থেকেচা খাই জ্ঞান আহৰণ কৰাৰ গুণটো কমেডীৰ মুখ্য চৰিত্ৰৰ বাবে অপৰিহাৰ্য্য। কমেডীৰ নায়ক-নায়িকাসকলে প্ৰায়ে পৃথিৱীৰ মূৰ্খলোকক ঠাট্ৰা-বিদ্ৰূপ কৰি নিজৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰে। কিন্তু সময়ে সময়ে নিজকো হাঁহি এনে নায়ক-নায়িকাই প্ৰমাণ কৰিব পাৰিব যে তেওঁলো ক সঁচাকৈয়ে কমেডীৰ প্ৰতিভু। থেকাৰেৰ ''ভেনিটী ফেয়াৰ''ত বেকী শ্বাৰ্প আৰু তেওঁৰ পতি ৰ'দন ক্ৰওলীয়ে এগৰাকী চহকী বৃদ্ধা আত্মীয়ৰ পৰা ঐশ্চৰ্য্য লাভৰ লালসাত নানা অভিসন্ধি পাঙে। কিন্তু বৃদ্ধাই তেওঁলোকৰ আশা ধূলিসাৎ কৰি মাথোন কুৰি পাউণ্ডহে দিয়ে। ৰ'দন ক্ৰওলী খঙত একো নাই হয় আৰু তাৰ পিছত হতাশাতো ম্ৰিয়মান হয়, কিন্তু বেকী শ্বাৰ্পে গোটেই ঘটনাটোৰ কৌতুকপূৰ্ণ দিশটো ইমানেই উপভোগ কৰে যে তেওঁ ঢেকঢেকাই হাঁহি পেলায়। এই হাঁহিৰ দ্বাৰাই তেওঁ যে অইন এখন সংগ্ৰামৰ বাবে প্ৰস্তুত হৈছে ইয়াকো জাননী দিয়ে। নবীকৰণ, পুনৰুদ্দীপ্তি, পুনৰ্জনম (প্ৰতীকীভাৱে) আদি লৈয়েই সংঘটিত হয় সাৰ্থক কমেডী।

পাঠকে হয়তো প্ৰথমতে নিৰাপদ দূৰত্বৰ পৰা চন্তক্লীয়েৰ আৰু বেকী শ্বাৰ্পৰ দৰে চৰিত্ৰৰ দুৰ্দশা উপভোগ কৰি হাঁহে, কিন্তু লাহে লাহে হাঁহিৰ দৰে প্ৰাথমিক প্ৰতিক্ৰিয়া এটাৰ পৰা উত্তৰণ কৰি তেওঁলোকে এই চৰিত্ৰবিলাকৰ লগত নিজৰ সাদৃশ্য বিচাৰিবলৈ ধৰে। এই কাৰ্য্যত লিপ্ত হোৱাৰ লগে লগে তেওঁলোক সাৰ্থক কমেডীৰ



সাৰ্থক পাঠক বা দৰ্শক হৈ পৰে। জৰ্জ মেৰিডিথ আদি লিখকৰ বাবে সভ্যতাৰ সৌধ নিৰ্মাণ কৰাত কমেডীৰ ভূমিকা অতিশয় গুৰুত্বপূৰ্ণ। কিন্তু তাৰ বাবে প্ৰয়োজন ভাব-চিন্তা কৰিব পৰা লেখক, আৰু সেই লেখকৰ লেখনীৰ সমাদৰ কৰিবলৈ সক্ষম চিন্তাশীল পাঠক বা দৰ্শক। হৰেছ্ ওৱালপ'লৰ এটা প্ৰাসংগিক উক্তিৰে এই ৰচনাৰ সামৰণি মাৰো। তেওঁ কৈছিল যে চিন্তা কৰা মানুহৰ বাবে জীৱন এক কমেডী, আৰু কেৱল অনুভৱ কৰা মানুহৰ বাবে জীৱন এক ট্ৰেজেডী।

# "ভেনিটী ফেয়াৰ"

জন বানিয়ানৰ "পিলগ্ৰিম্‌ছ্ প্ৰগ্ৰেছ" বিশ্ব সাহিত্যৰ এখন স্মৰণীয় আৰু অতিশয় জনপ্ৰিয় গ্ৰন্থ। ইয়াত ক্ৰিষ্টিয়ান নামৰ খ্ৰীষ্ট ধৰ্মত বিশ্বাসী তীৰ্থযাত্ৰী এজনে নানা বিপদ আৰু বাধা-বিঘিনিৰ মাজেৰে যাত্ৰা কৰি অৱশেষত স্বৰ্গৰ সন্ধান পায়। অন্যান্য নানা প্ৰতিবন্ধকৰ ভিতৰত তেওঁ "ভেনিটী ফেয়াৰ" নামৰ পাপ পুৰী অতিক্ৰম কৰিব লগীয়া হয়। এই "ভেনিটী ফেয়াৰ"খন তীৰ্থযাত্ৰীক যাতনা দিবলৈ আৰু দিগভ্ৰান্ত কৰিবলৈ চয়তানৰ শিষ্য কিছুমানে নিৰ্মাণ কৰি থৈছিল। এইখন প্ৰকৃততে এখন বজাৰহে য'ত সকলো ধৰণৰ বস্তুৰ লেন-দেন, কিনা-বেচা হয়, আনকি জীৱন্ত মানুহৰো! তাৰোপৰি, বানিয়ানৰ ভাষাত "এই বজাৰত অনবৰতে ভেলেকী বাজী, ঠগবাজী, খেলা-ধূলা, নাটক, মূৰ্খ, বান্দৰ আৰু দগাবাজক দেখিবলৈ পোৱা যায়।"

বানিয়ানৰ বাবে এই বজাৰখন নৰকৰে অংশ বিশেষ, কিন্তু তেওঁৰ ধৰ্মীয় গ্ৰন্থখন প্ৰকাশিত হোৱাৰ প্ৰায় ডেৰশ বছৰ পিছত উইলিয়াম থেকাৰে নামৰ অইন এজন ইংৰাজ লেখকে "ভেনিটী ফেয়াৰ"ৰ ধাৰণাটো পুনৰোত্থাপন কৰোঁতে এই বজাৰখন সমগ্ৰ পৃথিৱীৰে প্ৰতিবিম্ব বুলি গণ্য কৰিছিল। শ্বেক্সপীয়েৰে কৈছিল যে পৃথিৱীখন এখন ৰংগমঞ্চ আৰু মানুহৰ কাম হ'ল এই ৰংগমঞ্চত কেৱল অভিনয় কৰি যোৱা। ভিক্টোৰিয়ান লেখক উইলিয়াম থেকাৰো এই বিশ্বাসতে বিশ্বাসী যে জীৱনৰ বেছি ভাগ সময় মানুহে অভিনয় কৰিয়ে কটাব লগীয়া হয়, কিন্তু তেওঁ পৃথিৱীখনক প্ৰধানকৈ এখন বজাৰ হিচাপেহে চাবলৈ বিচাৰে। এই বাবে তেওঁ ১৮৪২ চনত এখন উপন্যাস লিখি তাৰ নাম দিলে "ভেনিটী ফেয়াৰ"। শ্বেক্সপীয়েৰৰ মতে সকলো পুৰুষ-নাৰী যদি অভিনেতা বা অভিনেত্ৰী, থেকাৰেৰ মতে মানুহবোৰ মুৰ্খ বা ধুৰন্ধৰ। ধুৰন্ধৰ শ্ৰেণীয়ে ভেনিটী ফেয়াৰত মূৰ্খবোৰক অহৰহ প্ৰৱঞ্চনা কৰি আছে।

আধুনিক যুগত বৃহদাকাৰৰ কিতাপ পঢ়িবলৈ মানুহৰ সময় নাই। সেই বাবে ৮০০ বা তাতোকৈ অধিক পৃষ্ঠাৰ ভিক্টোৰিয়ান উপন্যাসসমূহ পঢ়িবলৈ মন মেলা পাঠকৰ সংখ্যা কমি আহিছে। লৰ্ড ডেভিদ চেচিলে ভিক্টোৰিয়ান উপন্যাসবোৰৰ হ্ৰাস পোৱা জনপ্ৰিয়তাৰ কথা কৈ মন্তব্য দিছিল ঃ "The dust lies thicker on Thackeray than on Dickens." অৰ্থাৎ ডিকেন্‌ছৰ কিতাপবোৰতকৈ



থেকাৰেৰ কিতাপবোৰত ধূলিৰ আচ্ছাদনটো বেছি ডাঠ, কিয়নো ডিকেন্‌ছ্ এতিয়াও জনপ্ৰিয়, কিন্তু থেকাৰেৰ গ্ৰন্থসমূহ অস্পৰ্শিত হৈ থাকে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ এম. এ. পাঠ্যক্ৰমৰ পৰা "ভেনিটী ফেয়াৰ"খন আঁতৰাই পেলোৱা কাৰ্য্যয়েও যেন থেকাৰেৰ ক্ৰমঃ ক্ষয়মান জনপ্ৰিয়তাৰ কথাকে সূচায়।

কিন্তু মই এই দাবি কৰিব বিচাৰো যে কিছু সময় ব্যয় কৰিব পাৰিলে পাঠকে "ভেনিটী ফেয়াৰ"ৰ দৰে উপন্যাসত যথেষ্ট চিন্তাৰ খোৰাক পাব। এখন পুৰণিকলীয়া ভিক্টোৰিয়ান উপন্যাস বুলি "ভেনিটী ফেয়াৰ"ক নেওচা দিয়া হয়, কিন্তু ইয়াৰ বহুতো আধুনিক দিশ আছে। যদিও বাইবেলৰ এটা প্ৰাচীন ধাৰণাৰ আলমত উপন্যাসখন লিখা হৈছে, ইয়াত আনকি নাৰীবাদৰ দৰে অত্যাধুনিক আদৰ্শৰো আভাস পোৱা যায়।

ভিক্টোৰিয়ান যুগৰ ইংৰাজসকলৰ অহমিকা চূৰ্ণ কৰিবলৈ যেন থেকাৰেৰ দৰে লিখক বদ্ধ পৰিকৰ হৈছিল। সাধাৰণ ইংৰাজ এজনে দেশখনক এখন দোষ-ত্ৰুটিহীন, অতি পৰাক্ৰমী আৰু প্ৰতিপত্তিশীল দেশ বুলি আত্মগৰ্বত ডুব গৈ থাকিছিল। বৃটিছ সাম্ৰাজ্যত তেতিয়া সূৰ্য্য অস্ত নাযায়, ইমানেই বিস্তীৰ্ণ তাৰ পৰিধি। ঔদ্যোগিক বিপ্লৱৰ ফল স্বৰূপে ইংলেণ্ডৰ জনসাধাৰণে প্ৰাচুৰ্য্যৰ মুখ দেখিবলৈ পাইছিল আৰু ন ন আৱিষ্কাৰ দেখি শিহৰিত হৈছিল। কিন্তু এফালে যেনেকৈ প্ৰাচুৰ্য্য আৰু পৰাক্ৰমৰ সুৱৰ্ণ দ্যুতি, আনফালে দৈন্য আৰু অন্যায়ৰ অন্ধকাৰ। সেই সমাজত বৈষম্য আছিল চৰম। অৱশ্যে স্বীকাৰ কৰিব লাগিব যে ইউৰোপৰ আন বহুতো দেশৰ অৱস্থা ইংলেণ্ডতকৈয়ো শোচনীয় আছিল। দৰাচলতে যিটো দশকত "ভেনিটী ফেয়াৰ" ৰচিত হৈছিল , সেই চল্লিশৰ দশকত ইউৰোপৰ বহুতো অঞ্চল বিপ্লৱৰ ৱহ্নিয়ে ছাটি ধৰিছিল। ইংলেণ্ডত সেই সময়ত সশস্ত্ৰ বিপ্লৱ বা বিদ্ৰোহ হোৱা নাছিল, কিন্তু তেনে হোৱাৰ আশংকাই বহুতৰে মন আচ্ছন্ন কৰি ৰাখিছিল।

সমাজৰ কিছুমান শ্ৰেণীৰ দাবী আৰু প্ৰয়োজন আওকাণ কৰি অইন কিছুমান শ্ৰেণীয়ে সমাজৰ সা-সুবিধা ভোগ কৰাত মত্ত হ'লে যে অশান্তি আৰু বিদ্ৰোহৰ দাবানল জ্বলি উঠিব পাৰে, সেইটো অন্তত আওপকীয়াভাৱে উইলিয়াম থেকাৰেই "ভেনিটী ফেয়াৰ"ত কৈছে। কিতাপখনৰ নায়িকা হ'ল বেকী শ্বাৰ্প, কিন্তু খলনায়িকাও এই বেকী শ্বাৰ্পেই। কাহিনীৰ সূত্ৰপাত হয় বেকী শ্বাৰ্পৰ নানা আশা-আকাংক্ষাৰ বৰ্ণনাৰে আৰু তেওঁ এই আশা-আকাংক্ষাবোৰ পূৰণ কৰিবলৈ যিবোৰ বিভিন্ন ফন্দি পাতে সেইবোৰে উপন্যাসখন আকৰ্ষণীয় আৰু গতিশীল কৰি তোলে। উপন্যাসখনত আৰু এগৰাকী নায়িকা আছে। যি বেকী শ্বাৰ্পৰ দৰে মতলববাজী বা লোভী নহয়। কিন্তু এমেলিয়া চেডলী নামৰ এই লেহুকা, নিস্তেজ নায়িকাগৰাকীৰ ওপৰত ভৰ কৰি কাহিনী খৰতকীয়া আৰু চিত্তাকৰ্ষকভাৱে আগবাঢ়িব নোৱাৰিলেহেঁতেন।

বেকী শ্বাৰ্পৰ নানা কু-অভিপ্ৰায় আৰু বিদ্ৰোহী মনোভংগীৰ ব্যাখ্যা কিতাপখনৰ প্ৰথম অধ্যায়তে আছে। শিক্ষা সাং কৰি পিংকাৰটন্‌ছ্ একাডেমী নামৰ বিদ্যালয়খনৰ পৰা বিদায় লোৱাৰ প্ৰাক মুহূৰ্তত আমি এমেলিয়া আৰু বেকীক লগ পাওঁ। ধনী আৰু দুখীয়াৰ প্ৰতি সমান বিচাৰ নকৰি সমাজে দুখীয়াৰ অন্তৰত কি দৰে বিদ্ৰোহৰ বীজ ৰোপণ কৰে উপন্যাসখনৰ প্ৰথম অধ্যায়টো তাৰে নিদৰ্শন। স্বভাৱত সুশীলা আৰু কৰুণাময়ী হোৱা বাবে এমেলিয়াক সকলোৱে ভাল পায়, কিন্তু তেওঁৰ জনপ্ৰিয়তাৰ মুখ্য কাৰণ হ'ল তেওঁৰ পিতৃৰ ঐশ্বৰ্য্য: বেকী শ্বাৰ্পক কোনেও ভাল নাপায়, কিয়নো তেওঁ এমেলিয়াৰ দৰে মধুৰ স্বভাৱৰ নহয়। কিন্তু তাতোকৈ ডাঙৰ কথা হ'ল যে বেকী শ্বাৰ্প এজনী দুঃস্থ অনাথ তৰুণী। একাডেমীৰ পৰা বিদায় লোৱাৰ মুহূৰ্তত বেকী শ্বাৰ্পে নিজৰ চুটকেচ নিজেই লৈ সকলোৱে অলক্ষিতে নামি আহে, কিয়নো বাকী সকলো এমেলিয়াক লৈয়ে ব্যস্ত হৈ আছিল।

"ভেনিটী ফেয়াৰ"খন এনে এখন সমাজৰ চিত্ৰণ, য'ত মানুহে সামাজিক মৰ্য্যাদা, আভিজাত্য আৰু ঐশ্বৰ্য্যৰ ক্ষমতা লাভ কৰিবলৈ মতলীয়া হৈ থাকে। জন্মসূত্ৰে যি এইবোৰৰ অধিকাৰী, তাৰ সকলো দোষেই সমাজে আওকাণ কৰে। উদাহৰণ স্বৰূপে চাৰ পিট ক্ৰওলী বোলা চৰিত্ৰটোৰ কথা ক'ব পাৰি। এই মানুহজন শিয়ালৰ দৰে ধূৰ্ত, চৰম লোভী, স্বাৰ্থপৰ, লম্পট স্বভাৱৰ আৰু সাজ-পাৰতো জধলা, কিন্তু সমাজত তেওঁৰ স্থান উচ্চ, তেওঁক বহুতো প্ৰভাৱ-প্ৰতিপত্তিশীল মানুহে সমাদৰ কৰে, কিয়নো তেওঁৰ শিৰা-উপশিৰাত বৈ আছে আভিজাত্যৰ নীল ৰক্ত। সমাজে বংশগত আভিজাত্যৰ আৰাধনা কৰে, কিন্তু আভিজাত্যৰ বাহিৰেও আৰু এটা গুণ বা শক্তিৰ আগত অতি সহজে নতি স্বীকাৰ কৰে আৰু সেইটো হ'ল অৰ্থ।

ভিক্টোৰিয়ান সমাজত অৰ্থৰ লালসা চৰম পৰ্য্যায় পাইছিলগৈ, কিয়নো ঔদ্যোগিক বিপ্লৱ আৰু উপনিবেশিকতাবাদৰ ফলস্বৰূপে অৰ্থ উপাৰ্জনৰ নতুন নতুন দিগন্তৰ দিনৌ উন্মোচন হৈছিল। দুখীয়া হোৱাটো হঠাতে লাজৰ কথা আৰু আনকি এক হিচাপৰ অপৰাধৰ কথাও হৈ পৰিছিল। উচ্চ বংশজাত, সম্ভ্ৰান্ত লোকসকলৰ যদিও প্ৰভূত মান-মৰ্যাদা আছিল, আচল ক্ষমতা লাহে লাহে ব্যৱসায়ী সম্প্ৰদায়ৰ দখললৈ আহিছিল। "ভেনিটী ফেয়াৰ"ত এই ব্যৱসায়ী সম্প্ৰদায়ৰ প্ৰতিনিধিত্ব কৰিছে মিঃ ওচবৰ্ণ নামৰ এজন মইবৰ আৰু ৰুক্ষ স্বভাৱৰ ভদ্ৰলোকে।

আৰম্ভণিতে বেকী শ্বাৰ্পৰ টকা-পইচা নাছিল আৰু বংশগত মৰ্য্যাদাও নাছিল, কিন্তু তেওঁৰ আন এবিধ শক্তি আছিল। তেওঁৰ বুদ্ধি অতি প্ৰখৰ আৰু জীৱন সংগ্ৰামত এই বুদ্ধিয়েই তেওঁৰ বাবে এবিধ শাণিত অস্ত্ৰ। নিজৰ বুদ্ধি আৰু প্ৰতিভাৰ সুব্যৱহাৰ কৰি বেকী শ্বাৰ্পে সমাজৰ বহুতো গণ্যমান্য লোকৰ তুলনাত তেওঁৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰে। উদাহৰণ স্বৰূপে, কিতাপখনৰ প্ৰথম অধ্যায়ত পিংকাৰটন্‌ছ্



একাডেমীৰ অধ্যক্ষাগৰাকীয়ে বেকীক তুচ্ছ-তাচ্ছিল্য কৰিবলৈ ওলোৱাত বেকীয়ে ফৰাচী ভাষাত বাক্য বাণ হানি অধ্যক্ষাগৰাকীক একেবাৰে ভেচভেচীয়া কৰি পেলায়। দৰাচলতে ফৰাচী ভাষাত পাৰদৰ্শিতা দেখুৱাব পৰাটো উচ্চ খাপৰ লোকৰ গুণ বুলি বিবেচনা কৰা হয় আৰু এই ভাষাত নিজৰ অজ্ঞতা প্ৰকট কৰি মহা পৰাক্ৰমী আৰু অহংকাৰী অধ্যক্ষাগৰাকীয়ে বেকী শ্বাৰ্পৰ সন্মুখত সেও মানিবলগীয়া হয়।

ইয়াৰ পিছত বেকীয়ে চাৰ পিট ক্ৰওলীৰ বিশাল জমিদাৰিৰ বাসিন্দা হৈ লৈ পুনৰায় নিজৰ বুদ্ধি প্ৰয়োগ কৰি ক্ৰওলীৰ সংসাৰৰ অপৰিহাৰ্য্য অংগ হৈ পৰে। চাৰ ক্ৰওলীৰ নানা কাম-কাজত নিজৰ উপযোগিতা প্ৰমাণ কৰি আৰু নিজৰ আকৰ্ষণীয় ব্যক্তিত্বৰ মায়াজালেৰে চাৰ ক্ৰওলীৰ মন মোহি বেকীয়ে ঘৰৰ গৃহিণী ৰ'জ ক্ৰওলীৰ অস্তিত্ব ধূলিসাৎ কৰি পেলায়। চালাক-চতুৰ বেকীয়ে ক্ৰওলীৰ ঘৰৰ চাকৰ বাকৰবোৰক ভালৰি বোলাই সিহঁতক নিজৰ পক্ষলৈ আনি অৱশেষত জমিদাৰিখনৰ সৰ্বেসৰ্বা হৈ পৰে।

এনেদৰে বেকীয়ে ধনী আৰু অভিজাত জগতখনৰ মাজেৰে অভিযান চলাই গৈ থাকে। তেওঁৰ কাৰ্য্য-কলাপৰ ফলত উচ্চ বংশৰ মানুহবোৰৰ নানা দোষ আৰু দুৰ্বলতা প্ৰতিভাত হৈ পৰে। এজন উপযুক্ত, ধনবান পতিৰ সন্ধানত বেকীয়ে নৈতিকতাক জলাঞ্জলি দিয়ে। কিন্তু থেকাৰেই আমাক সঁকীয়াই দিয়ে যে হিচাপ-নিকাচৰ ভিত্তিতে জীৱন চলি আছে আৰু অকলশৰীয়া অনাথ বেকীক দোষ দি লাভ নাই কিয়নো "ভেনিটী ফেয়াৰ"ৰ বেছিভাগ বিবাহেই প্ৰেম-ভিত্তিক হোৱাৰ সলনি একোটা বাণিজ্যিক লেন-দেনৰ দৰে হে হৈছে। ৰ'জ ক্ৰওলীৰ মৃত্যু হোৱাৰ পিছত থেকাৰেই মন্তব্য দিয়ে, "শৰীৰ নাশ হোৱাৰ বহু আগেয়ে তেওঁৰ অন্তৰ মৃত হৈ পৰিছিল। চাৰ পিটৰ পত্নী হ'বলৈ গৈ তেওঁ এই অন্তৰখন বেচি দিছিল। ভেনিটী ফেয়াৰত মাক আৰু জীয়েকসকলে এনে ধৰণৰ ব্যৱসায় অনবৰতে কৰি থাকে।" পৰস্পৰৰ প্ৰতি আসক্ত হৈ নহয়, কিবা লাভৰ আশাতহে বিবাহ পাশত আবদ্ধ হোৱা ঘটনাটো আমাৰ সমাজতো কিমান সঘনাই দেখিবলৈ পাওঁ!

"ভেনিটী ফেয়াৰ"ৰ পটভূমি বিশাল, ঘটনাৱলীৰ নেপথ্যৰ নেপ'লিয়নিক যুদ্ধৰ দৰে বিৰাট ঐতিহাসিক ঘটনায়ো গুমগুমাই থাকে। কিন্তু প্ৰধানকৈ গ্ৰন্থখনত ঘৰুৱা ৰাজনীতিৰ ওপৰতহে মনোনিৱেশ কৰা হৈছে। থেকাৰেই ইয়াকে দেখুৱাবলৈ সক্ষম হৈছে যে মানুহৰ চৰিত্ৰ গঠন হয় একোখন ঘৰৰ চাৰিবেৰৰ মাজত আৰু এই চাৰিবেৰৰ ভিতৰতে নৰ-নাৰীৰ মাজত নানা ধৰণৰ সংঘৰ্ষও হয়। ভিক্টোৰিয়ান সমাজৰ দৰে পিতৃ-প্ৰধান সমাজত একোখন ঘৰত মাইকী মানুহ প্ৰায়ে নিষ্পেষিত হৈ থাকে, বা খুব বেছি ঘৰ শুৱনি কৰি বহি থাকে। বেকীয়ে কিন্তু ক্ৰওলীৰ ঘৰত

দোষ-ক্ৰুতিমুক্ত হ'লহেঁতেন তেতিয়া হ'লে বেকী শ্বাৰ্পৰ প্ৰয়োজন নহ'লহেঁতেন। পৃথিৱীত অন্যায়-অধৰ্ম, পাপ-দুৰ্নীতি, শঠতা, ভণ্ডামী থকালৈকে বেকী শ্বাৰ্পৰ দৰে চৰিত্ৰৰ উপস্থিতি আৱশ্যকীয়। তেওঁ নিজেও "ধোৱা তুলসী" নহ'ব পাৰে, কিন্তু তেওঁলোকৰ দোষবোৰো আঙুলিয়াই দিয়ে। তেওঁ চাৰ পিট আৰু লৰ্ড ষ্টাইনৰ লাম্পত্য, জোছ চেডলী আৰু জৰ্জ ওচবৰ্ণৰ ভেম আৰু এমেলিয়া চেডলীৰ বুৰ্বকামীৰ পূৰ্ণ সুযোগ লয়। বেকী শ্বাৰ্পে কিছুমান ইতিবাচক কাৰ্য্যও কৰে, যেনে— ৰ'ডন ক্ৰওলীৰ দৰে উতনুৱা স্বভাৱৰ পুৰুষৰ ওপৰত আধিপত্য বিস্তাৰ কৰি নাৰীয়ে যে অতি পৰাক্ৰমী পুৰুষবো বশ মানি থাকিব নালাগে, সেই কথাটো জলজল পটপটকৈ বাহিৰ কৰি দিয়ে। কাউণ্টেছ বেয়াৰ একাৰ্ছৰ দৰে অহংকাৰী সম্ভ্ৰান্ত বংশৰ মহিলাগৰাকীক বিদ্ৰূপ আৰু অৱহেলাৰ পাত্ৰ কৰি তেওঁ ভিক্টোৰিয়ান সমাজত "নিম্ন শ্ৰেণী'ৰ লোকৰ ক্ৰমবৰ্দ্ধমান উত্থানৰ এক উল্লেখযোগ্য চানেকি স্থাপন কৰিলে। বংশগতভাৱে নানা সা-সুবিধাৰ পৰা বঞ্চিত হোৱা অইন দেশৰ অইন যুগৰ লোকেও বেকীৰ লগত একাত্মতা বিচাৰি পায়।

লোভী আৰু মতলবী হলেও "ভেনিটী ফেয়াৰ"ৰ ভণ্ড সমাজত বেকী শ্বাৰ্পে সত্য ভাষণ কৰাৰ ভূমিকাও গ্ৰহণ কৰে। এমেলিয়া চেডলীয়ে উপকৰা স্বভাৱৰ, স্বাৰ্থপৰ জৰ্জ ওচবৰ্ণৰ প্ৰেমত মজি ডবিন নামৰ নিষ্ঠাবান ডেকা এজনৰ প্ৰেম প্ৰত্যাখ্যান কৰে। আনকি জৰ্জৰ মৃত্যুৰ পিছতো এমেলিয়াই ডবিনক অৱহেলা কৰি জৰ্জৰ স্মৃতিৰ প্ৰতি অনুগত হৈ থাকিবলৈ বিচাৰে। যদিও ডবিন বেকীৰ এজন ক্ষমাহীন সমালোচক, বেকীয়ে এমেলিয়াক জনাই দিয়ে যে দৰাচলতে জৰ্জ এজন ভুৱা, প্ৰতাৰক স্বভাৱৰ মানুহ আছিল, যি এমেলিয়াক বিয়া কৰোৱাৰ পিছতো বেকীৰ প্ৰতি প্ৰেম নিবেদন কৰিছিল।

"ভেনিটী ফেয়াৰ" বিশ্ব সাহিত্যৰ এখন বিখ্যাত কমেডী। কিন্তু ইয়াত নিৰ্মল হাস্যৰসতকৈ তীৰ্য্যক ব্যংগহে বেছি প্ৰকটকৈ ওলাইছে। থেকাৰেই নিজকে হেনৰী ফিল্ডিঙৰ শিষ্য বুলি ক'ব বিচাৰে। কিন্তু ফিল্ডিঙৰ আশাবাদ "ভেনিটী ফেয়াৰ"ত সম্পূৰ্ণভাৱে অনুপস্থিত। সেই বাবে আমি দেখো যে ভাল এমেলিয়া একেবাৰে অকামিলা, যি ক্ষেত্ৰত বেয়া বেকীয়ে অইনৰ ওপৰত কিছু ইতিবাচক প্ৰভাৱ পেলাব পাৰিছে। আমাৰ আধুনিক সমাজত— য'ত ভাল বেয়াৰ সংজ্ঞা নিৰূপণ কৰা কঠিন হৈ পৰিছে— "ভেনিটী ফেয়াৰ"খন এখন বিশেষভাৱে পঠনীয় গ্ৰন্থ।



# ডিকেন্স, হেমিংওৱে, হাইনুন আৰু আজিৰ অসম

"They went quietly down into the roaring streets, inseparable and blessed,, and as they passed along in sunshine and in shade, the noisy and the eager, and the arrogant and the forward and the vain, fretted and chafed, and made their usual uproar."

এনেদৰেই চাৰ্লছ ডিকেন্সে তেওঁৰ জীৱনৰ শেষ ৰ পিনে লিখা "Little Dorrit" নামৰ উপন্যাসখনৰ সমাপ্তি কৰিছে। এই উপন্যাসখন লিখাৰ সময়ত ডিকেন্সৰ আশাবাদৰ যথেষ্ট স্খলন হৈছিল। সমাপ্তিত উল্লিখিত এই দুটি চৰিত্ৰ হ'ল এমি ডৰিট আৰু আৰ্থাৰ ক্লেনাম। তেওঁলোকৰ মিলন যে কিছুমান উদ্ধত আৰু অসভ্য লোকৰ মইমতালি আৰু কোলাহলৰ মাজত হ'বলগীয়া হৈছে সি এইটোকে সূচায় যে ডিকেন্সে এই সময়ত সমগ্ৰ সমাজখনৰ নৈতিকভাৱে পুনৰুত্থানত বিশ্বাস কৰিবলৈ অক্ষম হৈছে। তেওঁৰ মুখ্য চৰিত্ৰবোৰে মাথো একধৰণৰ মৃদু, মাৰ্জিত আনন্দ আৰু শান্তি-সান্ত্বনা লভিয়েই সন্তুষ্ট থাকিব লগীয়া হৈছে। তেওঁলোকে এবিধ 'পৃথক শান্তি'ৰ সোৱাদ পাইছে। মই আমাৰ দেশ, আমাৰ সময়ৰ বাবে চাৰ্লছ ডিকেন্সক সদায়ে অতি প্ৰাসংগিক বুলি বিবেচনা কৰি আহিছোঁ। তেওঁ এক সাৰ্বজনীন দৃষ্টিভংগীৰে আমাৰ সভ্যতাৰ নানা অসুখ-অশান্তিৰ বিশ্লেষণ কৰিছে আৰু দেখুৱাইছে যে লোভ, ভণ্ডামী, নিষ্ঠুৰতা আৰু কপটতা সৰ্বদা বিৰাজমান। কিন্তু তেওঁৰ লেখনীৰ বহুতো কথাই তৃতীয় বিশ্বৰ অধিবাসী পাঠকসকলৰ অন্তৰত বিশেষভাৱে আৱেগৰ জোৱাৰ তোলে, কিয়নো তৃতীয় বিশ্বৰ শিশুৰ ওপৰত নানা নিৰ্য্যাতন অব্যাহত গতিত চলি আছে আৰু ইংলেণ্ডৰ ভিক্টোৰিয়ান যুগৰ এই ঔপন্যাসিকজনৰ শিশুৰ ওপৰত আছিল গভীৰ অনুকম্পা; তৃতীয় বিশ্বৰ দৰিদ্ৰসকল বেছিভাগ মানুহৰে বিবেকৰ পৰা বহিষ্কৃত হৈছে আৰু ডিকেন্স আছিল এনে এজন সংবেদনশীল লিখক যি প্ৰত্যেকখন উপন্যাসতে দৰিদ্ৰৰ বাবে অজস্ৰ চকুলো নিগৰাইছে; তৃতীয় বিশ্বত শিক্ষা এক প্ৰকাৰ ভেকো-ভাওনা, তাৰ চৰকাৰী আমোলাতন্ত্ৰও এক প্ৰকাৰৰ অশিক্ষিত আৰু ডিকেন্সক এইবোৰ কথাই ক্ৰোধান্বিত কৰি তুলিছিল।

Little Dorrit -অত এলেহুৱা চৰকাৰৰ অকৰ্মন্যতাৰ শক্তিশালী বৰ্ণনা আছে। ইয়াত 'বহুবল্কিতা কাৰ্য্যালয়' (Circumlocution office) নামৰ এটা অতি প্ৰভাৱশালী দপ্তৰ আছে যাৰ মূলমন্ত্ৰ হ'ল— 'কেনেকৈ নকৰাকৈ থাকিব পাৰি (How Not to Do It)- এই দপ্তৰটোৱে নিজেই যে কেৱল নিষ্ক্ৰিয় হৈ বহি থাকে এনে নহয়— ই উদ্যোগী আৰু কৰ্মদক্ষ মানুহক অপৰাধীৰ কাঠগড়াত থিয় কৰাই দিয়ে।

এইবোৰ কথা আমাৰ বাবে বৰ চিনাকি নহয়নে? ডিকেন্সৰ জগতৰ দৰে ভাৰতো তথা অসমতো আমোলাতন্ত্ৰৰ আধিপত্য আৰু আতংগ্ৰস্থি সীমাহীন। কোনো লোক এই ভাল কামৰ প্ৰতি আগ্ৰহী হ'লে বা কোনো ধৰণৰ প্ৰতিবাদ কৰিব গ'লে এই আমোলাতন্ত্ৰই তেওঁক নিজৰ মেৰপেচত আবদ্ধ কৰি পেলায়। গতিকে হতাশাগ্ৰস্ত আৰু অসহায় হৈ তেওঁ ব্যক্তিগত সুখ আৰু অৰ্থৰ সন্ধানত ব্যস্ত হৈ পৰে আৰু জনজীৱনৰ পৰা ফালৰি কাটি আছে। কিন্তু এনেকুৱা হোৱাটোও এক আশ্চৰ্য্যৰ বিষয়। আমাৰ সমাজৰ ত্ৰুটি-বিচ্যুতিবোৰ আঙুলিয়াই দিয়া লোকৰ অভাৱ নাই। অইন বহুতো তৃতীয় বিশ্বৰ দেশৰ তুলনাত আমাৰ সংবাদ-মাধ্যম এতিয়াও স্বাধীন আৰু সাংবাদিকে চৰকাৰৰ কুকীৰ্তিবোৰ নিতৌ প্ৰকাশ কৰিয়েই আছে। কিন্তু [illegible] মাধ্যমেই নহয়, এজন সাধাৰণ নাগৰিকৰ বৈঠকখানাত চলা আলোচনা-বিলোচনা [illegible] শুনা যায় যে তাৰ অংশীদাৰসকলে আমাৰ দেশৰ ত্ৰুটি বিচ্যুতিবোৰ সঠিকভাৱেই বিশ্লেষণ কৰিছে। আমাৰ [illegible] ইমান তীক্ষ্ণবুদ্ধি সম্পন্ন আৰু গভীৰ অন্তৰ্দৃষ্টিৰ সমালোচক আছে সেইটো ভাবিলে কেতিয়াবা বিস্ময়বোধ জাগে।

কিন্তু সেই অন্তহীন সমালোচনা আৰু বিশ্লেষণৰ কোনো গঠনমূলক পৰিণাম আৰু চকুত নপৰে। জীৱনৰ চকৰি ঘূৰি থাকে আৰু যি সকলো ধৰণৰ সৎ আৰু সুস্থ অভিপ্ৰায়ক সঞ্জীৱিত কৰাৰ সলনি মষিমূৰহে কৰি পেলায়। বোধহয় অইন বহুতো চৰকাৰৰ তুলনাত আমাৰ প্ৰশাসন-ব্যৱস্থাটো বেছি পুৰণিকলীয়া আৰু পঁয়ালগা। কোনো কোনোৱে ক'ব খোজে যে অৰ্থনৈতিক ক্ষেত্ৰত ব্যক্তিগত খণ্ডৰ ওপৰত ক্ৰম-বৰ্দ্ধমান গুৰুত্ব আৰোপৰ নীতিয়ে আমাক উদ্ধাৰ কৰিব। কিন্তু এই সম্পৰ্কে বি ধৰণৰ তাত্বিক বিতৰ্ক হৈ আছে আমাৰ দৈনন্দিন জীৱনৰ বাবে সেইবোৰৰ প্ৰাসংগিকতা আছে নে নাই সেইটো নিৰ্ণয় কৰিবলৈ কেইটামান ব্যক্তিগত উদাহৰণ এই আলোচনাৰ অন্তৰ্ভুক্ত কৰিবলৈ বিচাৰিছোঁ।

অলপতে মই এখন দোকানৰ পৰা এটা ব্ৰইলাৰ (broiler chicken) মূৰ্গী কিনিছিলোঁ। পেকেটটো খুলি অত্যন্ত ঘৃণা লাগিল যেতিয়া দেখিলো যে দোকানীয়ে মূৰটো নকটাকৈ ভৰাই দিছে। অৰ্থাৎ দোকানীটোৱে ইমান চৰা দামৰ ব্ৰইলাৰটো



ঠিকমতে কাটি-বাছি দিয়া নাই। মৃত মূৰ্গীটোৱে যেন মোলৈ ট-ট কৈ চাই মোক অভিযোগহে কৰিছে! আন এখন দোকানত মই বস্তু কেইটামান কিনিবলৈ তালিকা এখন দি অপেক্ষা কৰি আছিলোঁ। এগৰাকী সুদৰ্শনা মহিলাৰ আৱিৰ্ভাৱ হোৱাৰ লগে লগে দোকানীজনে মোৰ অস্তিত্বৰ কথা পাহৰি তেওঁকে আপ্যায়ন কৰাত লাগি গ'ল।

ওপৰোক্ত দোকানী দুজন ক্ষুদ্ৰ পুঁজিবাদী। কিন্তু মই ব্যক্তিগত খণ্ডক হেয় প্ৰতিপন্ন কৰিবলৈ এই উদাহৰণবোৰ দাঙি ধৰা নাই। ব্যক্তিগত খণ্ডৰ বাণিজ্যিক দৰ্শনে মানুহক বাছ-বিচাৰ কৰাৰ সুবিধা দিয়ে, মই এতিয়া ওপৰোক্ত দোকান দুখনৰ পৃষ্ঠপোষকতা কৰাটো বন্ধ কৰিছোঁ। যদি কোনো এখন দোকান বা ব্যৱসায়ী প্ৰতিষ্ঠানে আমাক উপযুক্ত সামগ্ৰী সৰবৰাহ নকৰে বা সেৱা আগ নবঢ়ায় তেতিয়াহ'লে আমি সেই দোকান বা প্ৰতিষ্ঠান বৰ্জন কৰিব পাৰোঁ। কিন্তু আমাৰ বহুতো ক্ৰেতাই উপলব্ধি কৰে যে বস্তু নিৰ্বাচন কৰাৰ স্বাধীনতা বহু ক্ষেত্ৰত তাত্বিক পৰ্য্যায়তে আবদ্ধ থাকে। আমি যদি ত্ৰুটিহীন সেৱা বা নিখুঁত সামগ্ৰী বিচাৰোঁ তেতিয়াহ'লে আমি বোধহয় কোনোবা স্বৰ্গৰাজ্যৰহে সন্ধান কৰিব লাগিব। ব্যক্তিগত খণ্ডৰ উদ্যোগীৰ হাতত দেশৰ অৰ্থনীতিৰ বাঘজৰী তুলি দিলেই দৈৱিকভাৱে আমাৰ সকলো সমস্যাৰ সমাধান হ'ব বুলি আশা কৰাটো নিস্ফল হ'ব।

দৰাচলতে আমি অৰ্থনীতিৰ কথা কওঁতে 'ব্যক্তিগত' আৰু 'ৰাজহুৱা' উদ্যোগৰ মাজত যে বিভাজন কৰোঁ সেইটো প্ৰহসনপূৰ্ণ। আমাৰ দেশৰ ব্যৱসায়ী আৰু উদ্যোগী প্ৰতিষ্ঠানবোৰৰ ৬৫ শতাংশই ৰাজহুৱা খণ্ডৰ এক্তিয়াৰত। কিন্তু প্ৰকৃততে সকলোতে ব্যক্তিগত দৰ্শনৰ প্ৰাধান্যহে পৰিলক্ষিত হয়। এগৰাকী চৰকাৰী চাকৰিয়ালে তেওঁৰ ৰাজহুৱা দায়িত্বৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ অংশ পালন কৰিবলৈকো অপাৰগ, কিন্তু তেওঁৰ ব্যক্তিগত জীৱনত নিজৰ স্বাৰ্থসিদ্ধিৰ সকলো কাম-কাজতে অতিশয় দক্ষ। তেওঁ নানা সন্দেহজনক উপায়েৰে ধন ঘটি নিজৰ বাবে প্ৰাসাদোপম গৃহ নিৰ্মাণ কৰে, এক বা একাধিক গাড়ীও কিনে আৰু ল'ৰা-ছোৱালীক ব্যয়-বহুল বিদ্যালয়লৈ পঠিয়ায়। তেওঁৰ ব্যক্তিগত সম্পত্তি এনেদৰে সংগ্ৰহ আৰু সংৰক্ষণ কৰে যেন তেওঁ এজন সামন্তযুগীয় প্ৰভুহে।

কিন্তু সমগ্ৰ ৰাজ্যখনৰ যদি বিকাশ বা উন্নতি নহয়, তেতিয়াহলে ব্যক্তিগত সমাজ এখনৰ সুখ ভোগ কৰাতো বাধা আহি পৰিব। আমি যেতিয়া আমাৰ উত্থানমুখী মধ্যবিত্ত শ্ৰেণীৰ অৱস্থা নিৰীক্ষণ কৰোঁ, তেতিয়া এনে লাগে যেন এখন চৰম দৰিদ্ৰ দেশত কিছুমান অত্যন্ত ঐশ্বৰ্য্যশালী লোকে এটা দ্বীপতহে যেন অকলে বসবাস কৰি আছে। কিন্তু এনে সুবিধাজনক স্থিতি সদায় অব্যাহত থকাটো সম্ভৱ নহয়। কোনো কোনো মুহূৰ্তত এনে সংকট বা বিপৰ্যয়ৰ সৃষ্টি হয় যে প্ৰভাৱশালী

Little Dorrit -অত এলেহুৱা চৰকাৰৰ [illegible] বৰ্ণনা আছে। ইয়াত 'বহুবল্কিতা কাৰ্য্যালয়' (Circumlocution office) নামৰ এটা অতি প্ৰভাৱশালী দপ্তৰ আছে যাৰ মূলমন্ত্ৰ হ'ল— 'কেনেকৈ নকৰাকৈ থাকিব পাৰি' (How Not to Do It)- এই দপ্তৰটোৱে নিজেই যে কেৱল নিষ্ক্ৰিয় হৈ বহি থাকে এনে নহয়— ই উদ্যোগী আৰু কৰ্মদক্ষ মানুহক অপৰাধীৰ কাঠগড়াত থিয় কৰাই দিয়ে।

এইবোৰ কথা আমাৰ বাবে বৰ চিনাকি নহয়নে? ডিকেন্সৰ জগতৰ দৰে ভাৰত তথা অসমতো আমোলাতন্ত্ৰৰ আধিপত্য আৰু আতপালি সীমাহীন। কোনো লোক ভাল কামৰ প্ৰতি আগ্ৰহী হ'লে বা কোনো ধৰণৰ প্ৰতিবাদ কৰিব গ'লে এই আমোলাতন্ত্ৰই তেওঁক নিজৰ মেৰপেচত আবদ্ধ কৰি পেলায়। গতিকে হতাশাগ্ৰস্ত আৰু অসহায় হৈ তেওঁ ব্যক্তিগত সুখ আৰু অৰ্থৰ সন্ধানত ব্যস্ত হৈ পৰে আৰু জনজীৱনৰ পৰা ফালৰি কাটি আহে। কিন্তু এনেকুৱা হোৱাটোও এক আশ্চৰ্য্যৰ বিষয়। আমাৰ সমাজৰ ত্ৰুটি-বিচ্যুতিবোৰ আঙুলিয়াই দিয়া লোকৰ অভাৱ নাই। অইন বহুতো তৃতীয় বিশ্বৰ দেশৰ তুলনাত আমাৰ সংবাদ-মাধ্যম এতিয়াও স্বাধীন আৰু সাংবাদিকে চৰকাৰৰ কুকীৰ্তিবোৰ নিতৌ প্ৰকাশ কৰিয়েই আছে । কিন্তু অকল বাতৰি কাকতৰ মাধ্যমেই নহয়, এজন সাধাৰণ নাগৰিকৰ বৈঠকখানাত চলা আলোচনা-বিলোচনা শুনিলেও গম পোৱা যায় যে তাৰ অংশীদাৰসকলে আমাৰ দেশৰ ত্ৰুটি বিচ্যুতিবোৰ সঠিকভাৱেই বিশ্লেষণ কৰিছে। আমাৰ সৰু ৰাজ্যখনত যে ইমান তীক্ষ্ণবুদ্ধি সম্পন্ন আৰু গভীৰ অন্তৰ্দৃষ্টিৰ সমালোচক আছে সেইটো ভাবিলে কেতিয়াবা বিস্ময়বোধ জাগে।

কিন্তু সেই অন্তহীন সমালোচনা আৰু বিশ্লেষণৰ কোনো গঠনমূলক পৰিণাম আৰু চকুত নপৰে। জীৱনৰ চকৰি ঘূৰি থাকে আৰু যি সকলো ধৰণৰ সৎ আৰু সুস্থ অভিপ্ৰায়ক সঞ্জীৱিত কৰাৰ সলনি মষিমূৰহে কৰি পেলায়। বোধহয় অইন বহুতো চৰকাৰৰ তুলনাত আমাৰ প্ৰশাসন-ব্যৱস্থাটো বেছি পুৰণিকলীয়া আৰু পঁয়ালগা। কোনো কোনোৱে ক'ব খোজে যে অৰ্থনৈতিক ক্ষেত্ৰত ব্যক্তিগত খণ্ডৰ ওপৰত ক্ৰম-বৰ্দ্ধমান গুৰুত্ব আৰোপৰ নীতিয়ে আমাক উদ্ধাৰ কৰিব। কিন্তু এই সম্পৰ্কে যি ধৰণৰ তাত্ত্বিক বিতৰ্ক হৈ আছে আমাৰ দৈনন্দিন জীৱনৰ বাবে সেইবোৰৰ প্ৰাসংগিকতা আছে নে নাই সেইটো নিৰ্ণয় কৰিবলৈ কেইটামান ব্যক্তিগত উদাহৰণ এই আলোচনাৰ অন্তৰ্ভুক্ত কৰিবলৈ বিচাৰিছোঁ।

অলপতে মই এখন দোকানৰ পৰা এটা ব্ৰইলাৰ (broiler chicken) মূৰ্গী কিনিছিলোঁ। পেকেটটো খুলি অত্যন্ত ঘৃণা লাগিল যেতিয়া দেখিলো যে দোকানীয়ে মূৰটো নকটাকৈ ভৰাই দিছে। অৰ্থাৎ দোকানীটোৱে ইমান চৰা দামৰ ব্ৰইলাৰটো



ঠিকমতে কাটি-বাছি দিয়া নাই। মৃত মূৰ্গীটোৱে যেন মোলৈ ট-ট কৈ চাই মোক অভিযোগহে কৰিছে! আন এখন দোকানত মই বস্তু কেইটামান কিনিবলৈ তালিকা এখন দি অপেক্ষা কৰি আছিলোঁ । এগৰাকী সুদৰ্শনা মহিলাৰ আৱিৰ্ভাৱ হোৱাৰ লগে লগে দোকানীজনে মোৰ অস্তিত্বৰ কথা পাহৰি তেওঁকে আপ্যায়ন কৰাত লাগি গ'ল।

ওপৰোক্ত দোকানী দুজন ক্ষুদ্ৰ পুঁজিবাদী। কিন্তু মই ব্যক্তিগত খণ্ডক হেয় প্ৰতিপন্ন কৰিবলৈ এই উদাহৰণবোৰ দাঙি ধৰা নাই। ব্যক্তিগত খণ্ডৰ বাণিজ্যিক দৰ্শনে মানুহক বাছ-বিচাৰ কৰাৰ সুবিধা দিয়ে, মই এতিয়া ওপৰোক্ত দোকান দুখনৰ পৃষ্ঠপোষকতা কৰাটো বন্ধ কৰিছোঁ। যদি কোনো এখন দোকান বা ব্যৱসায়ী প্ৰতিষ্ঠানে আমাক উপযুক্ত সামগ্ৰী সৰবৰাহ নকৰে বা সেৱা আগ নবঢ়ায় তেতিয়াহ'লে আমি সেই দোকান বা প্ৰতিষ্ঠান বৰ্জন কৰিব পাৰো। কিন্তু আমাৰ বহুতো ক্ৰেতাই উপলব্ধি কৰে যে বস্তু নিৰ্বাচন কৰাৰ স্বাধীনতা বহু ক্ষেত্ৰত তাত্ত্বিক পৰ্য্যায়তে আবদ্ধ থাকে। আমি যদি ত্ৰুটিহীন সেৱা বা নিখুঁত সামগ্ৰী বিচাৰো তেতিয়াহ'লে আমি বোধহয় কোনোবা স্বৰ্গৰাজ্যৰহে সন্ধান কৰিব লাগিব। ব্যক্তিগত খণ্ডৰ উদ্যোগীৰ হাতত দেশৰ অৰ্থনীতিৰ বাঘজৰী তুলি দিলেই দৈৱিকভাৱে আমাৰ সকলো সমস্যাৰ সমাধান হ'ব বুলি আশা কৰাটো নিস্ফল হ'ব।

দৰাচলতে আমি অৰ্থনীতিৰ কথা কওঁতে 'ব্যক্তিগত' আৰু 'ৰাজহুৱা' উদ্যোগৰ মাজত যে বিভাজন কৰোঁ সেইটো প্ৰহসনপূৰ্ণ। আমাৰ দেশৰ ব্যৱসায়ী আৰু উদ্যোগী প্ৰতিষ্ঠানবোৰৰ ৬৫ শতাংশই ৰাজহুৱা খণ্ডৰ এক্তিয়াৰত। কিন্তু প্ৰকৃততে সকলোতে ব্যক্তিগত দৰ্শনৰ প্ৰাধান্যহে পৰিলক্ষিত হয়। এগৰাকী চৰকাৰী চাকৰিয়ালে তেওঁৰ ৰাজহুৱা দায়িত্বৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ অংশ পালন কৰিবলৈকো অপাৰগ, কিন্তু তেওঁৰ ব্যক্তিগত জীৱনত নিজৰ স্বাৰ্থসিদ্ধিৰ সকলো কাম-কাজতে অতিশয় দক্ষ। তেওঁ নানা সন্দেহজনক উপায়েৰে ধন ঘটি নিজৰ বাবে প্ৰাসাদোপম গৃহ নিৰ্মাণ কৰে, এক বা একাধিক গাড়ীও কিনে আৰু ল'ৰা-ছোৱালীক ব্যয়-বহুল বিদ্যালয়লৈ পঠিয়ায়। তেওঁৰ ব্যক্তিগত সম্পত্তি এনেদৰে সংগ্ৰহ আৰু সংৰক্ষণ কৰে যেন তেওঁ এজন সামন্তযুগীয় প্ৰভুহে।

কিন্তু সমগ্ৰ ৰাজ্যখনৰ যদি বিকাশ বা উন্নতি নহয়, তেতিয়াহলে ব্যক্তিগত সমাজ এখনৰ সুখ ভোগ কৰাতো বাধা আহি পৰিব। আমি যেতিয়া আমাৰ উত্থানমুখী মধ্যবিত্ত শ্ৰেণীৰ অৱস্থা নিৰীক্ষণ কৰোঁ, তেতিয়া এনে লাগে যেন এখন চৰম দৰিদ্ৰ দেশত কিছুমান অত্যন্ত ঐশ্বৰ্য্যশালী লোকে এটা দ্বীপতহে যেন অকলে বসবাস কৰি আছে। কিন্তু এনে সুবিধাজনক স্থিতি সদায় অব্যাহত থকাটো সম্ভৱ নহয়। কোনো কোনো মুহূৰ্তত এনে সংকট বা বিপৰ্যয়ৰ সৃষ্টি হয় যে প্ৰভাৱশালী

আৰু পৰাক্ৰমী লোকসকলেও তাৰপৰা নিস্তাৰ নাপায়। যদি বাট-পথত গভীৰ গৰ্তৰ সৃষ্টি হয় বা পথ জলমগ্ন হৈ পৰে তেতিয়াহ'লে চিকচিকিয়া সুন্দৰ গাড়ীৰে যাতায়াত কৰিও কোনো সুখ পোৱা নাযাব। যদি বিদ্যুৎ সৰবৰাহ বন্ধ হৈ নগৰখনত অন্ধকাৰৰ আচ্ছাদন পৰে, তেতিয়াহ'লে নানা সামাজিক অনুষ্ঠানৰ মাধ্যমেৰে আনন্দ উৎসৱ কৰাটো সহজ নহ'ব।

মই পাঠকক নৈতিক বচন শুনাবলৈ নিবিচাৰো, কিন্তু এই কথা ক'বই লাগিব যে বৈষয়িক সুখৰ সন্ধানত মতলীয়া হৈ বহুতো মানুহে নিজৰ প্ৰশান্তি আৰু সুস্বাস্থ্য বিসৰ্জন দিছে। আজি-কালি নাৰ্চিংহোম আৰু হাস্পতালবোৰ ৰোগীৰে ঠাহ খোৱা। মানুহ অসুখ-বিসুখ হ'লে মানসিক অশান্তিয়ে অত্যধিক গুৰুতৰ কৰি তোলে। এই সন্দৰ্ভত মই মোৰ মামা ডঃ বিনয় কুমাৰ তামুলীৰ উদাহৰণ নিদি নোৱাৰিলোঁ। তেওঁৰ দৰে বৈষয়িক লালসাৰ পৰা সম্পূৰ্ণ মুক্ত ব্যক্তি আজিৰ পৃথিৱীত বিৰল। তেওঁক মই কোনো চিকিৎসকৰ ওচৰলৈ যোৱা দেখা নাই। তেওঁৰ শাৰীৰিক সুস্থতা আৰু মানসিক প্ৰশান্তিৰ সমন্বয় ঈৰ্ষণীয়।

এই প্ৰবন্ধৰ প্ৰথম ভাগত মই 'পৃথক শান্তি' (A separate peace) কথাফাকি উল্লেখ কৰিছিলোঁ। এই কথাফাকি মই আৰ্ণেষ্ট হেমিংওৱেৰ "A Farewell to Arms" নামৰ উপন্যাসখনৰ পৰা লৈছোঁ। মহাযুদ্ধৰ বিভীষিকাৰ পৰা আঁতৰি গৈ হেন্‌ৰী আৰু কেথেৰিণ নামৰ প্ৰধান চৰিত্ৰ দুটিয়ে প্ৰেমৰ যোগেদি এক 'পৃথক শান্তি' আহৰণ কৰিবলৈ চেষ্টা কৰিছিল। কদৰ্য আৰু ভয়ংকৰ জীৱনৰ পৰা পলায়ন কৰাৰ মানুহৰ যি চিৰন্তন প্ৰচেষ্টা তাৰ বহুতো নিদৰ্শন সাহিত্য আৰু সংস্কৃতিৰ জগতত পোৱা যায়। বহুতৰ মতে 'হাই নুন্' (High Noon) হ'ল হলিউডত নিৰ্মিত সৰ্বোত্তম 'ওৱেষ্টাৰ্ণ' ( গো-চাৰক, ৰেড্ ইণ্ডিয়ান বা ডকাইতৰ জীৱন আৰু কাৰ্য্য-কলাপক ভিত্তি কৰি সৃষ্টি হোৱা ৰোমাঞ্চধৰ্মী বোলছবি) ইয়াত গেৰী কুপাৰ নামৰ প্ৰখ্যাত অভিনেতাজনে এজন আইন ৰক্ষকৰ ভূমিকাত তিনিওজন ভয়ংকৰ অপৰাধীৰ লগত মোকাবিলা কৰিব লগা হয় (A Farewell to Arms কথাছবিখনৰ প্ৰধান চৰিত্ৰৰ ভূমিকাতো এই গেৰী কুপাৰেই আছিল) চহৰখনৰ মংগলৰ বাবেই তেওঁ এই অপৰাধীকেইজনৰ লগত সংঘৰ্ষত লিপ্ত হয়, কিন্তু চহৰৰ বাসিন্দাসকলে তেওঁক সহায় কৰিবলৈ অমান্তি হয়। অপৰাধীকেইজনৰ লগত সংঘৰ্ষৰ চৰম মুহূৰ্তটো আহি পৰাৰ সময়ত (হাই নুনৰ অৰ্থ হ'ল মধ্যাহ্ন- বোলছবিখনৰ এই শেষ সংঘৰ্ষটো হয় মধ্যাহ্নত আৰু প্ৰতীকি অৰ্থতো এই সময়খিনি প্ৰধান চৰিত্ৰটোৰ জীৱনৰ মধ্যাহ্ন আছিল) তেওঁৰ প্ৰিয়তমাৰ বাহিৰে তেওঁৰ ওচৰত আৰু কোনো নাছিল। আইন ৰক্ষকজনেই অৱশেষে বিজয়ী হয় আৰু দুৰ্বৃত্ত তিনিজনৰ মৃত্যুৰ পিছত বিজেতাক অভিনন্দন জনোৱাটো নিৰাপদ আৰু বাঞ্ছনীয় বুলি



বিবেচনা কৰি চহৰবাসীসকল লুকাই থকা ঠাইৰ পৰা ওলাই আহে। কিন্তু ক্লান্ত নায়কে চৰম অৱজ্ঞাৰে সেই ভয়াতুৰ আৰু বিশ্বাসঘাটক চহৰবাসীলৈ পিঠি দি তেওঁৰ আইন ৰক্ষকৰ বেজটো মাটিত দলিয়াই দিছিল আৰু নায়িকাৰ লগত এক 'পৃথক শান্তিৰ' সন্ধানত সেই ঠাই পৰিত্যাগ কৰি গুচি গৈছিল।

'লিট্‌ল ডৰিট'ৰ এমী ডৰিট্ আৰু আৰ্থাৰ ক্লেনামে কৰা কাৰ্য, 'হাই নুন'ত অকলশৰীয়া আইন ৰক্ষকজনে কৰা কাৰ্য্য আৰু 'এ ফেয়াৰওৱেল টু আৰ্মছ'অত হেন্‌ৰী আৰু কেথেৰিণে কৰিবলৈ ওলোৱা কাৰ্য্যৰ (অৰ্থাৎ কিবা এটা বেয়া বা অপ্ৰীতিকৰ কাৰ্য্য বৰ্জন কৰি তাৰ পৰা ফালৰি কাটি আঁতৰি যোৱা) আকৰ্ষণ অনস্বীকাৰ্য। কিন্তু এইবোৰ হতাশা আৰু পৰাজয়ৰ কাহিনী আৰু দৰাচলতে এইবোৰৰ আকৰ্ষণ আৰু আহ্বান এক প্ৰত্যাহ্বানহে। 'এ ফেয়াৰওৱেল্ টু আৰ্মছ'অৰ শেষত কেথেৰিণৰ মৃত্যু ঘটাই হেমিংওৱেই এই পলায়নবাদী মনোবৃত্তিক সমালোচনা কৰিছে।

এইখন উপন্যাসৰ কিছু বছৰ পিছত হেমিংওৱেই 'ফৰ্ হুম্ দ্য বেল্ টল্‌ছ্' (For whom the Bell Tolls) খন লিখিছে যাৰ দ্বাৰা লেখকে পলায়নবাদী মনোবৃত্তিক আৰু দৃঢ়ভাৱে পৰিত্যাগ কৰিছে। এই শতিকাৰ ত্ৰিশৰ দশকত পৃথিৱীৰ সকলো প্ৰান্তৰ পৰা বুদ্ধিজীৱীসকল গৈ স্পেইনৰ ফেচিষ্ট নেতা ফ্ৰাংকোৰ স্বৈৰাচাৰী শাসনৰ বিৰুদ্ধে হোৱা বিপ্লৱত গৈ যোগদান কৰিছিল। জনগণৰ সমস্যাৰ পৰা নিৰাপদ দূৰত্বত থকাটো যে অনুচিত এই উপলব্ধিয়ে বুদ্ধিজীৱীসকলক অনুপ্ৰাণিত কৰিছিল। এই বুদ্ধিজীৱীসকলৰ এজন আছিল আৰ্ণেষ্ট হেমিংওৱে। স্পেইনলৈ যোৱাৰ সময়ত আৰু উপন্যাসখন লিখাৰ সময়ত কবি আৰু ধৰ্মযাজক জন্ ডানৰ এটি চাৰ্মনৰ (Sermon) এইকেইফাকি কথা তেওঁৰ মনত অনুৰণিত হৈ আছিল ঃ

No man is an island, entire in himself
Everyman's death diminishes me
Don't go into the street
To look for whom the bell tolls
It tolls for thee, it tolls for me.

আমি যদি ক্ষুব্ধ, বিৰক্ত, হতাশ আৰু ক্লান্ত হৈ 'লিট্‌ল ডৰিট'ৰ 'এটা কাম কি দৰে নকৰাকৈ থাকিব পাৰি'ৰ দৰ্শন অনুসৰণ কৰা প্ৰবৃত্তি অনুভৱ কৰোঁ, তেতিয়াহলে সাহিত্য আৰু কলাৰ জগতৰ এই উদাহৰণবোৰ নিজকে নিজে সোঁৱৰাই থাকিব লাগে। আনহাতে মানুহে যদি কেৱল নিজৰ স্বাৰ্থৰে চিন্তা কৰি নিজৰ বাবে ঐশ্বৰ্য-বৈভৱৰ 'মধ্যাহ্ন' সৃষ্টি কৰে তেতিয়াহ'লে চহকী লোক আৰু

বঞ্চিত লোকৰ মাজৰ বিভাজনটো বাঢ়ি বাঢ়ি অৱশেষত গৈ হিংসাৰ আগ্নেয়গিৰি
পৰিণত হ'ব (ইতিমধ্যে তেনে হৈছেই)। এজন অভিযন্তাই এজন চিকিৎসক
বিৰুদ্ধে ওজৰ-আপত্তি দৰ্শোৱাৰ আগতে, বা এজন শিক্ষকে এজন চৰকাৰী বিষয়া
নিৰাসক্ত মনোভাৱৰ বিৰুদ্ধে বিষোদ্গাৰ কৰাৰ আগতে কিছু আত্ম-সমালোচনা ক
তেওঁ নিজেও নিজৰ দায়িত্ব নিষ্ঠাৰে পালন কৰিছে নে নাই সেইটোহে ভালদৰে
ভাবি চাব লাগে।

আজি-কালি অহৰহ পালন কৰা 'বন্ধ'ৰ দৰে প্ৰতীকি ৰূপৰ বিক্ষোভৰ দ্বাৰা
কোনো সমস্যাৰ সমাধান নহয়। আজিৰ দিনত, বিশেষকৈ অসমত 'বন্ধ' হ'
ক্লীৱতাৰ অন্তঃসাৰ-শূন্য লাভহীন প্ৰতিবাদ। আমাৰ সঁচাকৈয়ে যিটো গুণৰ প্ৰয়োজন
হৈছে সি হ'ল গৌৰৱ। এই গৌৰৱ জাত্যাভিমানৰ পৰা উদ্ভূত হোৱা গৌৰৱ নহয়,
এই গৌৰৱ হ'ল নিজৰ কাম নিষ্ঠা আৰু পটুতাৰে কৰাৰ সন্তোষপূৰ্ণ গৌৰৱ। কা
নকৰাকৈ ছল-চাতুৰীৰে দুপইচা সৰকোৱা আৰু আন নানা কুপ্ৰবৃত্তিৰ জন্ম বিদেশী
বিতাড়নৰ বাবে কৰা ছয় বছৰীয়া অসম আন্দোলনতে হৈছিল বুলি আমাৰ দৰে
কিছুমান লোকৰ ধাৰণা (সেই সময়ত সতৰ্ক বাণীও শুনাইছিলো)। কিন্তু আমাৰ
ভৱিষ্যদ্বাণী যে সত্য হ'ল তাক লৈ আত্মপ্ৰসাদ লাভ কৰাৰ কোনো কাৰণ নাই
কিয়নো এইখন আমাৰ ৰাজ্য, আমাৰ দেশ। এতিয়া আমাৰ সকলোৰে সন্মুখত
এটাই গুৰু দায়িত্ব ঃ সেইটো হ'ল নিজৰ কামখিনি কোনো ফাঁকি-ফুকা নিদিয়াকৈ
নিষ্ঠাৰে পালন কৰা। দেশখনৰ অস্তিত্ব ৰক্ষাৰ বাবে ইয়াৰ বাহিৰে আন কোনো
বিকল্প হ'ব নোৱাৰে।

---